**ASSAM LEGISLATIVE ASSEMBLY**
**UNSTARRED QUESTION No. 95**
**Date of Reply: 19/02/2026**

Subject: Industrial land banks and investment promotion in Barak Valley.
Name of MLA : Shri NIHAR RANJAN DAS :

95. Will the Minister of Industries, Commerce and Public Enterprises Department be pleased to state :

a) Whether any industrial land bank or industrial estate is available or proposed in Cachar District ?

b) Whether any steps taken to attract private investment and MSMEs in Barak Valley ?

c) Whether any special industrial incentive package is under consideration for the region ?

**Answers**

Shri Bimal Borah, Hon'ble Minister of Industries, Commerce & Public Enterprises, Assam will reply:

a) Industries, Commerce & Public Enterprises Department has a functional Industrial Estate in Malinibeel, Silchar comprising of an area of approximately 106 Bigha where a total of 38 units are operating. Also, another land parcel measuring 100 Bighas in Udharband has been proposed to be developed as an Industrial Estate by creating common infrastructure like boundary wall, drainage system, roads, truck parking yard, power stations and power transmission line etc. Industries, Commerce & Public Enterprises Department is also undertaking steps to transform the erstwhile land of Cachar Paper Mill into a sprawling Industrial Hub by developing the land and creating common infrastructure for the prospective entrepreneurs. It is to noted that 60 bighas of land has been allotted for setting up of MSME Technology Centre, 136 bighas of land has been allotted to NRL for setting up of Rail Fed Petroleum Product Terminal. However, it is planning to setup one Multimodal Logistic Park covering 212 bighas of land. Besides this, many industries are enquiring about the availability of land.

b) In order to attract private investment and MSMEs in Assam including Barak Valley, Industries, Commerce & Public Enterprises Department has been implementing the following schemes/ policies-

(i) Govt. of Assam:

1) Chief Minister Atmanirbhar Asom Abhijan (CMAAA)
2) Industrial & Investment Policy of Assam (amended), 2023
3) Maintenance, Repair and Overhaul (MRO) Policy of Assam, 2025
4) Assam Electronics System Design & Manufacturing Policy, 2025
5) Assam Electronics Components Manufacturing Top-Up Scheme, 2025
6) Assam Aerospace & Defence Manufacturing Policy, 2025
7) Assam Startup & Innovation Policy, 2025
8) Assam Textile & Apparel Policy, 2025
9) Assam Integrated Clean Energy Policy, 2025
10) Assam Pharmaceutical and Medical Device Policy, 2025
11) Assam Biotech Policy, 2022
12) Assam Tourism Policy, 2022
13) Assam Logistics & Warehousing Policy, 2022
14) Assam Ethanol Production Promotion Policy, 2021

(cont....)

(ii) Govt. of India:

- Uttar Poorva Transformative Industrialization Scheme (UNNATI, 2024)
- Prime Minister's Employment Generation Programme (PMEGP)
- Pradhan Mantri Formalisation of Micro Food Processing Enterprises Scheme(PMFME)
- PM Vishwakarma Scheme etc.

Additionally, Industries, Commerce & Public Enterprises Department has also established various Industrial Estates in Barak Valley where private investors and MSMEs can be allotted land at minimal rates. The Industrial Estates are namely:

(i) IE Malinibeel
(ii) IE Panchgram
(iii) IE Ratabari
(iv) IE Maizgram
(v) IE Sephinjuri.

c) All available industrial incentives under the schemes/ policies are applicable to Barak Valley as well.

*****

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ৯৬

উত্তৰ দানৰ তাৰিখ : ১৯-০২-২০২৬

বিষয়: অসামের মোট কতটুকু বনাঞ্চল সংৰক্ষণ এলাকা আছে তাহার সম্পৰ্কিত ।

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, বিধায়ক :

মাননীয় বন, পরিবেশ এবং জলবায়ু পরিবর্তন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কী :

(ক) আসামের মোট কতটুকু বনাঞ্চল সংৰক্ষন এলাকা আছে, তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি ?

(খ) আসামে ২০০১ সাল থেকে ২০১৫ সাল অবধি এবং ২০১৫ সাল থেকে অদ্যাবধি মোট কতটি গণ্ডার হত্যা হয়েছে? তার বছর ভিত্তিক তথ সদনে প্রকাশ করার জন্য অনুরোধ রাখছি।

(গ) বিগত দিনে যে গণ্ডার হত্যা হয়েছিল তার জন্য দায়ী কারা এবং দোষীদের বিরুদ্ধে কী ধরনের ব্যবস্থা নেওয়া হচ্ছে তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

(ঘ) আসামের কাজিরাঙাসহ সংরক্ষিত বনাঞ্চলে কী কী বিরল প্রজাতির প্রাণী আছে, তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

উত্তৰ:

পৰিবেশ আৰু বন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মহোদয়ে উত্তৰ দিব :

(ক) অসমৰ বনাঞ্চল এলাকাৰ তথ্য এনেধৰণৰ:

| ক্রমিক নং | বনাঞ্চল | সংখ্যা | মাটিকালি (হেক্টৰ) |
|---|---|---|---|
| ১ | ৰাষ্ট্ৰীয় উদ্যান | ৮খন | ৫,৫৩,১৩২ |
| ২ | অভয়াৰণ্য | ১৭খন | ১,৮৫,০৮৬ |
| ৩ | সংৰক্ষিত বনাঞ্চল | ৩২০খন | ১২,৮০,৮১৭.৩৪৬ |
| মুঠ মাটিকালি (হেক্টৰ) | | | ১৮,১৯,০৩৫.৩৪৬ |

বিতং তথ্য সংলগ্ন 'ক' ত দেখুওৱা হ'ল

(খ) অসমত ২০০১ চনৰ পৰা ২০১৫লৈ গঁড় হত্যাৰ তথ্য সংলগ্ন 'খ' ত গাঠি দিয়া হল আৰু ২০১৫ চনৰ পৰা এতিয়ালৈকে (১০-০২-২০২৬) গঁড় হত্যাৰ তথ্য সংলগ্ন 'গ' ত গাঠি দিয়া হ'ল।

(গ) বিগত দিনত হোৱা গঁড় হত্যাৰ বাবে চোৰাং চিকাৰী দায়ী। সেই চোৰাং চিকাৰীবোৰৰ বিৰুদ্ধে বন্যপ্ৰাণী সুৰক্ষা আইনৰ মতে আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিতং তথ্য সংলগ্ন 'ঘ' ত গাঠি দিয়া হ'ল।

(ঘ) অসমৰ কাজিৰঙা সহ সংৰক্ষিত বনাঞ্চলত বিৰল প্ৰজাতিৰ প্ৰাণীৰ তথ্য সংলগ্ন 'ঙ' ত গাঠি দিয়া হ'ল।

বি.দ্ৰঃ ওপৰত উল্লেখ কৰা সংলগ্নসমূহ https://neva.gov.in/ ত দিয়া হ'ল।

****

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ৯৭

উত্তৰ দানৰ তাৰিখ : ১৯-০২-২০২৬

বিষয়: উচ্ছেদ সম্পর্কে

শ্রীনিজাম উদ্দিন চৌধুরী, বিধায়ক :

মাননীয় পরিবেশ, বন আর জলবায়ু পরিবর্তন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কী :

(ক) সরকার অবগত আছে কি যে হাইলাকান্দি জেলার দামছড়া গ্রামের বাসিন্দারা দরিদ্র ও ভূমিহীন কৃষক, যারা ১৯৬৫ সাল থেকে উক্ত এলাকায় বসবাস করে আসছেন, ঘরবাড়ি নির্মাণ করেছেন এবং বনজ গাছপালা বিহীন জমিতে চাষাবাদ করে জীবিকা নির্বাহ করে আসছেন?

(খ) উক্ত গ্রামে রাস্তা, বিদ্যুৎ, বিদ্যালয়, অংগনওয়াড়ি কেন্দ্র, স্বাস্থ্য উপকেন্দ্র, পানীয় জলের ব্যবস্থা এবং এম জি এন আর ই জি ও কাজসহ সরকারি সুযোগ-সুবিধা প্রদান করা হয়েছে কি, যার ফলে গ্রামটি একটি পুরোনা স্থায়ী বসতি হিসেবে বিবেচিত হয় ?

(গ) বন বিভাগ কি পূর্বে দামছড়াকে বন গ্রাম (Forest Village) হিসেবে স্বীকৃতি দেওয়ার জন্য তদন্ত ও প্রক্রিয়া শুরু করেছিল, এবং ক্ষেত্র পর্যায়ের প্রতিবেদনসমূহ কি বাসিন্দাদের পুরোনো ভূমিহীন বাসিন্দা হিসেবে এবং জমিটিকে মূলত: কৃষিযোগ্য হিসেবে নিশ্চিত করেছিল ?

(ঘ) পূর্বের বন্দোবস্ত প্রক্রিয়া এবং গৌহাটি উচ্চ আদালতের ২০১২ সালের পর্যবেক্ষণ সত্ত্বেও ১৭-১২-২০২৫ তারিখে নতুন উচ্ছেদ নোটিশ জারি করা হয়েছে কি?

(ঙ) সরকার কি যোগ্য ভূমিহীন পরিবারসমূহের জন্য আইন অনুযায়ী দামছড়া গ্রামকে নিয়মিতকৰণ/বন্দোবস্তি করা এবং ভূমি বরাদ্দ বা পুনর্বাসনের ব্যবস্থা গ্রহণ করবে ?

(চ) যদি করে, তবে কবে নাগাদ চূড়ান্ত সিদ্ধান্ত নেওয়ার সম্ভাবনা আছে?

উত্তৰ:

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মহোদয়ে উত্তৰ দিব :

(ক) ডামচেৰা আভ্যন্তৰীণ সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত বেদখল থকা কথাটো সচা।

(খ) আভ্যন্তৰীণ ৰেখা সংৰক্ষিত বনাঞ্চলৰ অধীনত ডামচেৰা এলেকাত বেদখলকাৰীৰ বাবে বিদ্যালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ঘৰুৱা বিদ্যুৎ সংযোগ, ব্যক্তিগত পানী যোগান, গাঁৱৰ পথ আদিৰ বাবে বন (সংৰক্ষণ) আইন, ১৯৮০ৰ বিধান অনুসাৰি কোনো সংৰক্ষিত বনভূমি আবণ্টন দিয়া হোৱা নাই।

(গ) ডামচেৰাত বনগাঁও সৃষ্টিৰ কোনো প্ৰস্তাৱ দাখিল কৰা হোৱা নাই।

(ঘ) মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ WP(C) নং ১৮৫/২০২৬ (জিয়াব উদ্দিন বৰভূঞা আৰু ২১৭ জন আন ব্যক্তি বনাম অসম ৰাজ্য আৰু ৫ জন আন ব্যক্তি)ত গৃহীত ০৯-০১-২০২৬ তাৰিখৰ আদেশ মানি চলি প্ৰয়োজনীয় জাননী জাৰি কৰা হৈছে আৰু উচ্ছেদ কৰা হ'ল ।

(ঙ) প্ৰশ্ন কৰা ডামচেৰা অঞ্চলৰ বেদখলকাৰীসকলে সংৰক্ষিত বনভূমিত বন আইনসমূহৰ কোনো বিধানৰ অধীনত আবণ্টন লাভ কৰা অধিকাৰী নহয়।

(চ) প্ৰযোজ্য নহয় ।

****

অসম বিধান সভা

লিখিত উত্তৰৰ বাবে প্ৰশ্ন নং ৯৮

উত্তৰ দিয়া তাৰিখ ১৯/২/২০২৬

বিষয়: **ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কত ।**

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা : বিধায়ক**

মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ছয় জনগোষ্ঠী আহোম, মৰাণ, মটক, চুতীয়া, কোচ ৰাজবংশী আৰু চাহ জনগোষ্ঠীৰ জনজাতিকৰণ কৰা সম্পৰ্কত বৰ্তমান কি অৱস্থাত আছে ?

(খ) চৰকাৰে গঠন কৰা মন্ত্ৰীগোটে এই সম্পৰ্কত অসম বিধান সভাৰ মজিয়াত দাখিল কৰা প্ৰতিবেদনখন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিলেনে ?

গ) এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ পৰা যোগাত্মক সঁহাৰি লাভ কৰিলেনে ?

(ঘ) কলিতা জনগোষ্ঠীৰ জনজাতিকৰন কৰা সম্পৰ্কত চৰকাৰে এতিয়ালৈকে কি ব্যৱস্থা গ্ৰহণ কৰিলে ?

ঙ) কেন্দ্ৰীয় চৰকাৰলৈ কলিতা জনগোষ্ঠীক জনজাতিৰ মৰ্য্যদা দিয়াৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰিলেনে ?

চ) যদি প্ৰেৰণ কৰা নাই, তেনেহ'লে এতিয়ালৈকে প্ৰেৰণ নকৰাৰ কাৰন কি ?

মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী ডাঃ ৰনোজ পেগু মহোদয়ে উত্তৰ দিব :

**উত্তৰ**

ক) অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰা প্ৰক্ৰিয়াটো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। কেন্দ্ৰীয় চৰকাৰে এই বিষয়ত ৰাজ্য চৰকাৰক এখন মন্ত্ৰী গোটৰ কমিটি গঠন কৰি ৰাজ্যত বৰ্তমানে থকা জনজাতি সকলৰ সুবিধা সমূহ কৰ্তন নোহোৱাকৈ এই ছয় জনগোষ্ঠীক কেনেকৈ জনজাতিকৰণ কৰিব পৰা যাব তাৰ ওপৰত এক প্ৰতিবেদন বিচাৰিছে। এই কমিটিয়ে যোৱা নৱেম্বৰত বহা বিধান সভাৰ শীতকালীন অধিবেশনত এই প্ৰতিবেদন দাখিল কৰে ।

(খ) নাই কৰা ।

গ) প্ৰশ্ন নুঠে ।

(ঘ) যিহেতু জনজাতিকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে কিছুমান বৈশিষ্ট্য নিৰ্ধাৰণ কৰি দিছে, সেয়েহে কলিতা জনগোষ্ঠীক জনজাতিকৰণ কৰিবলৈ হলে উক্ত বৈশিষ্ট্যসমূহ এই জনগোষ্ঠীৰ আছে নে নাই তাৰ প্ৰতিবেদন দিবলৈ অসম অনুসূচীত জাতি আৰু জনজাতি গৱেষণা প্ৰতিষ্ঠানক অনুৰোধ কৰা হৈছে। অসম অনুসূচীত জাতি আৰু জনজাতি গৱেষণা প্ৰতিষ্ঠানে জনাইছে যে যদিহে জনজাতিকৰণৰ নিয়মাৱলী তথা বৈশিষ্ট্যসমূহ কেন্দ্ৰীয় চৰকাৰে সৰলীকৰণ কৰে, তেতিয়াহলে কলিতা জনগোষ্ঠীৰ নৃতাত্বিক প্ৰতিবেদন তৈয়াৰ কৰি প্ৰস্তাৱ প্ৰেৰণ কৰিব পৰা যাব। (অসম অনুসূচীত জাতি আৰু জনজাতি গৱেষণা প্ৰতিষ্ঠানৰ পত্ৰ অনুবৃদ্ধ "ক" ত দিয়া হ'ল ।

(ঙ) নাই কৰা ।

চ) উত্তৰ "ঘ" ৰ দৰে একেই ।

এই উত্তৰৰ প্ৰতিলিপি neva portal ত আপলোড কৰা হৈছে ।

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ৯৯

উত্তৰ দানৰ তাৰিখ : ১৯-০২-২০২৬

বিষয়: উচ্ছেদিত পৰিয়ালক পুনৰ সংস্থাপন।

হাফিজ বচিৰ আহমেদ, বিধায়ক :

মাননীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সমগ্ৰ অসমত এতিয়ালৈকে কিমান বিঘা মাটি উচ্ছেদৰ দ্বাৰা বেদখলমুক্ত কৰা হ'ল? কিমানটা পৰিয়াল উচ্ছেদ কৰা হ'ল, কিমান মানুহ উচ্ছেদৰ বলি হ'ল আৰু তাৰে কিমানটা পৰিয়ালক পুনৰ সংস্থাপিত কৰা হ'ল? জিলা ভিত্তিত বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) উচ্ছেদিত পৰিয়ালবৰ্গ কিমানটা আশ্ৰয় শিবিৰত বৰ্তমানলৈকে আশ্ৰয় লৈ আছে? জিলা ভিত্তিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(গ) উচ্ছেদিত পৰিয়ালৰ পুনৰ সংস্থাপিত কৰা কিবা আঁচনি চৰকাৰে গ্ৰহণ কৰিছে নেকি? যদি কৰিছে কেনেধৰণৰ ?

**উত্তৰ:**

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মহোদয়ে উত্তৰ দিব :

(ক) সমগ্ৰ অসমত এতিয়ালৈকে বেদখলমুক্ত কৰা বনভূমিৰ বিস্তাৰিত তথ্য সমূহ তলত দিয়া ধৰণে সংলগ্ন কৰা হ'ল-

ক) সংলগ্ন-১ বেদখলমুক্ত কৰা বনভূমিৰ জিলা ভিত্তিক বিতং তথ্য।

খ) সংলগ্ন-২ উচ্ছেদ কৰা পৰিয়াল আৰু ব্যক্তিৰ জিলা ভিত্তিক তথ্য।

(খ) সংস্থাপিত পৰিয়ালৰ তথ্য এই বিভাগৰ লগত নাই। ৰাজহ আৰু পুন: সংস্থাপন বিভাগৰ পৰা তথ্য বিচৰা হৈছে ।

(গ) সংস্থাপিত পৰিয়ালৰ তথ্য এই বিভাগৰ লগত নাই। ৰাজহ আৰু পুন: সংস্থাপন বিভাগৰ পৰা তথ্য বিচৰা হৈছে ।

বি.দ্ৰঃ ওপৰত উল্লেখ কৰা সংলগ্নসমূহ https://neva.gov.in/ ত দিয়া হ'ল।

****

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ১০০

উত্তৰ দানৰ তাৰিখ : ১৯-০২-২০২৬

বিষয়: পি আৰ এফ

শ্ৰীনিজানুৰ ৰহমান, বিধায়ক :

মাননীয় পৰিবেশ, বন আৰু জলবায়ু পৰিবৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) জিলা ভিত্তিক পি আৰ এফ গাঁৱৰ নামৰ তালিকা আৰু ইয়াৰে মাটিকালিৰ তথ্য জনাব। পি আৰ এফ গাঁওসমূহ চিহ্নিত কৰি তথ্য দিব।

(খ) অসমত বিভিন্ন সময়ত ন'টিফিকেচন হোৱা পি আৰ এফবোৰৰ ছাৰ্ভেৰ কাম চলি আছে নেকি ? যদি সম্পূৰ্ণ হৈছে, ইয়াৰ পৰা কি কি তথ্য লাভ কৰিছে বিতংকৈ জনাব ।

(গ) পি আৰ এফ বোৰত হেজাৰ হেজাৰ গৰাখহনীয়া পীড়িত ভূমিহীন লোকে বসবাস কৰি থকাটো সঁচানে? চৰকাৰে এই সমূহ পি আৰু এফৰ পৰা ৰিজাৰ্ভ ফৰেষ্ট কৰাৰ কিবা সিদ্ধান্ত লৈছে নেকি? যদি লৈছে, তেন্তে তালিকাসহ জনাব।

(ঘ) গৌৰীপুৰ সমষ্টিৰ কোন কেইখন গাঁও পি আৰ এফৰ অন্তৰ্ভুক্ত, ইয়াতে কিমান সংখ্যক পৰিয়াল আৰু জনসংখ্যা বসবাস কৰে? এই ঠাই বন বিভাগে খালি কৰি ভূমিহীনসকলক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিবনে ?

(ঙ) নগাওঁ জিলাৰ জুৰীয়া থানা এলেকাত দুজন ভাই-ককাইক বনৰক্ষীয়ে গুলীয়াই হত্যা কৰা বিষয়টো চৰকাৰ অৱগতনে ? কোন বনৰক্ষীৰ গুলীত প্ৰাণ গৈছিল ? কি কাৰণত হত্যা কৰা হ'ল? কি ক্ষতিপূৰণ পৰিয়ালে পালে ? এই বিষয়ে হোৱা বিভাগীয় তদন্তৰ প্ৰতিলিপি দিব।

(চ) বিগত ১০ বছৰত বিভিন্ন বনাঞ্চলত বনকৰ্মীৰ গুলীত প্ৰাণ যোৱা ঘটনাৰ সবিশেষ তথ্য জনাব।

উত্তৰ:

পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মহোদয়ে উত্তৰ দিব :

(ক) PRF গাঁও বুলি স্বীকৃতি প্ৰাপ্ত কোনো গাঁও নাই ।

(খ) পি. আৰ. এফ. বোৰৰ ছাৰ্ভেৰ কাম চলি আছে যদিও এই পৰ্যন্ত সম্পূৰ্ণ হোৱা নাই । উল্লেখযোগ্য যে অসমত বিভিন্ন সময়ত ন'টিফিকেচন হোৱা পি .আৰ .এফ সমূহৰ ভিতৰত ৬ খন পি আৰ এফ (Proposed Reserve Forest) ক আৰ. এফ. (Reserve Forest) লৈ ৰূপান্তৰ কৰা হয়। ইয়াৰ তালিকা সংলগ্ন –'ক' ত দিয়া হ'ল ।

(গ) কিছু পি .আৰ .এফ ত কিছু সংখ্যক লোকে বসবাস কৰি থকাটো সঁচা, কিন্তু সেই লোকসকল গৰাখহনীয়া পিড়িত ভূমিহীন লোক হয় নে নহয় তাৰ কোনো তথ্য বন বিভাগৰ ওচৰত নাই ।

(ঘ) গৌৰীপুৰ সমষ্টিত 'মুছলঝোৰা' পি আৰ এফ খন অন্তৰ্ভুক্ত । উক্ত পি. আৰ. এফ. খনত কোনো বেদখলকাৰী নাই ।

(ঙ) উক্ত ঘটনাটো লাওখোৱা অভয়াৰণ্যৰ ভিতৰত সংঘটিত হয়। বনৰক্ষীৰ তহলদাৰী এটা দলে বৌমাৰী বিলৰ সমীপত তহলদাৰী কৰি থকা অৱস্থাত নিশা প্ৰায় ১ মান বজাত সন্দেহ যুক্ত চিকাৰীৰ ২০ (বিছ) জনীয়া লোকৰ দল এটা লাওখোৱা বন্যপ্ৰাণী অভয়াৰণ্যৰ বৌমাৰী বিলৰ ওচৰত অবৈধ ভাবে ঘুৰি ফুৰোতে তহলদাৰীৰ দলটোৰ লগত মুখা-মুখী হয়। তহলদাৰীৰ দলটোৱে তেওঁলোকক ৰখাবৰ চেষ্টা কৰোঁতে সন্দেহযুক্ত চিকাৰী কেইজনে তহলদাৰীৰ দলটোক গালি-গালাজৰ লগতে দা আৰু খুকুৰীৰে আক্ৰমণ কৰে। যেতিয়া উক্ত ঘটনাটি নিয়ন্ত্ৰণৰ বাহিৰত গুচি যায়, তেতিয়া আত্মৰক্ষাৰ কাৰণে তহলদাৰীৰ দলটোৱে গুলীবৰ্ষণ কৰে। আত্মৰক্ষাৰ কাৰণে গুলীবৰ্ষণ কৰোঁতে ২০ (বিছ) জনীয়া দলৰ ২ (দুই) জন আঘাত প্ৰাপ্ত হয়। উক্ত আঘাত প্ৰাপ্তলোক দুজনক ততাতৈয়াকে সুঁতিৰপাৰ আৰু LC জুৰীয়া P.S. য়ে ৰূপহী চিকিৎসা কেন্দ্ৰত ভৰ্তি কৰোৱায় ।

ক্ৰমশ........পৃ/২

(চ) বিগত ১০ বছৰত বিভিন্ন বনাঞ্চলত বনকৰ্মীৰ গুলীত প্ৰাণ যোৱা চোৰাং চিকাৰী আৰু অবৈধ কাৰ্যত লিপ্ত ব্যক্তিৰ বিতং তালিকা তলত দিয়া হ'ল :

| বছৰ | বনকৰ্মীৰ গুলীত প্ৰাণ যোৱা চোৰাং চিকাৰী আৰু ব্যক্তিৰ সংখ্যা |
|---|---|
| ২০১৬ | গুৱাহাটী বন্যপ্ৰাণী সংমণ্ডল (পবিতৰা অভয়াৰণ্য)-২টা, মংগলদৈ বন্যপ্ৰাণী সংমণ্ডল (ওৰাং ৰাষ্ট্ৰীয় উদ্যান )-২ টা, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান-৫ টা |
| ২০১৭ | কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান-১ টা |
| ২০১৮ | গুৱাহাটী বন্যপ্ৰাণী সংমণ্ডল (পবিতৰা অভয়াৰণ্য)-১ টা, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান-১ টা |
| ২০১৯ | মংগলদৈ বন্যপ্ৰাণী সংমণ্ডল ( ওৰাং ৰাষ্ট্ৰীয় উদ্যান )-১ টা |
| ২০২০ | ০ |
| ২০২১ | ০ |
| ২০২২ | মংগলদৈ বন্যপ্ৰাণী সংমণ্ডল (ওৰাং ৰাষ্ট্ৰীয় উদ্যান )-১ টা |
| ২০২২ | নগাঁও বন্যপ্ৰাণী সংমণ্ডল অন্তৰ্গত সোনাইকুছি সংৰক্ষিত বনাঞ্চল -১টা |
| ২০২৩ | নগাঁও বন্যপ্ৰাণী সংমণ্ডল (বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্য)-১ টা |
| ২০২৪ | কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান-১ টা |
| ২০২৫ | মংগলদৈ বন্যপ্ৰাণী সংমণ্ডল (ওৰাং ৰাষ্ট্ৰীয় উদ্যান )-১ টা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান-৩ টা |

বি.দ্ৰঃ ওপৰত উল্লেখ কৰা সংলগ্নসমূহ https://neva.gov.in/ ত দিয়া হ'ল।

****

অসম বিধান সভা

তৰা বিহীন প্ৰশ্ন নং-. ১০১

উত্তৰ দিয়াৰ তাৰিখ: ১৯/০২/২০২৬

বিধায়কৰ নামঃ শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)

বিষয়ঃ অপ্ৰাদেশিকৃত বিদ্যালয়, শিক্ষক নিযুক্তি।

**প্ৰশ্নঃ**

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০১৭ চনৰ আইন অনুসৰি এতিয়ালৈকে কিমান অপ্ৰাদেশিকৃত বিদ্যালয় / মহাবিদ্যালয় প্ৰাদেশিকীকৰণ কৰিবলৈ বাকী আছে? এই বিলাক কেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব?

(খ) বিভিন্ন বিভাগ drop out শিক্ষকৰ সংখ্যা কিমান? তেওঁলোকৰ চাকৰি কেতিয়া নিয়মীয়াকৰণ হ'ব?

(গ) অসমৰ বিভিন্ন স্থানত হোৱা উচ্ছেদৰ সময়ত কিমান সংখ্যক নিম্ন প্ৰাথমিক, উচ্চ প্ৰাথমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয় উচ্ছেদ কৰা হৈছে? কোন কোন বিদ্যালয় নিৰ্মাণ কৰিবলৈ কিমান টকাৰ খৰচ হৈছিল (তালিকা দিব)।

(ঘ) উক্ত বিদ্যালয় সমূহত অধ্যয়ন কৰা কিমান ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় এৰিছে আৰু বাকী কিমান ছাত্ৰ-ছাত্ৰী ক'ত ক'ত নাম ভৰ্তি কৰিছে?

**উত্তৰঃ**

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ

(ক) অসম চৰকাৰৰ "The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Act, 2017" আৰু "Amendment Act 2018" আইনৰ আওঁতাৰ ভিতৰত থকা সকলো অ-প্ৰাদেশীকৃত মহাবিদ্যালয়, বিদ্যালয় ইতিমধ্যে অসম চৰকাৰে প্ৰাদেশীকৃত কৰিছে।

(খ) অসম চৰকাৰৰ "The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Act, 2017" আৰু "Amendment Act 2018" আইনত কোনো drop out শিক্ষকৰ ব্যাৱস্থা নাই। বৰ্তমানলৈকে এই আইনৰ অধীনত যোগ্য বুলি বিবেচিত হোৱা সকলো শিক্ষকৰ পদ ইতিমধ্যে প্ৰাদেশিকীকৰণ কৰা হৈছে।

(গ) জিলা প্ৰাথমিক শিক্ষা বিষয়া সমূহৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি দৰং জিলাত ১ খন উচ্চ প্ৰাথমিক বিদ্যালয়, ধুবুৰী জিলাত ৫ খন নিম্ন প্ৰাথমিক বিদ্যালয় আৰু ১খন উচ্চ প্ৰাথমিক বিদ্যালয়, নগাঁও জিলাত ৯ খন নিম্ন প্ৰাথমিক বিদ্যালয়, গোৱালপাৰা জিলাত ৯ খন নিম্ন প্ৰাথমিক বিদ্যালয় আৰু ১খন উচ্চ প্ৰাথমিক বিদ্যালয়, হাইলাকান্দি জিলাত ৩ খন নিম্ন প্ৰাথমিক বিদ্যালয়, শোণিতপুৰ জিলাত ১০ খন নিম্ন প্ৰাথমিক বিদ্যালয়, ধেমাজি জিলাত ১ খন নিম্ন প্ৰাথমিক বিদ্যালয় আৰু ডিমা হাছাও জিলাত ১ খন নিম্ন প্ৰাথমিক বিদ্যালয় গোলাঘাট জিলাত ৪ খন, সৰ্বমুঠ ৪৫ খন বিদ্যালয় উচ্ছেদিত কৰা হৈছে। উচ্ছেদ প্ৰক্ৰিয়াত কোনো উচ্চ মাধ্যমিক বিদ্যালয় উচ্ছেদিত হোৱা নাই।

উচ্ছেদিত বিদ্যালয়ৰ তালিকা অনুসৰি ৪৫-খন বিদ্যালয়ৰ নিৰ্মাণ কাৰ্যত সমগ্ৰ শিক্ষা, অসমৰ অধীনত মুঠ ৬৮৯.০০৩ লাখ টকা ব্যয় হয়। জিলা অনুযায়ী এই ব্যয়ৰ পৰিমাণ "**সংলগ্ন-ক**" ত দিয়া হৈছে।

(ঘ) প্ৰাপ্ত তথ্য অনুসৰি, বিভিন্ন জিলাৰ উক্ত উচ্ছেদিত বিদ্যালয় সমূহৰ নাম, উচ্ছেদিত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্তি কৰা বিদ্যালয়ৰ নাম আৰু উচ্ছেদিত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ তালিকা "**সংলগ্ন-খ**"ত উল্লেখ কৰা হৈছে।

উক্ত প্ৰশ্নোত্তৰ সমূহ www.cms.neva.gov.in ত উপলব্ধ কৰা হৈছে।

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ১০২

উত্তৰ দানৰ তাৰিখ : ১৯-০২-২০২৬

বিষয় : ৰাষ্ট্ৰীয় উদ্যান সম্পৰ্কে

শ্ৰীমতী দিপ্তীময়ী চৌধুৰী, বিধায়ক :

মাননীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত বৰ্তমান কিমান ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য আছে? নাম, মাটিকালি, জীৱ-জন্তুৰ সংখ্যা, বেদখলী ভূমিৰ পৰিমাণ কিমান জনাব ।

(খ) অসমত আকৌ নতুন ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য ঘোষণা কৰাৰ কিবা প্ৰস্তাৱ বিবেচনাধীন হৈ আছে নেকি ? যদি আছে, বিস্তৃতভাৱে জনাব।

(গ) অসমত বৰ্তমান কিমান বাঘ, নাহৰফুটুকী বাঘ, বনৰীয়া হাতী আছে ? তথ্যসমূহ শেহতীয়া ছাৰ্ভে অনুযায়ী জনাব।

(ঘ) অসমত বৰ্তমান কিমান বনভূমি আছে ? ইয়াৰে কিমান বৰ্তমান বেদখলৰ কবলত আছে ? বিগত পাঁচটা বৰ্ষত কিমান বনভূমি বেদখলমুক্ত কৰা হ'ল ?

উত্তৰ:

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মহোদয়ে উত্তৰ দিব :

(ক) অসমত বৰ্তমান ৮ খন ৰাষ্ট্ৰীয় উদ্যান আৰু ১৭ খন অভয়াৰণ্য আছে। ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যৰ নাম, মাটিকালিৰ তথ্য সংলগ্ন 'ক' ত দিয়া হ'ল। জৰীপ কৰা জীৱ জন্তুৰ সংখ্যা সংলগ্ন 'খ' ত দিয়া হ'ল। ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্য সমূহৰ বেদখল হৈ থকা ভূমিৰ পৰিমাণ ১৯, ২৭৯. ১৯০ হেক্টৰ ।

(খ) অসমত তাৎক্ষণিক ভাৱে ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্য ঘোষণা কৰাৰ কোনো প্ৰস্তাৱ নাই।

(গ) শেহতীয়া ছাৰ্ভে অনুযায়ী অসমত মুঠ ২০০ টা বাঘ, ৫৮২৮ টা বনৰীয়া হাতী আছে। অসমত নাহৰফুটুকী বাঘৰ এতিয়ালৈকে কোনো ছাৰ্ভে হোৱা নাই।

(ঘ) অসমত বৰ্তমান বনভূমিৰ মাটি কালিৰ পৰিমাণ তথ্য তলত উল্লেখ কৰা হ'ল:

| ক্ৰমিক নং | বিৱৰণ | সংখ্যা | মাটি কালিৰ পৰিমাণ (হেক্টৰ) |
|---|---|---|---|
| ১ | ৰাষ্ট্ৰীয় উদ্যান | ৮ খন | ৩,৫৩,১৩২ |
| ২ | অভয়াৰণ্য | ১৭ খন | ১,৮৫, ০৮৬ |
| ৩ | সংৰক্ষিত বনাঞ্চল | ৩২০ খন | ১২, ৮০, ৮১৭.৩৪৬ |
| মুঠ মাটি কালিৰ পৰিমাণ (হেক্টৰ) | | | ১৮, ১৯, ০৩৫.৩৪৬ |

বিগত ৫ টা বছৰত বনভূমি বেদখল কৰাৰ তথ্য তলত উল্লেখ কৰা হ'ল।

১। ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য: ৫,৯১৮.১৪ হেক্টৰ

২। সংৰক্ষিত বনাঞ্চল: ১১০১৯.১০৬৬ হেক্টৰ

মুঠ মাটি কালি ১৫,৯৩৭.২৪৬৬ হেক্টৰ

বি.দ্ৰঃ ওপৰত উল্লেখ কৰা সংলগ্নসমূহ https://neva.gov.in/ ত দিয়া হ'ল।

****

# অসম বিধান সভা
## তৰাবিহীন প্ৰশ্ন নং - ১০৩
## উত্তৰ দিয়াৰ তাৰিখ – ১৯-০২-২০২৬
## বিষয়ঃ আধুনিক শিক্ষা
## বিধায়ক: ডাঃ আচিফ মঃ নাজাৰ;

**প্ৰশ্ন**

মাননীয় উচ্চ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) শিক্ষা বিভাগে অসমত আধুনিক শিক্ষাৰ ক্ষেত্ৰত কি কি পাঠ্যক্ৰম সংযোজন কৰিছে, জনাব।
খ) লাহৰিঘাট সমষ্টিত চৰকাৰী মহাবিদ্যালয়কেইখনত বিজ্ঞান আৰু বাণিজ্য শাখা উপলব্ধ আছে নেকি? যদি নাই, চৰকাৰে বিজ্ঞান আৰু বাণিজ্য শাখাৰ কিবা ব্যৱস্থা হাতত লৈছে নেকি?

**উত্তৰ–**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডা॰ ৰণোজ পেগু দেৱে উত্তৰ দিব :-

ক) **অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বৰ্ড (ASSEB) য়ে** উচ্চতৰ মাধ্যমিক স্তৰত (শ্ৰেণী XI আৰু XII) তিনিটা নতুন বিষয় — বিত্তীয় সাক্ষৰতা, কৃত্ৰিম বুদ্ধিমত্তা আৰু সাংকেতিক ভাষা — প্ৰৱৰ্তন কৰিছে। লগতে মাধ্যমিক স্তৰত (শ্ৰেণী IX আৰু X) তিনিটা নতুন বিষয় — টেলিকম, খাদ্য প্ৰক্ৰিয়াকৰণ, মাধ্যম আৰু বিনোদন, আৰু শক্তি — ২০২৫–২৬ শিক্ষাবৰ্ষৰ পৰা আৰম্ভ কৰা হৈছে। মুঠ ৩৮ টা দক্ষতা-ভিত্তিক বিভিন্ন বিষয় মাধ্যমিক স্তৰত প্ৰৱৰ্তন কৰা হৈছে, য'ত কৃত্ৰিম বুদ্ধিমত্তা আৰু সাংকেতিক ভাষা অন্তৰ্ভূক্ত।

**ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ সঞ্চালকালয়ৰ (SCERT) অধীনত** NEP 2020 আৰু ইয়াৰ আধাৰত প্ৰস্তুত হোৱা ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখা (বুনিয়াদী স্তৰ-২০২২ আৰু বিদ্যালয় শিক্ষা-২০২৩) আধাৰত দুখন ৰাজ্যিক পাঠ্যক্ৰম ৰূপৰেখা (বুনিয়াদী স্তৰ আৰু বিদ্যালয় শিক্ষা) প্ৰস্তুত কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ (NEP 2020) অনুমোদিত আধুনিক শিক্ষাৰ উপাদানসমূহ এই পাঠ্যক্ৰম ৰূপৰেখাত সন্নিবিষ্ট কৰা হৈছে যেনে - Information and Communication Technology (ICT), Artificial Intelligence (AI), Virtual Reality (VR), Augmented Reality (AR), Vocational Education, Value Education, Experiential Learning, Art and Sports Integrated Pedagogy, আদি। নতুন পাঠ্যক্ৰম অনুসৰি সকলো বিষয়ৰ পাঠ্যপুথিসমূহ সংশোধিত ৰূপত পৰ্যায়ক্ৰমে প্ৰস্তুত কৰা হৈছে। ইয়াৰ উপৰি আধুনিক উপাদানসমূহ ৰূপায়িত কৰিবলৈ কিছু নতুন বিষয়ৰ পাঠ্যপুথিও প্ৰস্তুত কৰা হৈছে। যেনে-

(1) Information and Communication Technology (ICT) (ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীৰ বাবে)
(2) চৰিত্ৰ-পাঠ (ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ বাবে)
(3) ৰঙেৰে-খেলৰে (তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ বাবে)
(4) কলা আৰু ব্যায়াম (সপ্তম শ্ৰেণীৰ বাবে)

**উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত** NEP 2020 অনুসৰি বিশ্ববিদ্যালয়সমূহ আৰু স্বায়ত্বশাসিত মহাবিদ্যালয়সমূহে চাৰি বছৰীয়া স্নাতক কাৰ্যসূচী (FYUGP) আৰু পাঁচ বছৰীয়া সংযুক্ত স্নাতকোত্তৰ কাৰ্যসূচী (FYUMP) আৰম্ভ কৰিছে। পাঠ্যক্ৰমত কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ মূল (Core Major) বিষয়সমূহ এক নমনীয় ক্ৰেডিট-ভিত্তিক ব্যৱস্থাৰ অন্তৰ্গত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ উপৰি Value Added Courses (VAC), Multi-Disciplinary Courses(MDC) আৰু Skill Enhancement Courses(SEC) অন্তৰ্ভুক্ত কৰা হৈছে। VAC-সমূহে পৰিবেশ অধ্যয়ন আৰু ডিজিটেল সাক্ষৰতা আদি সামগ্ৰিক আৰু মূল্যভিত্তিক শিক্ষাত গুৰুত্ব আৰোপ কৰে। MDC-সমূহে শিক্ষাৰ্থীসকলক নিজৰ মূল বিষয়ৰ বাহিৰেও আন বিষয় অধ্যয়নৰ সুযোগ প্ৰদান কৰি আন্তঃবিষয়ক জ্ঞান বৃদ্ধি কৰে। SEC-সমূহে নিয়োগযোগ্যতা বৃদ্ধিৰ বাবে ব্যৱহাৰিক আৰু প্ৰয়োগমুখী দক্ষতাৰ ওপৰত গুৰুত্ব দিয়ে। পাঠ্যসমূহ বিশ্ববিদ্যালয়সমূহে প্ৰস্তুত কৰে আৰু NEP-ৰ বিধি-নিয়ম অনুসৰি সংযুক্ত মহাবিদ্যালয়সমূহে সেয়া কাৰ্যকৰী কৰে।

**কাৰিকৰী শিক্ষা সঞ্চালকালয়ৰ অধীনত** তলত দিয়া পাঠ্যক্ৰম সমূহ সংযোজন কৰা হৈছে –

(1) Essence of Indian Knowledge and Tradition
(2) Introduction to IT System
(3) Introduction to Electronics (Infosys Spring Board)
(4) Climate Management
(5) Industrial Robotics (Tata)
(6) Surface Ornamentation
(7) Advanced Automobile (Tata)
(8) Solar Energy
(9) Internet of Things (Tata)
(10) Innovation, Design Thinking and prototyping

খ) লাহৰিঘাট সমষ্টিত থকা একমাত্ৰ চৰকাৰী মহাবিদ্যালয়খন হ'ল **কুশতলি মৰিগাঁও চৰকাৰী আদৰ্শ মহাবিদ্যালয়** আৰু এই মহাবিদ্যালয়ত কেৱল কলা শাখাহে উপলব্ধ। বৰ্তমান মহাবিদ্যালয়খনত বিজ্ঞান আৰু বাণিজ্য শাখা প্ৰৱৰ্তনৰ কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

বি:.দ্ৰ. উত্তৰসমূহ অসম বিধানসভাৰ ৱেবছাইট '**www.cms.neva.gov.in**'ত আপল'ড কৰা হৈছে।

*****

# অসম বিধান সভা
## তৰাবিহীন প্ৰশ্ননং - ১০৪.
## উত্তৰ দিয়াৰ তাৰিখ - ১৯-০২-২০২৬
## বিষয়ঃশিক্ষক আৰু অশিক্ষকৰ বকেয়া ধন সম্পৰ্কে।
## বিধায়ক : শ্ৰী ৰফিকুল ইছলাম

## প্ৰশ্ন

মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) অসম চৰকাৰে ষষ্ঠ আৰু সপ্তম অসম বেতন আৰু উৎপাদনশীলতা বেতন আয়োগৰ (Assam Pay & Productivity Pay Commission) প্ৰতিবেদন অনুসৰি ধাৰ্য্য কৰা নিৰিখ মতে প্ৰাদেশিকীকৃত মহাবিদ্যালয় সমূহৰ শিক্ষক আৰু অশিক্ষক কৰ্মচাৰীসকলে ০১-০১-২০১৬ৰ পৰা ৩০-০৬-২০১৬ লৈকে আৰু ০১-০৪-২০১৬ৰ পৰা ৩০-০৯-২০১৮লৈকে পাবলগীয়া বকেয়া ধন (Arrears) আজি পৰ্যন্ত সম্পূৰ্ণৰূপে আদায় নিদিয়াৰ মূল কাৰণসমূহ কি কি? চৰকাৰে এই বিষয়ত কি কি পদক্ষেপ গ্ৰহণ কৰিছে আৰু কিয় এতিয়ালৈকে সমাধান হোৱা নাই? বিতং জনাব।

খ) উক্ত বকেয়া ধন কেতিয়া আৰু কি পদ্ধতিৰে (এককালীন নে কিস্তিত) আদায় দিয়াৰ সম্ভাব্য সময়সীমা আছে?

গ) বৰ্তমান ৮ম বেতন আয়োগ গঠন হোৱাৰ পিছতো পুৰণি বকেয়াসমূহৰ অগ্ৰাধিকাৰ ভিত্তিত দিয়া হ'বনে?

ঘ) অসমৰ সকলো প্ৰাদেশিকীকৃত মহাবিদ্যালয়সমূহৰ শিক্ষক আৰু কৰ্মচাৰীসকলৰ মাজত মুঠ কিমানজন লোকে এইবকেয়া ধন পাবলগীয়া হৈ আছে? মুঠ বকেয়া ধনৰ পৰিমাণ কিমান (যেনে- মুঠ টকাৰ পৰিমাণ, কলেজভিত্তিক ব্যক্তি ভিত্তিত জনাব)?

ঙ) কিমানজন অৱসৰপ্ৰাপ্ত/স্বৰ্গগত হৈছে আৰু তেওঁলোকৰ উত্তৰাধিকাৰীসকলক ধন দিয়াৰ বাবে কি ব্যৱস্থা আছে? বিতং জনাব।

## উত্তৰ

মাননীয় শিক্ষা বিভাগ ৰমন্ত্ৰী ডা:ৰণোজ পেগু দেৱে উত্তৰ দিব :-

ক) অসম চৰকাৰে ষষ্ঠ আৰু সপ্তম অসম - বেতন আয়োগৰ (Assam Pay & Productivity Pay Commission) প্ৰতিবেদন অনুসৰি ধাৰ্য্য কৰা নিৰিখমতে প্ৰাদেশিকীকৃত মহাবিদ্যালয়সমূহৰ শিক্ষক আৰু অনাশিক্ষক কৰ্মচাৰী সকলকৰ বকেয়া ধন আদায় দিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উক্ত বকেয়া ৫০% ৰাজ্য চৰকাৰে অনুমোদন জনোৱাৰ বিপৰীতে ৫০% কেন্দ্ৰীয় চৰকাৰে বহন কৰে। ইতিমধ্যে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আদায় দিবলগীয়া ৫০% বকেয়া ধন সকলো শিক্ষক আৰু অনা শিক্ষকক আদায় দিয়া হৈছে।

০১-০১-২০১০৬ চনৰ পৰা ৩০-০৬-২০১৬ লৈকে আৰু ০১-০৪-২০১৬ চনৰ পৰা ৩০-০৯-২০১৮ চনলৈকে ৰাজ্য চৰকাৰে আদায় দিবলগীয়া ধনৰ পৰিমাণ আছিল ৪৭৬২৯.৬১৭১৩ লাখ। উক্ত বকেয়া শিক্ষক আৰু

# অসম বিধান সভা
## তৰাবিহীন প্ৰশ্ননং - ১০৪.
## উত্তৰ দিয়াৰ তাৰিখ - ১৯-০২-২০২৬
## বিষয়ঃশিক্ষক আৰু অশিক্ষকৰ বকেয়া ধন সম্পৰ্কে।
## বিধায়ক : শ্ৰী ৰফিকুল ইছলাম

## প্ৰশ্ন

মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) অসম চৰকাৰে ষষ্ঠ আৰু সপ্তম অসম বেতন আৰু উৎপাদনশীলতা বেতন আয়োগৰ (Assam Pay & Productivity Pay Commission) প্ৰতিবেদন অনুসৰি ধাৰ্য্য কৰা নিৰিখ মতে প্ৰাদেশিকীকৃত মহাবিদ্যালয় সমূহৰ শিক্ষক আৰু অশিক্ষক কৰ্মচাৰীসকলে ০১-০১-২০১৬ৰ পৰা ৩০-০৬-২০১৬ লৈকে আৰু ০১-০৪-২০১৬ৰ পৰা ৩০-০৯-২০১৮লৈকে পাবলগীয়া বকেয়া ধন (Arrears) আজি পৰ্যন্ত সম্পূৰ্ণৰূপে আদায় নিদিয়াৰ মূল কাৰণসমূহ কি কি? চৰকাৰে এই বিষয়ত কি কি পদক্ষেপ গ্ৰহণ কৰিছে আৰু কিয় এতিয়ালৈকে সমাধান হোৱা নাই? বিতং জনাব।

খ) উক্ত বকেয়া ধন কেতিয়া আৰু কি পদ্ধতিৰে (এককালীন নে কিস্তিত) আদায় দিয়াৰ সম্ভাব্য সময়সীমা আছে?

গ) বৰ্তমান ৮ম বেতন আয়োগ গঠন হোৱাৰ পিছতো পুৰণি বকেয়াসমূহৰ অগ্ৰাধিকাৰ ভিত্তিত দিয়া হ'বনে?

ঘ) অসমৰ সকলো প্ৰাদেশিকীকৃত মহাবিদ্যালয়সমূহৰ শিক্ষক আৰু কৰ্মচাৰীসকলৰ মাজত মুঠ কিমানজন লোকে এইবকেয়া ধন পাবলগীয়া হৈ আছে? মুঠ বকেয়া ধনৰ পৰিমাণ কিমান (যেনে- মুঠ টকাৰ পৰিমাণ, কলেজভিত্তিক ব্যক্তি ভিত্তিত জনাব)?

ঙ) কিমানজন অৱসৰপ্ৰাপ্ত/স্বৰ্গগত হৈছে আৰু তেওঁলোকৰ উত্তৰাধিকাৰীসকলক ধন দিয়াৰ বাবে কি ব্যৱস্থা আছে? বিতং জনাব।

## উত্তৰ

মাননীয় শিক্ষা বিভাগ ৰমন্ত্ৰী ডা:ৰণোজ পেগু দেৱে উত্তৰ দিব :-

ক) অসম চৰকাৰে ষষ্ঠ আৰু সপ্তম অসম - বেতন আয়োগৰ (Assam Pay & Productivity Pay Commission) প্ৰতিবেদন অনুসৰি ধাৰ্য্য কৰা নিৰিখমতে প্ৰাদেশিকীকৃত মহাবিদ্যালয়সমূহৰ শিক্ষক আৰু অনাশিক্ষক কৰ্মচাৰী সকলকৰ বকেয়া ধন আদায় দিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উক্ত বকেয়া ৫০% ৰাজ্য চৰকাৰে অনুমোদন জনোৱাৰ বিপৰীতে ৫০% কেন্দ্ৰীয় চৰকাৰে বহন কৰে। ইতিমধ্যে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আদায় দিবলগীয়া ৫০% বকেয়া ধন সকলো শিক্ষক আৰু অনা শিক্ষকক আদায় দিয়া হৈছে।

০১-০১-২০১০৬ চনৰ পৰা ৩০-০৬-২০১৬ লৈকে আৰু ০১-০৪-২০১৬ চনৰ পৰা ৩০-০৯-২০১৮ চনলৈকে ৰাজ্য চৰকাৰে আদায় দিবলগীয়া ধনৰ পৰিমাণ আছিল ৪৭৬২৯.৬১৭১৩ লাখ। উক্ত বকেয়া শিক্ষক আৰু

অনাশিক্ষক সকলে লাভ কৰিবলৈ সক্ষম হৈছে। আদায় দিয়া বকেয়া ধনৰ চৰকাৰী নথি সমূহ পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হৈছে।

আনহাতে কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলগীয়া বাকী থকা ৫০% বকেয়া ধন মঞ্জুৰি নোপোৱাৰ বাবে আদায় দিবলৈ সক্ষম হোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ পৰা উক্ত ধনৰ মঞ্জুৰি লাভ কৰিলেই বিভাগীয় অনুমোদন প্ৰদান কৰা হ'ব। ইতিমধ্যে এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ চলাই থকা হৈছে। যোগাযোগৰ প্ৰতিলিপি সমূহ পৰিশিষ্ট 'খ' সংলগ্ন কৰা হৈছে।

খ) এই ক্ষেত্ৰত সময়সীমা নিৰ্ধাৰণ কৰা সম্ভৱপৰ নহয় যদিও অনাদায় বকেয়া ধনখিনি প্ৰাপ্তিৰ লগে লগে চৰকাৰী বিধিগত নীতি নিৰ্দেশনা অনুসৰি আদায় দিয়া হ'ব।

গ) কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় মঞ্জুৰি পালে চৰকাৰী বিধিগত নিয়ম নিৰ্দেশনা অনুসৰি দিয়াৰ ব্যৱস্থা কৰা হব।

ঘ) উচ্চ শিক্ষা সঞ্চালকালয়ত জনোৱা তথ্য অনুসৰি মুঠ ৫৮৫৩ জন কৰ্মচাৰীয়ে ৭২ কৌটি ২২ লাখ ৮৮ হাজাৰ ৩০৪ টকা বকেয়া ধন পাবলৈ আছে। জিলা, কলেজভিত্তিক আৰু পাবলগীয়া ধনৰ পৰিমাণৰ তালিকা পৰিশিষ্ট 'গ' ত সন্নিবিষ্ট কৰা হৈছে।

ঙ) ইতিমধ্যে স্বৰ্গগত হোৱা কৰ্মচাৰী সকলৰ তথ্য এই বিভাগত মজুত নাই যদিও ধনৰ মঞ্জুৰি লাভ কৰিলে বিধিগত নিয়ম অনুসৰি, স্বৰ্গগত কৰ্মচাৰী সকলৰ উত্তৰাধিকাৰীয়ে পাবলগীয়া বকেয়া ধন প্ৰয়োজনীয় পুঁজি সাপেক্ষে নিৰ্দিষ্ট নীতি-নিয়মৰ মাজেৰে দিয়াৰ বাবে বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হব।

- এই উত্তৰৰ লগতে পৰিশিষ্ট-নথি সংলগ্ন, অসম বিধানসভাৰ ৱেবচাইট 'www.cms.neva.gov.in' ত আপলড কৰা হৈছে।

..............................

ASSAM LEGISLATIVE ASSEMBLY
UNSTARRED QUESTION No. 105
Reply Date : 19/02/2026

**Subject: Regarding Science Degree College**

Name of MLA : Shri Ashraful Hussain

Will the Minister of Education Department be pleased to state:

**(a)** Whether the Government has any proposal to introduce Science stream in Mandia Anchalik College ? If so, the time-frame within which the said Science stream is proposed to be introduced and if not, the reasons.

**(b)** Whether the Government has any proposal to convert the model school into a CBSE School which has already been constructed under MSDP in the Shawpur area of Jania LAC; if so, from which academic session the classes are proposed to commence and if not, the reasons.

**(c)** Provide the block-wise details of Primary Schools in Assam that are being run by a single teacher, including name of the school and number of students enrolled in each such school.

**(d)** Whether the Government has any proposal to appoint teachers class-wise in Primary Schools ?

**(e)** Provide the list of (ME), High School and Higher Secondary Schools in Barpeta District having vacant teaching and non teaching posts, along with number if vacant posts in each school and the concrete steps and time-frame proposed by the Government to fill up these vacant posts ?

Answer

Hon'ble Minister of Education, Dr. Ranoj Pegu will reply:

**(a)** The matter related to introduction of Science stream in Mandia Anchalik College is presently under active examination and consideration of the Higher Education Department, Government of Assam.

**(b)** The Govt. in the Department of School Education has communicated to the Adarsha Vidyalaya Sangathan, Assam, vide letter No. E-284923/32, dated 30-11-20224 regarding utilization of the Model residential buildings constructed under the Pradhan Mantri Jan Vikas Karyakram (PMJVK) scheme for functioning of Adarsha Vidyalaya under CBSE curriculum in a

Non-Residential mode, and accordingly the Sangathan has communicated to the Govt. for operationalisation of three Model Residential School buildings in Jania (District: Barpeta), Golakganj ( District: Dhubri) and Dhing ( District: Nagaon).

Subsequently, the matter was discussed in the 1st Governing Body Meeting of Adarsha Vidyalaya Sangathan held on 01-06-2026, and it was decided to process the functioning of non-residential Adarsha Vidyalaya in the next Financial Year (i.e., 2026-27) with introduction of Skill Centre by Skill university/other institutions.

Further, the Department of School Education is also exploring and co-ordinating with other Departments on establishment of feasible institutes/branch that may be set-up there by considering the huge infrastructure at the campuses.

**(c)** The block-wise list of Single Teacher schools (LP) in Assam with enrolment as per UDISE + 2024-25 is attached herewith marked as Annexure-I.

**(d)** At present the appointment of number of teachers through provincialisation in Primary schools is governed by the Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Act, 2017 (Section 3(1)(x) for Lower Primary and 3(1)(xi) for Upper Primary of the Act) 2017, and the recruitment of number of primary school teachers is governed by existing vacancies in schools.

**(e)** The school-wise details of vacant posts Teaching and Non-Teaching of different High School and Higher Secondary Schools under Barpeta district is attached herewith marked as Annexure –II. Regarding filling up of the vacant posts (both teaching and non-teaching) assessment is going on and on completion of assessment, necessary steps for filling up of the same as per existing rules and procedures will be initiated in due course of time.

Moreover, the list of vacant posts (both teaching and non-teaching) in ME schools is attached herewith and marked as Annexure-III. There are 240 numbers of vacant posts of teaching staff and 22 numbers of non-teaching staff in Barpeta district in ME Schools. The advertisement for recruitment of 4500 number of vacant posts for LP and UP schools has already been published on 08-01-2025, and is under process.

(The answers along with all the relevant Annexure are uploaded in the National e-Vidhan Application (NeVA) Portal).

***************************

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ১০৬

উত্তৰ দানৰ তাৰিখ : ১৯-০২-২০২৬

বিষয়: সৰুপথাৰ সমষ্টিৰ টেঙানি দুইনৈ মুখত বনানিকৰণ আৰু কেম্পা নাৰ্চাৰীৰ বাবে বন বিভাগৰ পুঁজি আবণ্টন সন্দৰ্ভত।

শ্ৰীবিশ্বজিৎ ফুকন, বিধায়ক :

মাননীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সৰুপথাৰ সমষ্টিৰ টেঙানি দুইনৈ মুখত বনানিকৰণ আৰু কেম্পা নাৰ্চাৰীৰ বাবে বন বিভাগে কিবা পুঁজি আবণ্টন দিছে নেকি ?

(খ) যদি দিছে, কোন বৰ্ষত কিমান পুঁজি আবণ্টন দিছে, সবিশেষ তথ্য দিব।

উত্তৰ:

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মহোদয়ে উত্তৰ দিব :

(ক) সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত দুইনৈমুখ টেংগানীত ২৫ হেক্টৰ বনানিকৰণৰ বাবে ৰাজ্যিক কেম্পাই গোলাঘাট (টি) সংমণ্ডললৈ পুঁজি মুকলি কৰিছে।

(খ) ৰাজ্যিক কেম্পাই ওপৰত উল্লেখ কৰা বনানিকৰণৰ বাবে তলত দিয়া ধৰণে নিম্নোক্ত পুঁজি মুকলি কৰিছে-

| | |
|---|---|
| ২০২৩-২৪ | ৫২,৯১,১৯৬/- টকা |
| ২০২৪-২৫ | ১৫,৯১,৪৪০/- টকা |

****

অসম বিধানসভা
তৰাবিহীন প্ৰশ্ন নং - ১০৭
উত্তৰ দিয়াৰ তাৰিখ- ১৯-০২-২০২৬

**বিষয়: ৰাজ্যিকভাৱে অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান**
**বিধায়ক: শ্ৰীপ্ৰদীপ সৰকাৰ :**

**মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

ক) অসম চৰকাৰৰ পৃষ্ঠপোষকতাত ৰাজ্যিকভাৱে অনুষ্ঠিত কৰা সাংস্কৃতিক অনুষ্ঠান বিশেষে আথৰা, মঞ্চ নিৰ্মাণ, শব্দ আৰু পোহৰ ব্যৱস্থা, পৰিধান, থকা-খোৱা, যাতায়াত আৰু সুৰক্ষা ব্যৱস্থাত কৰা ব্যয়ৰ থতিয়ান দাঙি ধৰিব।
খ) বৰ্ষ অনুযায়ী যোৱা দহ বছৰত জিলানুযায়ী সাংস্কৃতিক শিল্পীসকলক আগবঢ়োৱা আৰ্থিক সাহাৰ্য্যৰ (শিল্পী পেঞ্চনৰ বাদে) বিতং তথ্য দিব।
গ) অসমত চিনেমাহল নিৰ্মাণ আৰু মেৰামতিৰ বাবে যোৱা দহ বছৰত গ্ৰহণ কৰা পদক্ষেপৰ বিৱৰণ, বৰ্ষ অনুযায়ী বিত্তীয় অনুমোদন আৰু ব্যৱহৃত ধনৰ থতিয়ান দাঙি ধৰিব।

**-উত্তৰ-**

**মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী বিমল বড়া মহোদয়ে উত্তৰ দিব-**

ক) অসম চৰকাৰৰ পৃষ্ঠপোষকতাত ৰাজ্যিকভাৱে অনুষ্ঠিত কৰা সাংস্কৃতিক অনুষ্ঠান বিশেষে আথৰা, মঞ্চ নিৰ্মাণ, শব্দ আৰু পোহৰ ব্যৱস্থা, পৰিধান, থকা-খোৱা, যাতায়াত আৰু সুৰক্ষাব্যৱস্থাত কৰা ব্যয়ৰ থতিয়ান তলত দাঙি ধৰা হ'ল-

হিচাপৰ শিতান ০৬৯০ Fair Function ০৪ Organising Event/ Fairs & Function (সভা/ মেলা আৰু অনুষ্ঠান আদি অনুষ্ঠিত কৰা)

| বৰ্ষ | বাজেটৰ ধনৰ পৰিমাণ | ব্যয় হোৱা ধনৰ পৰিমাণ |
|---|---|---|
| ২০২২-২৩ | ৩১৪৭.৮০ লাখ টকা | ১৯৮৭.০৫৭০ লাখ টকা |
| ২০২৩-২৪ | ৭২০.০০ লাখ টকা | ৬৮৬.৬৯০৭০ লাখ টকা |
| ২০২৪-২৫ | ২৫০০.০০ লাখ টকা | ১৬১২.৭৪৩৫৭ লাখ টকা |

উল্লেখযোগ্য যে মেগা বিহুৰ বাবদ ২০২৩-২৪ বৰ্ষত মুঠ আৱন্টিত বাজেট আছিল ৭৪০৬.৭৭৫৮০ লাখ, ইয়াৰে ব্যয় হয় ৭২০৩.৭৯৯০৭ লাখ টকা।

যোৱা ২০২৪-২০২৫ বৰ্ষত ঝুমইৰ বিনন্দিনী অনুষ্ঠিত কৰা বাবদ মুঠ ২৬ কোটি টকা আবণ্টন পোৱা হৈছিল আৰু খৰচ হোৱা পৰিমাণ - ২৪,৯৯,৭৫,২৭৭ টকা। ২০২৫-২০২৬ বৰ্ষত ঝুমইৰ বিনন্দিনী শিল্পীসকলক মানপত্ৰ প্ৰদান, পাৰিশ্ৰমিক প্ৰদান, আদি অনুষ্ঠানৰ বাবদ ২১,০৯,৫০,০০০/- টকা আবণ্টন পোৱা হৈছিল আৰু খৰচ হোৱা পৰিমাণ - ২১,০৭,৪৪,৯৮৩/- টকা।

খ) বৰ্ষ অনুযায়ী যোৱা দহ বছৰত জিলানুযায়ী সাংস্কৃতিক শিল্পীসকলক আগবঢ়োৱা আৰ্থিক সাহাৰ্য্যৰ (শিল্পী পেঞ্চনৰ বাদে) বিতং তথ্য তলত দিয়া হ'ল -

| বৰ্ষ | শিল্পী সকলৰ এককালীন সাহাৰ্য্য | শিল্পীৰসংখ্যা | ব্যয় হোৱা টকাৰ পৰিমাণ |
|---|---|---|---|
| ২০১৫-১৬ | বাৰ্ষিক শিল্পী সন্মান | | |
| ২০১৬-১৭ | বাৰ্ষিক শিল্পী সন্মান | ৫০ জন @৫০,০০০ টকাকৈ | ২৫.০০ লাখ |
| ২০১৭-১৮ | বাৰ্ষিক শিল্পী সন্মান | ৬৫ জন @৫০,০০০ টকাকৈ | ৩২.৫০ লাখ |

| | | | |
|---|---|---|---|
| ২০১৮-১৯ | বাৰ্ষিক শিল্পী সন্মান | ৭০ জন @৫০,০০০ টকাকৈ | ৩৫.০০ লাখ |
| ২০১৯-২০ | বাৰ্ষিক শিল্পী সন্মান | ৪৪ জন @৫০,০০০ টকাকৈ | ২২.০০ লাখ |
| ২০২০-২১ | বাৰ্ষিক শিল্পী সন্মান | ৭৫ জন @৫০,০০০ টকাকৈ | ৩৭.৫০ লাখ |
| | ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰত বিশেষ বৰঙনি আগবঢ়োৱা শিল্পী সকলক বিশেষ সম্বৰ্ধনা | ১১৮৬ জন @৫০,০০০ টকাকৈ | ৯৫৩.০০ লাখ |
| | ভ্ৰাম্যমানৰ শিল্পী আৰু কলা-কুশলী সকললৈ এক কালীন সাহাৰ্য্য | ৯৭৮জন @৫০,০০০ টকাকৈ | ৪৮৭.০০ লাখ |
| | ক'ভিড কালত লোকশিল্পীসকলক এককালীন সাহাৰ্য্য | ১৬৫৪৭ জন @৫০,০০০ টকাকৈ | ৯৯২.৮২ লাখটকা |
| ২০২১-২২ | বাৰ্ষিক শিল্পী সন্মান | ১৫০ জন @৫০,০০০ টকাকৈ | ৭৫.০০ লাখ |
| ২০২২-২৩ | বাৰ্ষিক শিল্পী সন্মান | ১৩৬ জন @৫০,০০০ টকাকৈ | ৬৮.৯০ লাখ |
| | পুৰোহিত আৰু নামঘৰীয়া সকলক এককালীনসাহাৰ্য্য | ৮৫৬২ জন @ ১০,০০০ টকাকৈ | ৮৫৬.২০ লাখ |
| ২০২৩-২৪ | বাৰ্ষিক শিল্পী সন্মান | ১৫৯ জন @৫০,০০০ টকা | ৭৯.০০ লাখ |
| ২০২৪-২৫ | বাৰ্ষিক শিল্পী সন্মান | ১৮৪ জন @৫০,০০০ টকা | ৯২.০০ লাখ |

গ) অসম চৰকাৰে ২০১৭-১৮ চনত বাজেটত ৫০০.০০ লাখ টকা নতুন চিনেমাহল নিৰ্মাণৰ বাবে, বন্ধ হৈ যোৱা চিনেমাহল পুনৰ মুকলিৰ বাবে আৰু পুৰণি চিনেমাহল মেৰামতিৰ বাবে অনুমোদন জনায়।

উক্ত ৫০০ লাখ টকাৰে অসম ৰাজ্যিক চলচিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগমে ৫ টা নতুন চিনেমা হল নিৰ্মাণৰ বাবে, ১ টা বন্ধ হৈ যোৱা চিনেমাহল পুনৰ মুকলিৰ বাবে আৰু ৮ টা চিনেমাহলক মেৰামতিৰ বাবে তলত উল্লেখ কৰা ধৰণে নিৰ্মাণ বা মেৰামতিৰ কামৰ ওপৰত নিৰ্ভৰ কৰি কিস্তি হিচাপে সাহাৰ্য্য প্ৰদান কৰে।

**১) নতুন চিনেমাহল নিৰ্মাণৰ বাবেঃ**

| হিতাধিকাৰীৰ নাম | ধন অদায় দিয়াৰ তাৰিখ | ধনৰ পৰিমান |
|---|---|---|
| ১) জোনাকি চিনেমা, তেজপুৰ | ২৮-০৪-২০২০ | ২৫,০০,০০০/- টকা |
| ২) ছায়া চিনেমা হল, টংলা, অসম | ২৮-০৪-২০২০<br>০৫-০৫-২০২২<br>২০-০৭-২০২৩ | ১৭,০৯,৪৫০/- টকা<br>১৭,০৯,৪৫০/- টকা<br>৮,৫৪,৭২৫/- টকা |
| ৩) কেলভিন চিনেমা হল, গুৱাহাটী | ২৮-০৪-২০২০ | ৩০,০০,০০০/- টকা |
| ৪) অপেৰা চিনেমা হল, বৰঘাট চাৰিআলি, মৰিকলং, নগাওঁ, অসম | ২৮-০৪-২০২০<br>২৮-০৩-২০২২<br>০৮-০৭-২০২৩ | ২০,২১,৬৩৮/- টকা<br>২০,২১,৬৩৮/- টকা<br>১০,১০,৮১৯/- টকা |
| ৫) জলিমেক্স চিনেমা হল, বঙাইগাওঁ, অসম | ২৮-০৪-২০২০<br>০৯-১২-২০২২<br>০২-০৪-২০২৩ | ২১,১৩,৩১৭/- টকা<br>২১,১৩,৩১৭/- টকা<br>১০,৫৬,৬৫৯/- টকা |

**২) বন্ধ হৈ যোৱা চিনেমা হল পুনৰ মুকলিৰ বাবেঃ**

| হিতাধিকাৰীৰ নাম | ধন অদায় দিয়াৰ তাৰিখ | ধনৰ পৰিমান |
|---|---|---|
| ১) নাজিৰা বোলছবি কো. অপাৰেটিভ লিমিটেড, নাজিৰা, অসম | ২৮-০৪-২০২০<br>০৬-০৫-২০২২<br>০২-০৮-২০২৩ | ২০,০০,০০০/- টকা<br>২০,০০,০০০/- টকা<br>১০,০০,০০০/- টকা |

৩) পুৰণি চিনেমা হল মেৰামতিৰ বাবেঃ

| হিতাধিকাৰীৰ নাম | ধন অদায় দিয়াৰ তাৰিখ | ধনৰ পৰিমান |
|---|---|---|
| ১) ইন্দ্ৰপুৰী চিনেমা, বৰপেটা, অসম | ২৮-০৪-২০২০<br>২৩-০৮-২০২২<br>০৮-০৭-২০২৩ | ১০,০০,০০০/- টকা<br>১০,০০,০০০/- টকা<br>৫,০০,০০০/- টকা |
| ২) অনুৰাধা চিনে কম্প্লেক্স, গুৱাহাটী, অসম | ২৮-০৪-২০২০<br>০৩-০৯-২০২১<br>১২-০৩-২০২৪ | ১০,০০,০০০/- টকা<br>১২,০০,০০০/- টকা<br>৩,০০,০০০/- টকা |
| ৩) মায়াপুৰী চিনেমা, বঙাইগাওঁ, অসম | ২৮-০৮-২০২০ | ১০,০০,০০০/- টকা |
| ৪) নক্ষত্ৰ চিনেমা, লক্ষীমপুৰ, অসম | ২৮-০৮-২০২০<br>০৬-০৫-২০২২<br>২৬-১০-২০২৩ | ৯,৯৫,২০০/- টকা<br>৯,৯৫,২০০/- টকা<br>৪,৯৭,৬০০/- টকা |
| ৫) গান্ধীভৱন, টিহু, নলবাৰী, অসম | ২৬-১০-২০২৩<br>২০-০৫-২০২৪ | ১৫,০০,০০০/- টকা<br>১০,০০,০০০/- টকা |
| ৬) আৰ আৰ চিনেমাজ, ভি.আই.পি, বিমান বন্দৰৰ সমীপত, গুৱাহাটী, অসম | ২৬-১০-২০২৩<br>২০-০৫-২০২৪ | ১৫,০০,০০০/- টকা<br>১০,০০,০০০/- টকা |
| ৭) পাভৈ টকীজ, বিশ্বনাথ চাৰিআলি, অসম | ২৬-১০-২০২৩<br>২৯-১১-২০২৪ | ৪,৮০,০০০/- টকা<br>৩,২০,০০০/- টকা |
| ৮) দলিল চিনেমা, বৰপেটাৰোড, অসম | ২৭-১০-২০২৩<br>৩০-০৯-২০২৪ | ৫,১০,০০০/- টকা<br>৩,৪০,০০০/- টকা |

ওপৰোক্ত চিনেমা হল কেইটাৰ উপৰিও অসম চৰকাৰে ২০২৫-২০২৬ বাজেটত নতুন চিনেমা হল নিৰ্মাণৰ বাবে ৪৭৫.০০ লাখ টকা অনুমোদন জনাইছে। এই অনুমোদন ১০ টা চিনেমা হলক ৰাজ সাহাৰ্য্য হিচাপে প্ৰদান কৰিবলৈ বিভাগীয় প্ৰক্ৰিয়া আব্যাহত আছে।

************

**অসমবিধানসভা**

**তৰা বিহীন প্ৰশ্ননং-১০৮**

**উত্তৰদানৰতাৰিখ :১৯-০২-২০২৬**

**বিধায়কৰ নামঃ**– শ্ৰী সুজাম উদ্দিন লস্কর

**বিষয়ঃ–** Upgrade of ME School to High School

**প্রশ্নঃ**

মাননীয় School Education বিভাগীয় মন্ত্রী মহোদয় অনুগ্রহ কৰি জানাবেন কি:

ক) হাইলাকান্দি জেলার কাটলিছড়া শিক্ষাখণ্ডের অধীনে দুটি স্কুল যথাক্রমে Uttar Dinanathpur ME School, Darapur ME School এবং হাইলাকান্দি শিক্ষা খণ্ডের অধীনে Ujankupa M.E School (Dise Code: 18230120805) – কে বিভাগীয় তরফ থেকে হাইস্কুলে রূপান্তর করারজন্য Proposal পাঠানোর পর আজ অবদি High স্কুলে Upgrade না হওয়ার বিষয়ে সরকার অবগত আছে কি?

খ) যদি অবগত থাকে, তবে কবে নাগাদ হাইস্কুলে রূপান্তরিত হবে?

**উত্তৰঃ**

মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্রী ডা: ৰণোজ পেগু দেৱে উত্তৰ দিবঃ

(ক) হাইলাকান্দি জিলাৰ কাটলিছড়া শিক্ষাখণ্ডৰঅন্তৰ্গত Uttar Dinanathpur ME School আৰু Darapur ME School দুখনত অতিৰিক্ত শ্ৰেণীকোঠা আৰু পর্যাপ্ত স্নাতক ডিগ্ৰীধাৰী শিক্ষক নথকাৰ বাবে উচ্চমাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিব পৰা হোৱা নাই।

উল্লেখ্যযে বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ পৰা লাভ কৰা প্ৰস্তাৱ অনুসৰি হাইলাকান্দি শিক্ষাখণ্ডৰ অন্তৰ্গত Ujankupa M.E School খন উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

(খ) পৰৱৰ্তী সময়ত চৰকাৰী অধিসূচনানং E-555676 তাং 03-11-2025 মৰ্মে বিদ্যালয় কেইখন উন্নীতকৰণৰ বাবে যাৱতীয় নীতি নিয়মৰ অন্তৰ্ভুক্ত হ'লে সেই বিদ্যালয় কেইখন উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিব পৰা যাব।

**(উক্তপ্ৰশ্নোত্তৰ National e-Vidhan Application (NeVA) পৰ্টেলতউপলব্ধকৰাহৈছে)**

..................*......................

অসম বিধান সভা
লিখিত উত্তৰৰ বাবে প্ৰশ্ন নং ১০৯
উত্তৰ দিয়া তাৰিখ ১৯/২/২০২৬

**বিষয় : ভৈয়াম জনজাতিৰ আঁচনি ।**

**ড° অমিয় কুমাৰ ভূঞা : বিধায়ক**

মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) TSP (Article-75 ৰ অধীনত বৰ্তমান চৰকাৰে কি কি আঁচনি ৰূপায়ণ কৰিছে ? তেনেধৰণৰ আঁচনিৰ জৰিয়তে আন্তঃগাঁথনি উন্নয়নৰ বাবে চলিত বিত্তীয় বৰ্ষত কিমান পৰিমানৰ টকা আঁচনিৰ বিপৰীতে আবন্টন দিয়া হৈছে ? (তালিকা সদনত দাখিল কৰিব) ।

(খ) TSP (Article-75) ৰ অধীনত বিহপুৰীয়া সমষ্টিত কিমানটা আঁচনি আবন্টন দিয়া হৈছে, যদি হৈছে ক'ত ক'ত এই আঁচনি ৰূপায়ণ কৰিব বিচৰা হৈছে? যদি হোৱা নাই, কিহৰ ভিত্তিত মিছিং, দেউৰী, সোণোৱাল কছাৰী, ঠেঙ্গাল কছাৰী, কাৰ্বি ইত্যাদি জনজাতিৰ জনগোষ্ঠীৰে পৰিপূৰ্ণ বিহপুৰীয়া সমষ্টিত এই আঁচনি আবন্টন দিয়া নহ'ল ?

জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মাননীয় মন্ত্ৰী ডাঃ ৰনোজ পেগু মহোদয়ে উত্তৰ দিব :

**উত্তৰ**

ক) TSP (Article-75) নামেৰে কোনো আঁচনি জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ নাই যদিও ভাৰতীয় সংবিধানৰ Article-275 ৰ কিছু আঁচনি জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ দ্বাৰা ৰূপায়ন কৰা হয়। Article-275 ৰ অধীনত জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ দ্বাৰা ৰূপায়ন কৰা আঁচনি সমূহৰ তথ্য পৰিশিষ্ট-০১ ত গাঁঠি দিয়া হ'ল। সেই আঁচনিৰ জৰিয়তে আন্তঃগাঁঠনি উন্নয়নৰ বাবে চলিত ২০২৫-২৬ বৰ্ষত আঁচনিৰ বিপৰীতে আৱন্টন দিয়া টকাৰ পৰিমানৰ তথ্য পৰিশিষ্ট- ০২ ত গাঁঠি দিয়া হ'ল।

খ) জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগে সমষ্টি ভিত্তিত কোনো আঁচনি ৰূপায়ন নকৰে যদিও Article 275 ৰ অধীনত ৬টা আঁচনি বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত । এই আঁচনি সমূহ (স্থান সহ) হ'ল-

1. Construction of Additional Classroom at Badati Janajati High School.
2. Construction of Additional Classroom at Bhimbor Deori High School, Bahgora.
3. Construction of Hostel at Sankardeva Mahavidyalaya.
4. Construction of Additional Classroom at Dhunaguri Mising MES.
5. Construction of Additional Classroom at Bogalmora Janajati HS.
6. Construction of wellness centre with equipment at Madhadev University.

প্ৰশ্ন নুঠে ।

এই উত্তৰৰ প্ৰতিলিপি neva portal ত আপলোড কৰা হৈছে ।

## অসম বিধানসভা

তৰাবিহীন প্ৰশ্ন নং – ১১০

উত্তৰ দিয়া তাৰিখঃ ১৯/০২/২০২৬

**বিষয়ঃ** খালী পদ ও আন্তঃগাঁথনি **বিধায়কঃ** শ্ৰীছামছুল হুদা

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিৰসিং জৰুৱা বিধান সভা সমষ্টিত কিমান খন প্ৰাথমিক বিদ্যালয় আছে ? প্ৰতিখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান ?

(খ) প্ৰতিখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ সংখ্যা কিমান ? বিদ্যালয়ৰ নামৰ বিপৰীতে বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব ।

(গ) ২০২১-২২, ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫, ২০২৫-২৬ বিত্তীয় বৰ্ষত বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ প্ৰাথমিক বিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ কাৰণে কিমান কিমান টকাৰ অনুদান দিছিল ? কোন বিদ্যালয়ত কিমান টকাৰ কাম কৰা হ'ল ? বিত্তীয় বৰ্ষ অনুযায়ী বিদ্যালয়ৰ নামত খৰছ কৰা ধনৰ পৰিমান আৰু কামৰ বিৱৰণ সহ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব ।

(ঘ) সমষ্টিৰ প্ৰাথমিক বিদ্যালয়সমূহত খালী হৈ থকা পদৰ সংখ্যা কিমান আৰু কি কি পদ খালী হৈ আছে ? বিদ্যালয়ৰ নামৰ পৰিৱৰ্তে খালী হৈ থকা পদসমূহৰ তথ্য সদনৰ মজিয়াত দাখিল কৰিব ।

**উত্তৰঃ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুদেৱে উত্তৰ দিবঃ

(ক) বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ অন্তৰ্গত বিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তলত দিয়া হ'ল –

| | **বিদ্যালয়ৰ সংখ্যাঃ** | **ছাত্ৰ-ছাত্ৰীৰ সংখ্যাঃ** |
|---|---|---|
| নিম্ন প্ৰাথমিক বিদ্যালয় | ৪১৪ খন | ৩৮৩৬৭ গৰাকী |
| উচ্চ প্ৰাথমিক বিদ্যালয় | ১১৬ খন | ২০১৮৪ গৰাকী |
| মুঠ | ৫৩০ খন | ৫৮৫৫১ গৰাকী |

(তথ্যসমূহ Annexure-I হিচাপে সংলগ্ন কৰা হ'ল )

(খ) প্ৰতিখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ সংখ্যা Annexure-I হিচাপে সংলগ্ন কৰা হ'ল ।

(গ) ২০২১-২২, ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫, ২০২৫-২৬ বিত্তীয় বৰ্ষত বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ কাৰণে মুঠ ৪৪,২৪.৮৫ লাখ টকাৰ অনুদান প্ৰদান কৰা হয় । বিত্তীয় বৰ্ষ অনুযায়ী প্ৰতিখন বিদ্যালয়ৰ বিপৰীতে প্ৰদান কৰা ধনৰ পৰিমাণ আৰু কামৰ বিৱৰণ সহ বিতং তথ্য Annexure-II ত সংলগ্ন কৰা হৈছে ।

অনুদান সমূহ বিদ্যালয়ৰ সমূহ কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত কৰা হয় । সেইবাবে সকলো বিদ্যালয় ভিত্তিত কামৰ অগ্ৰগতি দিবলৈ কিছু সময়ৰ প্ৰয়োজন ।

বিত্তীয় বৰ্ষ অনুযায়ী সমষ্টিটোৰ প্ৰতিখন বিদ্যালয়ৰ বিপৰীতে খৰচ কৰা ধনৰ পৰিমাণ আৰু কামৰ বিশদ বিৱৰণ ক্ষেত্ৰ অনুসন্ধানৰ জৰিয়তে প্ৰদান কৰাৰ বাবে ০৮-০৩-২০২৬ তাৰিখ পৰ্যন্ত সময়ৰ অনুমতি বিছৰা হৈছে। (সমগ্ৰ শিক্ষাৰ ধুবুৰী জিলাৰ জিলা মিচন সমনন্বয়কলৈ প্ৰেৰণ কৰা উক্ত পত্ৰ Annexure-III ত সংলগ্ন কৰা হৈছে।) অনুৰূপ, এই প্ৰশ্নটোৰ উত্তৰ প্ৰদানৰ ক্ষেত্ৰতো একেই সময়ৰ অনুমতি বিছৰা হৈছে ।

(ঘ) বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ অন্তৰ্গত বিদ্যালয় সমূহত খালী পদৰ সংখ্যা তলত দিয়া হ'ল -

- নিম্ন প্ৰাথমিক বিদ্যালয় = ১২০ টা
- উচ্চ প্ৰাথমিক বিদ্যালয় = ২৭১ টা

মুঠ = ৩৯১ টা ।

বিদ্যালয়ৰ নামৰ পৰিৱৰ্তে খালী হৈ থকা পদসমূহৰ তথ্য Annexure-III হিচাপে সংলগ্ন কৰা হ'ল ।

( তৰাবিহীন প্ৰশ্ননং ১১০ ৰ উত্তৰ আৰু Annexure- I, II & III e-Vidhan পৰ্টেলত উপলব্ধ )

**ASSAM LEGISLATIVE ASSEMBLY**
**UNSTARRED QUESTION NO. 111**
**DATE OF REPLY: 19.02.2026**

**Sub** : **Human-elephant conflict in Dholai LAC**
**Shri NIHAR RANJAN DAS, MLA.**

Will the Hon'ble Minister of Environment, Forests and Climate Change Department be pleased to state:

(a) Please furnish the number of human-elephant conflict incidents reported in and around the Dholai Vidhansabha Constituency during the last three years;

(b) Please furnish the amount of compensation paid to affected families.

(c) Whether the preventive and mitigation measures taken to reduce such incidents in future?

**ANSWER:-**

Hon'ble Minister of Environment, Forest and Climate Change, etc. Sri Chandra Mohan Patowary will reply:

(a) There is no incident of human-elephant conflict reported in and around the Dholai Vidhansabha Constituency during the last three years.

(b) Does not arise.

(c) Does not arise.

**********

**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং - ১১২**
**উত্তৰ দিয়াৰ তাৰিখ –১৯/০২/২০২৬**
**বিষয়ঃ বিদ্যালয় প্ৰাদেশীকৰণ**
**শ্ৰী পোনাকণ বৰুৱাঃ**

**প্ৰশ্ন**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চৰকাৰে নিৰ্দিষ্টকৈ বান্ধি দিয়া চন, তাৰিখ মতে অসমত বৰ্তমান কিমানখন প্ৰাথমিক, হাইস্কুল আৰু মহাবিদ্যালয় প্ৰাদেশীকৰণ কৰিবলৈ বাকী আছে ? নাম-তালিকা, ঠিকনা বিতংকৈ জনাব ।

(খ) উক্ত বিদ্যালয়সমূহ চৰকাৰীকৰণ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ? জনাব।

(গ) উক্ত বিদ্যালয়সমূহ কেতিয়াৰ ভিতৰত চৰকাৰী কৰণ কৰা হ'ব ?

**উত্তৰ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিব :

ক) বিদ্যালয় শিক্ষা বিভাগৰ অধীনত মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ পৰা উপলব্ধ তথ্য অনুসৰি ০১.০১.২০০৬ তাৰিখত বা পূৰ্বে অসম চৰকাৰৰ পৰা লাভ কৰা নৱম শ্ৰেণীৰ বাবে অনুমতিপ্ৰাপ্ত মুঠ ৩৩৪ খন অপ্ৰাদেশিকৃত হাইস্কুল প্ৰাদেশিকীকৰণ আইন, ২০১৭ আৰু সংশোধনী আইন ২০১৮ ৰ প্ৰয়োজনীয় অৰ্হতা সম্পন্ন নকৰাৰ বাবে প্ৰাদেশিকীকৰণ কৰিব পৰা নহ'ল।

(জিলা ভিত্তিত বিদ্যালয়ৰ তালিকাৰ প্ৰতিলিপি পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হল।)

আনহাতে ২০১৭ চনৰ পদ প্ৰাদেশীকিকৰণ আইনৰ অধীনত বিভিন্ন জিলাৰ প্ৰাথমিক শিক্ষা বিষয়াৰ পৰা জিলা বাচনি সমিতিৰ অনুমোদন সাপেক্ষে পঠোৱা প্ৰস্তাৱ সমূহ ৰাজ্যিক পৰ্যায়ৰ বাচনি সমিতিয়ে চালিজাৰি চাই উক্ত আইনৰ আওতাত নপৰা, তলত উল্লেখ কৰা সংখ্যা অনুযায়ী বিদ্যালয় সমূহৰ পদ প্ৰাদেশীকৰণ কৰা হোৱা নাই:

নিম্ন প্ৰাথমিক বিদ্যালয় - ১১০৯
উচ্চ প্ৰাথমিক বিদ্যালয়- ২৩৪

(জিলা ভিত্তিক বিদ্যালয়ৰ সংখ্যাৰ তালিকা পৰিশিষ্ট 'খ' ত সংলগ্ন কৰা হ'ল)

উচ্চ শিক্ষা বিভাগে অসম চৰকাৰৰ "The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Act, 2017" আৰু "Amendment Act 2018" আইনৰ আওতাৰ ভিতৰত থকা সকলো অ-প্ৰাদেশীকৃত মহাবিদ্যালয় ইতিমধ্যে প্ৰাদেশীকৃত কৰিছে। এই আইনৰ ভিতৰত থকা কোনো অ-প্ৰাদেশীকৃত মহাবিদ্যালয় প্ৰাদেশীকৃত কৰিবলৈ বাকী থকা নাই।

খ) এই সন্দৰ্ভত শেহতীয়াকৈ অসম চৰকাৰে "The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) (Amendment) Act, 2025" সংশোধনী আইন প্ৰণয়ন কৰিছে। এই আইনৰ বিধানসমূহৰ ওপৰত ভিত্তি কৰি অসম চৰকাৰৰ শিক্ষা বিভাগে অধিসূচনা জাৰি কৰিব।

গ) এই ক্ষেত্ৰত সময়সীমা নিৰ্ধাৰণ কৰা সম্ভৱ নহয় যদিও অসম চৰকাৰৰ শিক্ষা বিভাগে "The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) (Amendment) Act, 2025" সংশোধনী আইন ওপৰত ভিত্তি কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব ।

*** এই উত্তৰৰ লগতে পৰিশিষ্ট 'নথি সংলগ্ন', অসম বিধানসভাৰ ৱেবচাইট 'www.cms.neva.gov.in' ত আপলʼড কৰা হৈছে।

*********************************************

অসম বিধানসভা
তৰাবিহীন প্ৰশ্ন নং-১১৩
উত্তৰ দানৰ তাৰিখ-১৯/০২/২০২৬
***

বিষয়ঃ **Act East Policy** সন্দৰ্ভত।
বিধায়ক- শ্ৰী দিগন্ত বৰ্মন

মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰচ্ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) Act East Policyৰ অধীনত অসমত বিগত পাঁচ বছৰত কিমানখন প্ৰকল্প অনুমোদন আৰু ৰূপায়ণ কৰা হৈছে? জিলা-ভিত্তিক বিৱৰণ দাঙি ধৰিব।

খ) এই নীতিৰ জৰিয়তে ম্যানমাৰ,বাংলাদেশ, ভুটান আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে বাণিজ্য, পৰিবহণ বৃদ্ধি কৰাৰ ক্ষেত্ৰত অসমে কি কি আঁচনি লাভ কৰিছে আৰু এই আঁচনিসমূহৰ বিপৰীতে কিমান পৰিমাণৰ ধন ব্যয় কৰা হৈছে? এই ধনৰ উৎসৰ বিষয়ে বিতং তথ্য দাঙি ধৰিব।

গ) Act East Policyৰ ফলত অসমত সৃষ্টি হোৱা নিয়োগৰ সুযোগ, বাণিজ্যিক বিনিয়োগ আৰু পৰ্যটন বৃদ্ধিৰ পৰিসংখ্যাগত বিৱৰণ দাঙি ধৰিব।

ঘ) Act East Policyৰ অধীনত উন্নীত কৰা আন্তঃৰাষ্ট্ৰীয় আৰু আন্তঃৰাজ্যিক পথ, ৰেল, জলপথ আৰু বিমান বন্দৰসমূহৰ বৰ্তমান স্থিতি কি?

ঙ) সীমান্ত বাণিজ্য কেন্দ্ৰ, ইন্টিগ্ৰেটেড চেক পষ্ট আৰু লজিষ্টিক হাবসমূহ স্থাপনত হোৱা বিলম্বৰ কাৰণসমূহ কি আৰু সেই বিলম্ব আঁতৰাবলৈ চৰকাৰে কি পদক্ষেপ লৈছে?

চ) Act East Policyৰ অধীনত অসমীয়া যুৱক-যুৱতীক দক্ষতা উন্নয়ন, ভাষা প্ৰশিক্ষণ আৰু উদ্যোগিক সুযোগ প্ৰদানৰ বাবে কোনো বিশেষ আঁচনি গ্ৰহণ কৰা হৈছে নে? যদি হৈছে, তেন্তে আঁচনিসমূহৰ বিৱৰণ, উপকাৰভোগীৰ সংখ্যা আৰু ব্যয়ৰ বিতং তথ্য দাঙি ধৰিব।

**উত্তৰঃ**

মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰ্ছ বিভাগৰ **মন্ত্ৰী শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰীদেৱে** উত্তৰ দিব–

(ক) Act East Policyৰ অধিনত অসমত বিগত ৫ বছৰে বহুখিনি প্ৰকল্প অনুমোদন আৰু ৰূপায়ণ কৰা হৈছে। ভাৰত চৰকাৰৰ Act East Policy অসমৰ লগতে বাকী North East State ৰ ক্ষেত্ৰটো প্ৰযোজ্য হ'য়। গতিকে Act East Policy অধীনৰ প্ৰকল্প সমূহ অসমৰ লগতে North East State ৰ অন্যান্য ৰাজ্য সমূহেও উপকৃত হৈছে।

(i) ভাৰত ম্যানমাৰ থাইলেণ্ড ত্ৰিপাক্ষিক ঘাইপথ

ভাৰত-ম্যানমাৰ-থাইলেণ্ড ত্ৰিপাক্ষিক ঘাইপথ (আই এম টি ঘাইপথ বুলিও জনা যায়) ভাৰতৰ এক্ট ইষ্ট পলিচিৰ অধীনত এটা মূল সংযোগ প্ৰকল্প। ইয়াৰ লক্ষ্য হৈছে ভাৰতৰ মণিপুৰৰ মৰেহক ম্যানমাৰ হৈ থাইলেণ্ডৰ মায়ে ছ' টলৈ সংযোগ কৰা ঘাইপথ নিৰ্মাণ কৰা। এই পথটোৱে ম্যানমাৰৰ মাজেৰে পাৰ হৈ স্থলপথেৰে বাণিজ্য, পৰ্যটন, আৰু আছিয়ান দেশসমূহৰ সৈতে অৰ্থনৈতিক সংহতিৰ সুবিধা প্ৰদান ।

(ii) কালাডান মাল্টিমডেল ট্ৰেনজিট পৰিবহণ প্ৰকল্প

কালাদান মাল্টি-মডাল ট্ৰেনজিট ট্ৰেন্সপ'ৰ্ট প্ৰজেক্ট (KMMTTP) হৈছে সম্পূৰ্ণৰূপে ভাৰতৰ দ্বাৰা পুঁজিৰে চলি থকা ভাৰত-ম্যানমাৰ সংযোগৰ কৌশলগত পদক্ষেপ। ইয়াৰ লক্ষ্য হৈছে ভাৰতৰ উত্তৰ-পুব অঞ্চলৰ বাবে বিকল্প

বাণিজ্য আৰু পৰিবহণ কৰিডৰ (চিলিগুৰি কৰিড' ৰ বাইপাছ কৰি), সাগৰৰ মাজেৰে কলকাতা বন্দৰ (ভাৰত)ক ছিট্টৱে বন্দৰ (ম্যানমাৰ)ৰ সৈতে সংযোগ কৰা, তাৰ পিছত কালাদান নদীৰ কাষেৰে অন্তৰ্দেশীয় জলপথেৰে পালেতৱালৈ, আৰু শেষত পথেৰে দক্ষিণ মিজোৰামৰ ভাৰত-ম্যানমাৰ সীমান্তৰ জোৰিনপুইলৈ সংযোগ কৰা। ইয়াৰ ফলত দূৰত্ব হ্ৰাস পায় আৰু ভাৰতৰ এক্ট ইষ্ট পলিচিৰ অধীনত বাণিজ্য, অৰ্থনৈতিক সংহতি, আৰু বংগ উপসাগৰত প্ৰৱেশৰ সুবিধা বৃদ্ধি পায়।

(iii) আগৰতলা আখৌৰা ৰেল লিংক

আগৰতলা-আখৌৰা ৰেল লিংক (আখৌৰা-আগৰতলা ক্ৰছ-বৰ্ডাৰ ৰেল লিংক বুলিও জনা যায়) হৈছে আগৰতলা (ত্ৰিপুৰা, ভাৰত)ক নিচিন্তাপুৰ (ভাৰত) আৰু গংগাসাগৰ (বাংলাদেশ) হৈ আখৌৰা (বাংলাদেশ)লৈ সংযোগ কৰা ভাৰত-বাংলাদেশৰ দ্বিপাক্ষিক প্ৰকল্প। মুঠ দৈৰ্ঘ্য প্ৰায় ১২-১৫ কিলোমিটাৰ (ভাৰতত ৫.৪৬ কিলোমিটাৰ আৰু বাংলাদেশত ৬.৭৮ কিলোমিটাৰ), ইয়াৰ মূলধন ভাৰতৰ অনুদান সাহাৰ্য্য (₹৩৯২ কোটি)। ইয়াৰ লক্ষ্য হৈছে বাণিজ্য বৃদ্ধি কৰা, যাত্ৰাৰ দূৰত্ব হ্ৰাস কৰা,যাত্ৰাৰ সময় যথেষ্ট কমাব পৰা, আৰু এক্ট ইষ্ট পলিচি আৰু বিমষ্টেক কাঠামোৰ অধীনত উত্তৰ-পূব ভাৰতৰ সংযোগ বৃদ্ধি

(iv) অসমৰ ৰাষ্ট্ৰীয় জলপথ-২ (NW-2; ব্ৰহ্মপুত্ৰ নদী) আৰু ৰাষ্ট্ৰীয় জলপথ-16 (NW-16)

অসমৰ ৰাষ্ট্ৰীয় জলপথ-২ (NW-2, ব্ৰহ্মপুত্ৰ নদী) আৰু ৰাষ্ট্ৰীয় জলপথ-16 (NW-16, বৰাক নদী)ত থকা ভাসমান টাৰ্মিনেলসমূহ ভাৰতৰ আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ (IWAI)ৰ অন্তৰ্দেশীয় জল পৰিবহণৰ আন্তঃগাঁথনি উন্নত কৰাৰ প্ৰচেষ্টাৰ অংশ। এই টাৰ্মিনেলসমূহ এই নদীসমূহৰ পানীৰ স্তৰৰ উল্লেখযোগ্য তাৰতম্য নিয়ন্ত্ৰণ কৰিবলৈ ডিজাইন কৰা হৈছে, যাৰ ফলত মালবাহী, যাত্ৰী আৰু ক্ৰুজ জাহাজৰ বাবে নমনীয় বাৰ্থিং প্ৰদান কৰা হয়। শেহতীয়া চলি থকা প্ৰকল্পসমূহৰ ভিতৰত আছে পাণ্ডুত জাহাজ মেৰামতিৰ সুবিধা (২০৮ কোটি, ২০২৬ চনৰ আশে-পাশে সম্পূৰ্ণ হোৱাৰ লক্ষ্য), এপ্ৰ' চ ৰোড, পৰ্যটকৰ জেটি (যেনে, উজান বজাৰ ঘাট), আৰু নেভিগেচনৰ সহায়ক (বগীবিল, চিলঘাট, বিশ্বনাথ ঘাট, পণ্ডু লাইটহাউচ)।

(v) সীমান্ত হাট অসম

সীমান্ত হাট (সীমান্ত বজাৰ বা হাট বুলিও জনা যায়) হৈছে ভাৰত-বাংলাদেশ সীমান্তত ২০১১ চনত দুয়োখন দেশৰ মাজত হোৱা বুজাবুজি চুক্তিৰ অধীনত আস্থা গঢ়ি তোলাৰ ব্যৱস্থা হিচাপে প্ৰতিষ্ঠা কৰা বিশেষ সাপ্তাহিক বজাৰ। স্থানীয় বাসিন্দাসকলৰ বাবে (সাধাৰণতে সীমান্তৰ পৰা ১০-১৫ কিলোমিটাৰ ভিতৰত) সামগ্ৰীৰ সীমিত, কৰমুক্ত ব্যৱসায়ৰ অনুমতি দিয়ে, প্ৰতিটো ফালৰ পৰা সমান সংখ্যক বিক্ৰেতা থাকে, জীৱিকাৰ প্ৰসাৰ ঘটায়, মানুহৰ মাজত সংস্পৰ্শলৈ অহা, আৰু সীমান্ত অঞ্চলত অনানুষ্ঠানিক চোৰাং ব্যৱসায় হ্ৰাস কৰে। ভাৰত-বাংলাদেশ সীমান্তৰ প্ৰায় ২৬২ কিলোমিটাৰ অংশ অসমে ভাগ কৰে (মূলতঃ ধুবুৰী, দক্ষিণ ছালমাৰা-মানকাচৰ, কৰিমগঞ্জ, আৰু কাছাৰ আদি জিলাত), কিন্তু অসমত বৰ্তমান কোনো সীমান্ত হাট কাৰ্যক্ষম নহয়। অসমত ২–৪ টা সীমান্ত হাটৰ পৰিকল্পনা আছে (পূৰ্বৰ দ্বিপাক্ষিক বৈঠকত চূড়ান্ত কৰা স্থান, যেনে, এক্ট ইষ্ট পলিচিৰ সমন্বয়ৰ অধীনত)।কোনো হাট কাৰ্যক্ষম নহয় বা ২০২৪ চনৰ পিছত সক্ৰিয়/পুনৰ খোলা হিচাপে ৰিপৰ্ট কৰা হোৱা নাই।

(vi) গুৱাহাটীত নতুন বিমানবন্দৰ টাৰ্মিনেল

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ (এলজিবিআই বিমানবন্দৰ)ত (গুৱাহাটী বিমানবন্দৰ বুলিও জনা যায়) নতুন সংহত টাৰ্মিনেল ২ (টি২) ভাৰতৰ ইউডান আৰু বিমানবন্দৰ আধুনিকীকৰণৰ পদক্ষেপৰ অধীনত এক বৃহৎ আন্তঃগাঁথনি উন্নীতকৰণ। ২০২৫ চনৰ ২০ ডিচেম্বৰত ইয়াৰ উদ্বোধন কৰিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। বছৰি ১ কোটি ৩১ লাখ (প্ৰায় ১৩ কোটি) পৰ্যন্ত যাত্ৰীক চম্ভালিব

পৰাকৈ ডিজাইন কৰা হৈছে, প্ৰতি ঘণ্টাত ৩৪টা বিমান পৰিবহণৰ গতিবিধি পৰিচালনা কৰাৰ ক্ষমতা–উত্তৰ-পূবৰ সৰ্বাধিক।এই টাৰ্মিনেল প্ৰায় ১.৪ লাখ বৰ্গমিটাৰ (১৪০,০০০+ বৰ্গমিটাৰ)ত বিস্তাৰিত, ই বৰ্তমানৰ পুৰণি টাৰ্মিনেলতকৈ প্ৰায় ৭ গুণ ডাঙৰ।

এই প্ৰকল্পসমুহ ৰাষ্ট্ৰীয়/ৰাজিয়ক  ভিত্তিত কাৰ্য্যকৰী কৰা হয়। গতিকে জিলা ভিত্তিত তথ্য প্ৰদান কৰাৰ প্ৰশ্ন নুঠে।

(খ)   ২০১৪ চনৰ পৰা ভাৰত চৰকাৰে একাধিক আঁচনি আৰু সংযোগৰ পদক্ষেপ ৰূপায়ণ কৰিছে, যাৰ দ্বাৰা ম্যানমাৰ, বাংলাদেশ, ভূটান আৰু দক্ষিণ-পূব এছিয়াৰ সৈতে বাণিজ্য, বাণিজ্য আৰু পৰিবহ্ণ প্ৰসাৰত অসম পোনপটীয়াকৈ উপকৃত হৈছে এক্ট ইষ্ট পলিচিৰ বহল কাঠামোৰ অধীনত। বিদেশ মন্ত্ৰালয় (MEA) অনুসৰি ২০১৪ চনত আৰম্ভ হোৱা এক্ট ইষ্ট পলিচিয়ে আছিয়ান আৰু চুবুৰীয়া দেশসমূহৰ সৈতে সংযোগ, বাণিজ্য, সাংস্কৃতিক আৰু কৌশলগত সম্পৰ্ক বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে।

ইয়াৰে অন্যতম উল্লেখযোগ্য প্ৰকল্প হৈছে কালাদান বহুমুখী ট্ৰেনজিট পৰিবহণ প্ৰকল্প, যিটো ভাৰত চৰকাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ জৰিয়তে বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ সমন্বয়ত ৰূপায়ণ কৰে। প্ৰেছ তথ্য ব্যুৰো (PIB) ৰ চৰকাৰী প্ৰেছ বিজ্ঞপ্তি অনুসৰি এই প্ৰকল্পই কলকাতা বন্দৰক ম্যানমাৰৰ ছিট্টৱে বন্দৰলৈ সাগৰীয় পথেৰে সংযোগ কৰে, তাৰ পিছত অন্তৰ্দেশীয় জলপথ আৰু পথৰ মাজেৰে মিজোৰামলৈ সংযোগ কৰে, যাৰ ফলত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বাবে বিকল্প সংযোগ পথৰ ব্যৱস্থা কৰা হয়। ইয়াৰ ফলত সংকীৰ্ণ চিলিগুৰি কৰিডৰৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পায় আৰু ম্যানমাৰ আৰু দক্ষিণ-পূব এছিয়াৰ সৈতে বাণিজ্যৰ প্ৰসাৰ ঘটে।

আন এটা ফ্লেগশ্বিপ পদক্ষেপ হৈছে ভাৰত–ম্যানমাৰ–থাইলেণ্ড ত্ৰিপাক্ষিক ঘাইপথ, যিটো ভাৰত চৰকাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত ৰূপায়ণ কৰি আছে। এম ই এয়ে উল্লেখ কৰা মতে এই ঘাইপথটোৱে মণিপুৰৰ মৰেক ম্যানমাৰ হৈ থাইলেণ্ডৰ মাজেৰে  ছ'  টলৈ সংযোগ কৰি সামগ্ৰী আৰু যাত্ৰীবাহী বাহনৰ চলাচলৰ সুবিধা কৰি দিব আৰু অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলক আছিয়ান বজাৰৰ সৈতে একত্ৰিত কৰিব।

বাংলাদেশৰ সৈতে সংযোগৰ বাবে ভাৰত চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন মন্ত্ৰালয় (DoNER) আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত অগৰতলা–আখৌৰা ৰেল সংযোগ প্ৰকল্প ৰূপায়ণ কৰিছে। পিআইবিৰ বিবৃতিসমূহে নিশ্চিত কৰিছে যে এই প্ৰকল্পই ভাৰত আৰু বাংলাদেশৰ মাজত ৰে'  ল সংযোগ বৃদ্ধি কৰে, যাৰ ফলত অসমৰ মাজেৰে যোৱা বাণিজ্যিক পথসমূহ লাভৱান হয়। ইয়াৰ উপৰিও ভাৰত আৰু বাংলাদেশৰ মাজত অভ্যন্তৰীণ জল পৰিবহণ আৰু বাণিজ্যৰ প্ৰট'  কল (PIWTT)*ৰ অধীনত বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় জলপথ-২ (ব্ৰহ্মপুত্ৰ) আৰু ৰাষ্ট্ৰীয় জলপথ-১৬ (বৰাক) শক্তিশালী কৰি অসমৰ পৰা বাংলাদেশ বন্দৰলৈ মালবাহী যাতায়তৰ উন্নতি সাধন কৰিছে।

ভাৰত চৰকাৰে সীমান্ত পইণ্টত নিয়ন্ত্ৰিত বাণিজ্য আৰু অনুপ্ৰৱেশৰ সুবিধাৰ বাবে ভাৰতীয় ভূমি বন্দৰ কৰ্তৃপক্ষ (গৃহ মন্ত্ৰালয়)ৰ অধীনত সংহত চেক পোষ্ট (আইচিপি) স্থাপন কৰিছে। এই আইচিপিসমূহে শুল্ক, অনুপ্ৰৱেশ আৰু মাল পৰিচালনাক সুশৃংখলিত কৰে, যাৰ ফলত আনুষ্ঠানিক সীমা অতিক্ৰম কৰি বাণিজ্যক প্ৰসাৰিত কৰা হয়।

তদুপৰি ভাৰতমালা পৰিযোজনা (পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়)ৰ অধীনত উত্তৰ-পূবত বাংলাদেশ, ভূটান আৰু ম্যানমাৰৰ সৈতে সীমান্ত সংযোগ উন্নত কৰাৰ বাবে বিস্তৃত পথ আন্তঃগাঁথনি গঢ়ি তোলা হৈছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে *আছিয়ান-ভাৰত মুক্ত বাণিজ্য এলেকা (AIFTA) আৰু SAFTA ত ভাৰতৰ অংশগ্ৰহণৰ জৰিয়তে অগ্ৰাধিকাৰ শুল্ক প্ৰৱেশৰ ব্যৱস্থা কৰে, যাৰ ফলত অসমৰ পৰা ৰপ্তানিকাৰকসকলে বাংলাদেশ আৰু দক্ষিণ-পূব এছিয়াৰ বজাৰত কম শুল্কত প্ৰৱেশ কৰিব পাৰে।

এইদৰে বহুমুখী পৰিবহণ প্ৰকল্প, ৰে'  ল আৰু পথ সংযোগ আঁচনি, অভ্যন্তৰীণ জলপথ উন্নয়ন, বাণিজ্য চুক্তি আৰু সীমান্ত আন্তঃগাঁথনি আধুনিকীকৰণৰ জৰিয়তে ভাৰত চৰকাৰে চুবুৰীয়া দেশ আৰু দক্ষিণ-পূব এছিয়াৰ সৈতে অসমৰ বাণিজ্য আৰু বাণিজ্যিক সংযোগক প্ৰসাৰিত কৰা এক সংহত কাঠামোৰ সৃষ্টি কৰিছে।

(গ) অসম চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত বৰ্তমানলৈকে তলত উল্লেখিত ধৰণৰ বিনিয়োগ হৈছে/হ'বলৈ গৈ আছে :

| আঁচনিৰ | বিনিয়োগৰ পৰিমান (কোটি টকা) | মন্তব্য |
|---|---|---|
| North East Industrial Development Scheme(NEIDC' 2017) | ৬১৬৪.৩৫ | বাস্তৱায়িত |
| Industrial and Investment Policy of Assam'2019 | ৩৭৭৫.৫৩ | ঐ |
| Uttar Poorva Transformative Industrialization Scheme(UNNATI-2024) | ৬০৭৬.৬৪ | প্ৰক্ৰিয়াধীন |
| Industrial and Investment Policy of Assam(amendement)2023 | ৩৭৯৭৪.৩০ | ঐ |
| Assam Logistics andn Warehousing Policy 2022 | ৬০৫.২৯ | ঐ |
| Advantage Assam 2.0 (District Level MoU signed) | ৭১২২.২৬ | ঐ |

অসমত পৰ্যটন বৃদ্ধিৰ পৰিসংখ্যাগত বিৱৰণ **পৰিশিষ্ট 'ক'** ত সংলগ্ন কৰা হ'ল।

(ঘ) আন্তঃৰাষ্ট্ৰীয় আৰু আন্তঃৰাজ্যিক পথৰ বৰ্তমান স্থিতি সম্পৰ্কে এই বিভাগৰ হাতত কোনো তথ্য নাই আৰু এই বিভাগটো এই বিষয় সম্পৰ্কে পোনপটীয়া ভাৱে জড়িত নহয়। অৱশ্য, ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু মুখ্য অভিযন্তা, পি ডব্লিউ ডি ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা পোৱা তথ্য **পৰিশিষ্ট 'খ'** আৰু **পৰিশিষ্ট 'গ'** ত সংলগ্ন কৰা হ'ল।

আন্তঃৰাষ্ট্ৰীয় আৰু আন্তঃৰাজ্যিক ৰেল পথৰ বৰ্তমান স্থিতি সম্পৰ্কে উত্তৰ-পূব সীমান্ত ৰেলৱে (নিৰ্মাণ) ৰ পৰা পোৱা তথ্য **পৰিশিষ্ট 'ঘ'** ত সংলগ্ন কৰা হ'ল।

অসম চৰকাৰৰ পৰিবহন বিভাগৰ পৰা বিমান বন্দৰসমূহৰ বৰ্তমান স্থিতি **পৰিশিষ্ট 'ঙ'** ত সংলগ্ন কৰা হ'ল।

(ঙ) সীমান্ত বাণিজ্য কেন্দ্ৰ (Border Trade Centre) সমূহ কেন্দ্ৰীয় বানিজ্য আৰু উদ্যাগ মন্ত্ৰণালয়ৰ বানিজ্য বিভাগৰ অন্তৰ্গত ( Trade Infrastructure for Export Scheme)TIES আঁচনিৰ জৰিয়তে তৈয়াৰ কৰা হয়। অসম চৰকাৰৰ Assam Industrial Development Corporation Assam ( AIDC ) আৰু Industrial Infrastructure Development Corporation ( AIIDC ) জৰিয়তে কেন্দ্ৰীয় বানিজ্য আৰু উদ্যাগ মন্ত্ৰণালয়ৰ বানিজ্য বিভাগৰ TIES আঁচনিৰ ধন ক্ৰয় কৰি শ্ৰীভূমি জিলাৰ Sutarkandi, ধুবুৰী জিলাৰ গোলকগঞ্জ, দক্ষিণ শালমাৰা জিলাৰ মানকাচাৰ আৰু তামুলপুৰ জিলাৰ দৰংগামেলাত সীমান্ত বানিজ্য কেন্দ্ৰ ( Border Trade Centre ) তৈয়াৰ কৰি Landport Authority of India ক Integrated Check Post হস্তান্তৰ কৰা হৈছে। সীমান্ত বানিজ্য কেন্দ্ৰ বিলম্ব হোৱাৰ বিষয়ে এই বিভাগ জ্ঞাত নহয়।

Landport Authority of India ( LPI ) য়ে শ্ৰীভূমি জিলাৰ সুতাৰকান্দিত এটা Intregrated Checkpost তৈয়াৰ কৰিছে। একেইধৰণে তেওঁলোকে LPI য়ে ভূটানৰ লগত দৰংগাত Intregated Check Post ( ICP ) তৈয়াৰ কৰি আছে।

কিন্তু বাংলাদেশৰ লগত সাম্প্ৰতীক পৰিস্থিতিৰ সম্পৰ্কত গোলকগঞ্জ আৰু মানকাচাৰত Intregrated Check Post স্থাপন কৰা হোৱা নাই।

চ) অসম চৰকাৰৰ Skill Employment & Entrepreneurship বিভাগৰ অধীনত অসম দক্ষতা বিকাশ অভিযানে (ASDM) CM-FLIGHT (Chief Minister's Foreign Language Initiative for Global Human Talent) আঁচনিৰ জৰিয়তে যুৱক-যুৱতী সকলক জাপানত কৰ্মসংস্থাপনৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। এই আঁচনিৰ অধীনত জাপানী ভাষা প্ৰশিক্ষন প্ৰদান কৰা হয়, যাৰ লক্ষ্য ৫ বছৰীয়া কৰ্ম ভিছা আৰু মাহিলী উচ্চ হাৰৰ দৰমহা নিশ্চিত কৰা।

CM-FLIGHT আঁচনিৰ মূল লক্ষ্য: হ'ল অসমৰ যুৱক-যুৱতীক দক্ষ কৰি বিদেশত ( বৰ্তমান জাপান ) কৰ্মসংস্থাপনৰ সুযোগ দিয়া। প্ৰশিক্ষণ: প্ৰাথমিক পৰ্যায়ত ১৮০ জন প্ৰাৰ্থীক জাপানী ভাষাত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। বৰ্তমান ১৫৬ জন প্ৰাৰ্থী প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। এই আঁচনিৰ জৰিয়তে অসমৰ যুৱক-যুৱতীসকলে সুৰক্ষিত আৰু নৈতিকভাৱে বৈদেশিক কৰ্মসংস্থাপন লাভ কৰিব পাৰিব।

পরিশিষ্ট 'খ'

**সংলগ্ন- "ক"**

# Tourist Statistical Data Last 10(Ten ) Years

| Sl No | Year | Domestic Tourist | Foreign Tourist | Total |
|---|---|---|---|---|
| 1 | 2015-2016 | 5642950 | 26320 | 5669270 |
| 2 | 2016-2017 | 5413156 | 28419 | 5441575 |
| 3 | 2017-2018 | 5934791 | 31739 | 5966530 |
| 4 | 2018-2019 | 6027002 | 41209 | 6068211 |
| 5 | 2019-2020 | 5146307 | 18594 | 5164901 |
| 6 | 2020-2021 | 1351690 | 347 | 1352037 |
| 7 | 2021-2022 | 1701701 | 1231 | 1702932 |
| 8 | 2022-2023 | 9812195 | 18946 | 9831141 |
| 9 | 2023-2024 | 7041206 | 26129 | 7067335 |
| 10 | 2024-2025 | 8488842 | 27563 | 8516405 |
| 11 | 2025-26 ( Up to Nov, 2025) | 5393978 | 15366 | 5409344 |

| National Highways connectivity in Assam under Act East Policy | Status |
|---|---|
| NH-129 | The road length of NH-129 is 106.78 km which starts from Numaligarh (chainage 0.00 km) and ends at Dimapur (chainage 106.780) is under the jurisdiction of Assam PWD (NH Works) Department The existing carriageway configuration is 2-lane with paved shoulders. Project Management Consultancy (PMC) services for upgradation of the highway to 4-lane with paved shoulders shall be tendered by the Ministry of Road Transport and Highways (MoRT&H). The road is presently in good condition. |
| NH-127C | The road length of NH-127C is 40.190 km which starts from Samtahibari (chainage 0.00) and ends at Gelephu (chainage 40.190) is under Assam PWD(NH Works) Department. The existing carriageway is 5.5 meter. Final DPR from Chainage 0.00 to chainage 39.740 km is submitted to RO, MORT&H vide letter No.NHR.55/2014/pt/11/31 dated 31.12.2025 |
| NH-127D | The road length of NH-127D is 48.60 km which starts from Rangia (Chainage 0.00 km) and ends at Darranga (Chainage 48.60 km) is under the jurisdiction of Assam PWD (NH Works) Department. The existing carriageway configuration is 2-lane with paved shoulders, and the road is presently in good condition. Project Management Consultancy (PMC) services for upgradation of the highway to 4-lane with paved shoulders shall be tendered by the Ministry of Road Transport and Highways (MoRT&H). Presntly Performance Based Maintenance Contract (PBMC) estimate to NH-127D (from km 19.000 to km 48.600) (Length=30.60 km) and 127A (from km 29.200 to km 38.000) (Length= 8.80 km) under Rangia NH Division in the State of Assam. (Total Length 39.400) (Job No. PBMC/127A/AS/2025-26/286 is under tendering process, the stretch from 0 km to 18.00 km is presently under DLP period upto 21/05/2029. |
| NH-315 | The road length of NH-315 is 27.05 km which starts from Ledo Colliery (chainage 50.714 km) and ends at Joirampur (chainage 77.764 km) is under the jurisdiction of Assam PWD (NH Works). The existing carriageway configuration is 2-lane with paved shoulders, and the road is presently in good condition. The stretch from km 54.100 to km 77.800, L = 23.700 km is under DLP period upto 31.05.2026 |
| NH-51 | The road length of NH-51 is 21.853 km which starts from Paikan (chainage 0.00 km) and ends at Bajengdoba (chainage 21.853 km) is falls under the jurisdiction of Assam PWD(NH Works). The existing carriageway configuration is 2-lane with paved shoulders, and the road is presently in good condition. |
| NH-17 | The road length of NH-17 is 83.695 which is stretch of "Guwahati-Pancharatna-Jogighopa - Rakhaldubi National Highways" falls under Assam PWD(NH Works). The stretch starts from Baxirhat and ends at Jamduar .The existing carriageway configuration is 2-lane with paved shoulders, and the road is presently in good condition. STMC to NH-17(New)/NH-31(old) for the year 2025-26 from (i) Km 829/00 in km 844/000 (length-15.00 Km) (ii) Km 858/000 to Km 879/000 (length=21.00 Km) and (iii) Km 888/000 to Km 901/000 (length = 13.00 Km) (Total length of the project = 49.000 KM) under Abhyapuri Construction Division, Abhayapuri in the state of Assam (Job No. RW/GHT/NH-17/AS/STMC/2025-26/01) is under tendering process |

পৰিশিষ্ট 'গ'

## ANNEXURE-I

| Sl. No | Name of Project | Cost of award (in Cr.) | Date of commencement | Schedule date of completion | Physical progress as on date (in %) | Remarks |
|---|---|---|---|---|---|---|
| 1 | Construction of 6 lane flyovers at Boragaon, Gorchuk, Lokhra & Basistha Junction along with six laning of approaches from section Km 146+172 to km 163+400 on Guwahati Bypass (NH-37) in the state of Assam under Bharatmala Pariyojna on EPC Basis. | 299.99 | 03.03.2022 | 20.03.2024 | 100 | - |
| 2 | Construction of Guwahati Ring Road Project in Assam on DBFOT (Toll) Basis. | 4484.92 | 23.01.2026 | 22.01.2030 | In Progress | Appointment Date 23.01.2026 |
| 3 | Balance work of construction of 4 lane Road from Km 140.700 to Km 190.587 (Narimbanglo - Jatinga Junction - Harangajao) of NH-54 (New NH-27 EW) in the State of Assam under Bharatmala Pariyojana on Hybrid Annuity Mode. | 1676.70 | 16.01.2023 | 30.04.26 | 87.91 | - |
| 4 | Upgradation of Yagyi - Kalewa section Milepost 40/0 to Milepost 115/5 in Myanmar to Two Lane with Earthen Shoulder on EPC mode. | 1286.92 | 28.05.2018 | 31.12.2026 | 55.00 | - |

পরিশিষ্ট 'খ'

**Annexure- B**

**Current status of the inter-state Railway projects of N.F. Railway (Construction) are as under-**

| SN | Railway Project | Targeted Deadline | Current status of work |
|---|---|---|---|
| | **New Lines** | | |
| 1 | Jiribam - Imphal (110.625 Km) | Dec-2028 | Section Jiribam to Khongsang (55.36Km) has been commissioned<br>Planning for commissioning of balance section are-<br>(a) Khongsang- Awangkhul (8.85 km) – Mar'26.<br>(b) Awangkhul- Noney (10.39 km) - Dec' 27.<br>(c) Noney –Imphal (37.02 km) – Dec'28. |
| 2 | Dimapur - Kohima (82.50 Km) | Dec-2029 | Work is in progress.<br>Section Dhansiri-Shukhovi (15.082 Km) Commissioned in Oct'21 & Shukhovi-Molvom (15.778 Km) - Commissioned in March'25.<br>Planning for commissioning for balance sections are- Molvom- Pherima (13.048 Km) by Mar'27 & Pherima – Zubza (33.692Km) by Dec'29. |
| 3 | Sivok - Rangpo (44.96 Km) | Dec-2027 | Work is in progress.<br>TDC - Dec'2027 |
| 4 | Bairabi - Sairang (51.38 Km) | Jun-2025 | Project completed and commissioned on 10.06.2025 |
| 5 | Tetelia - Byrnihat (21.50 Km) | Not Fixed | Section Tetalia – Kamalajari (10.15 Km) has been commissioned.<br>Balance section Kamalajari-Byrnihat (11.35 Km),<br>TDC: Not Fixed due to work stopped by Khasi Student Union of Meghalaya.<br>A new station at near village Moupur, in Assam, around 2.25 Km ahead of Byrnihat in between Kamlajari- Byrnihat stations, in lieu of the original proposed Byrnihat station has been approved by Railway Board on 27.01.2026. |
| 6 | Byrnihat - Shillong (108.4 Km) | Not Fixed | No target is fixed as land acquisition could not progress due to agitation by Khasi Students Union. The State Govt. is being pursued to resolve the matter.<br>TDC- Not Fixed. |
| 7 | Murkongselek - Pasighat (26.15 Km) | Jun-2026 | Work is in progress-<br>Section - Murkongselek-Sile (15.60 km) : TDC- Feb'26.<br>Section- Sile - Pasighat (10.55 km) : TDC-Dec'26. |
| | **DOUBLING** | | |
| 1 | Lumding – Furkating (140 km) | Jun-2028 | Work is in progress<br>TDC- Jun'2028 |

**Annexure- A**

**Current status of the International Railway projects of N.F. Railway (Construction) are as under-**

| SN | Railway Project | Targeted Deadline | Current status of work |
|---|---|---|---|
| 1 | Agartala - Akhaura (Gangasagar) (Bangladesh) (12.03 Km) | India portion work completed. | CRS inspection done on 04.06.2024. Authorization awaited |
| 2 | Mahisasan(India) - Zero Point (Bangladesh) | Not Fixed | Work in the 170 m stretch of International Border is held up for want of clearance from Border Guard, Bangladesh. |
| 3 | Kokrajhar-Gelephu (69.05 Km) | Aug-2029 | The work Kokrajhar-Gelephu (69.05 Km) new line project has been sanctioned vide Railway Board L/no. 2023/W-I/NFR/SY/NL/KOJ-Gelephu (E-3439757) Dtd. 15.09.2025 |
| 4 | Banarhat (India)- Samtse (Bhutan) (19.55 Km) | Nov'2029 | The project is sanctioned by Railway Board on 15.09.2025. |

আলেখ্য ৫

পরিশিষ্ট ৫

| ক্রমিক নং | বিমান বন্দর | উন্নীতকরণের অবস্থা | ঘরোয়া / আন্তঃরাষ্ট্রীয় | সংযোগ সমূহ |
| --- | --- | --- | --- | --- |
| ১ | গুয়াহাটী | ২০/১২/২০২৫ তারিখে ভারতের মাননীয় প্রধানমন্ত্রী নরেন্দ্রর দ্বারা বিমানবন্দরে এটা নতুন টার্মিনেল ভবন উদ্বোধন করা হয়েছে। বিল্ডিংএর মুঠ এলেকার ১৪০০০০ বর্গমিটার আরু বার্ষিক লোক হেণ্ডলিং ক্ষমতা ১৩.১ মিলিয়ন হবার আশা রাখা আছে। বর্তমানে নতুন টার্মিনেলটি স্থানান্তর করা হয়। | আন্তর্জাতিক | **ঘরোয়া —** আগরতলা, আহমেদাবাদ, বাগডোগ্রা, বেঙ্গালুরু, ভুবনেশ্বর, বম্বে, চেন্নাই, দিল্লী, ডিব্রুগড়, ডিমাপুর, হায়দ্রাবাদ, হলংগী, ইম্ফল, জয়পুর, কলকাতা, লক্ষ্ণৌ, পাসিঘাট, পুনে, শিলচর, তেজু, তেজপুর, দুর্গাপুর, [illegible]<br>**ইন্টারনেশ্যনেল** — পারো, ডন মুয়েং, সিংগাপুর। |
| ২ | ডিব্রুগড় | এ-৩২১ টাইপ এয়ারক্রাফ্টের সুবিধার্থে চলাচলের রানওয়ে ব্যাপক ৭৫০০ ফুটলৈ বৃদ্ধি করা হয়েছে।<br>এন.ই.সির দ্বারা মোট ৫০% সাহায্যে এটা নতুন হেংগার নির্মাণ করা হয়েছে।<br>এটা নতুন এ.টি.সি. টাওয়ার নির্মাণ করা হয়েছে তাতে অত্যাধুনিক সরঞ্জাম চালু হয়েছে। | ঘরোয়া | দিল্লী, কলকাতা, বাগডোগ্রা, হায়দ্রাবাদ, বেঙ্গালুরু, গুয়াহাটী আর আগরতলা। |

| বিমান বন্দৰ | উন্নীতকৰণৰ অৱস্থা | ঘৰুৱা আন্তৰ্জাতিক | সংযোগৰ স্থান |
|---|---|---|---|
| | বৰ্তমানৰ টাৰ্মিনেল বিল্ডিঙৰ সুন্দৰ নিৰ্মাণৰ কাৰ্য চলি আছে। ৰাজ্য চৰকাৰে ৭০ একৰ মাটি Airport Authority of India ক সমৰ্পি দিছে য'ত নতুন টাৰ্মিনেল বিল্ডিঙৰ পৰিকল্পনা গ্ৰহণ হৈছে। | | |
| (৩) যোৰহাট | ৰাজ্য চৰকাৰে ৩৫ একৰ মাটি সমৰ্পি দিছে য'ত Airport Authority of India সম্পূৰ্ণ নতুন এপ্ৰোনৰ পৰিকল্পনা কৰিছে আৰু কামৰ পৰিস্থিতিৰ চূড়ান্ত পৰ্যায়ত আছে। বৰ্তমানৰ টাৰ্মিনেল বিল্ডিং সম্প্ৰসাৰণৰ প্ৰস্তাৱৰ চূড়ান্ত পৰ্যায়ত আছে। | ঘৰুৱা | কলিকতা দিল্লী |

| ক্ৰঃ নং | বিমান বন্দৰ | উন্নীতকৰণৰ অৱস্থা | ঘৰুৱা আন্তঃৰাষ্ট্ৰীয় | সংযোগস্থ চহৰ |
| --- | --- | --- | --- | --- |
| ১) | লীলাবাৰী | ৰানৱেৰ পুনৰ কাৰ্পেট লেয়াৰৰ প্ৰয়োজনীয়তাৰ্থে কামৰ পৰিকল্পনা চলি আছে।<br><br>নতুনকৈ অধিগ্ৰহণ কৰা ৮-৪ একৰ মাটিৰ চাৰিওফালে সীমা দেৱাল নিৰ্মাণৰ কাম চলি আছে। সম্পূৰ্ণ হোৱাৰ পিছত ৰানৱে স্ট্ৰিপ এলেকাৰ লগতে অন্যান্য সুৰক্ষা, নিৰাপত্তা, আন্তঃগাঁথনি বৃদ্ধি কৰা হব। | ঘৰুৱা | কলকাতা |
| ২) | শিলচৰ | সংলগ্ন ভিত্তিমূল কৰাৰ লগে বৰ্তমানৰ টাৰ্মিনেল বিল্ডিংৰ সম্প্ৰসাৰণৰ কাম চলি আছে। | ঘৰুৱা | গুৱাহাটী, কলকাতা আইজল (Defence charter Indigo) |
| ৩) | তেজপুৰ | আই.এ.এফ ৰ দ্বাৰা ৰানৱেৰ পুনৰ কাৰ্পেটিং কাম চলি আছে<br><br>বৰ্তমান সিভিল ফ্লাইট অপাৰেচন চলি থকা নাই। | ঘৰুৱা | গুৱাহাটী যোৰহাট |

| ক্র: নং | বিমান বন্দৰ | উন্নীতকৰণৰ অৱস্থা | দেশীয়, আন্তৰ্জাতিক | সংযোগ স্থলী |
| --- | --- | --- | --- | --- |
| ৭) | ৰূপসী | ৰাজ্য চৰকাৰে এ-320 বিমানবন্দৰ সম্প্ৰসাৰণৰ বাবে কোকৰাঝাৰ আৰু ধুবুৰী জিলাৰ পৰা 200 একৰ মাটি অধিগ্ৰহণৰ প্ৰক্ৰিয়াত আছে। | দেশীয় | গুৱাহাটী, কলকাতা |

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ১১৪

উত্তৰ দানৰ তাৰিখ : ১৯-০২-২০২৬

*বিষয়:* করিমগঞ্জ বন বিভাগের অধীনে পাথর কোয়ারী ও করিমগঞ্জ ডিভিশনের অধীনে বালির মহাল সংক্রান্ত তথ্য প্রসঙ্গে।
শ্রীখলিল উদ্দিন মজুমদার, বিধায়ক :

মাননীয় পরিবেশ বন ও জলবায়ু পরিবর্তন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

(ক) সরকার কি অবগত আছেন যে করিমগঞ্জ বন বিভাগের অধীনে একাধিক পাথর কোয়ারী রয়েছে ? অবগত থাকিলে অনুগ্রহ করে জানাবেন– করিমগঞ্জ বন বিভাগের অধীনে বর্তমানে মোট কতটি পাথর কোয়ারী সক্রিয় রয়েছে এবং কতটি বন্ধ অবস্থায় আছে ?

সক্রিয় পাথর কোয়ারীগুলোর নাম, সংশ্লিষ্ট মহালদারের নাম এবং প্রত্যেক কোয়ারী থেকে বছরে সর্বাধিক কত ঘন মিটার পাথর উত্তোলন ও সরবরাহের অনুমতি প্রদান করা হয়েছে ?

(খ) বন্ধ থাকা পাথর কোয়ারীগুলো কোন কোন কারণে বন্ধ রয়েছে ?

এই কোয়ারীগুলো পুনরায় চালু করার জন্য সরকারের কোনো পরিকল্পনা বা প্রস্তাব বিবেচনাধীন আছে কি না-থাকলে তার বিস্তারিত বিবরণ জানাবেন ?

(গ) করিমগঞ্জ ডিভিশনের অধীনে বর্তমানে মোট কতটি বালির মহাল রয়েছে ? উক্ত বালির মহালগুলোর-নাম ও অবস্থান, মহাল/লাইসেন্সধারীর নাম, প্রত্যেক মহাল থেকে বছরে কত ঘন মিটার বালু উত্তোলন ও সরবরাহের অনুমতি প্রদান করা হয়েছে– এই মর্মে বিস্তারিত তথ্য প্রদান করার জন্য অনুরোধ জানাই ?

উত্তৰ:

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মহোদয়ে উত্তৰ দিব :

(ক) হয়, এই বিষয়ে চৰকাৰ অৱগত। কৰিমগঞ্জ ডিভিজনৰ অধীনত বৰ্তমান মোট ৭ টা পাথৰ কোৱাৰী আছে, তাৰে ৫ টা সক্ৰিয় হৈ আছে আৰু ২ টা বন্ধ হৈ আছে। পাথৰ কোৱাৰী ও মহালদাৰৰ নাম আৰু প্ৰত্যক কোৱাৰীৰ পৰা কিমান ঘন মিটাৰ পাথৰ উত্তোলন ও সৰবৰাহ কৰা হল তাৰে তথ্য সংলগ্ন-১ তে দেখুৱা হল।

(খ) বন্ধ হৈ থকা ২ টা পাথৰ কোৱাৰী Environmental Clearance (EC) প্ৰাপ্ত হোৱা নাই কাৰণে বৰ্তমান বন্ধ হৈ আছে। State Environment Impact Assessment Authority (SEIAA), অসমৰ পৰা Environmental Clearance (EC) লাভ কৰা পিছত উক্ত পাথৰ কোৱাৰী দুটা পুনৰ চলোৱাৰ বাবে পৰৱৰ্তী ব্যৱস্থা লোৱা হব।

(গ) কৰিমগঞ্জ ডিভিজনৰ অধীনত মুঠ ১৪ টা বালিৰ মহল আছে। তাৰে ৬ টা বৰ্তমান সক্ৰিয় হৈ আছে, ২ টা (settlement) প্ৰৰ্য্যায়ত আছে , ৪ টা (E-auction) প্ৰক্ৰিয়াত আছে আৰু বাকি থকা ২ টা (E-auction) ৰ বাবে tender float কৰা হৈছে । বিতং বালিৰ মহলৰ তথ্য সংলগ্ন-২ ৰে দেখুৱা হল ।

বি.দ্ৰঃ ওপৰত উল্লেখ কৰা সংলগ্নসমূহ https://neva.gov.in/ ত দিয়া হ'ল।

****

**অসম বিধানসভা**

**তৰাবিহীন প্ৰশ্ন নং- ১১৫**

**উত্তৰ দিয়া তাৰিখঃ ১৯-০২-২০২৬**

বিষয়ঃ বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণৰ সম্পৰ্কে

বিধায়কৰ নামঃ শ্ৰী জাকিৰ হুছেইন সিকদাৰ

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পাকা বেতবাৰী সমষ্টিত কিমান শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণৰ পৰা এতিয়ালৈকে বঞ্চিত হৈ আছে? এই বঞ্চিত হৈ থকা শিক্ষানুষ্ঠানসমূহ চৰকাৰে কেতিয়া প্ৰাদেশিকীকৰণ কৰিব। সেই বিষয়ে জনাব।

(খ) অসমত থকা প্ৰাথমিক, উচ্চ প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক বিদ্যালয়ত সৰ্বমুঠ কিমান ছাত্ৰ-ছাত্ৰী আছে? ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে কিমান শিক্ষক-শিক্ষয়ত্ৰী আছে? সেই সংখ্যা সমষ্টি হিচাপে দিব। পাকা বেতবাৰী সমষ্টিৰ প্ৰতিটো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু শিক্ষক-শিক্ষয়ত্ৰীৰ সংখ্যাৰ তালিকা দিব।

(গ) প্ৰাথমিক, উচ্চ-প্ৰাথমিক, মাধ্যমিক, উচ্চ-মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অনুপাতে অসমত কিমান বিদ্যালয়ত অতিৰিক্ত শ্ৰেণীকোঠালী দৰকাৰ। তাৰ তালিকা দিব। অতিৰিক্ত শ্ৰেণীকোঠালী কেতিয়া নিৰ্মাণ হব সেই বিষয়ে জনাব।

**মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ৰ উত্তৰঃ**

(ক) জিলা প্ৰাথমিক শিক্ষা বিষয়া, বৰপেটাৰ পৰা লাভ কৰা তথ্য অনুসৰি, পাকা বেতবাৰী সমষ্টিৰ অন্তৰ্গত ৪৫ খন নিম্ন প্ৰাথমিক বিদ্যালয় আৰু ৪০ খন উচ্চ প্ৰাথমিক বিদ্যালয় পদ প্ৰাদেশিকীকৰণৰ বাবে প্ৰাদেশিকীকৰণ আইন, ২০১৭ অধিনত জিলা বাছনি কমিতিয়ে প্ৰস্তাৱ প্ৰেৰণ কৰিছিল।

উক্ত প্ৰস্তাৱসমূহ ৰাজ্যিক পৰ্যায়ৰ বাছনি কমিতিয়ে চালি জাৰি চাই ৪০ খন উচ্চ মাধ্যমিক বিদ্যালয় আৰু ২৫ ঘন নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ কৰা হয়।

উক্ত প্ৰস্তাৱৰ ভিতৰত ২০ খন নিম্ন প্ৰাথমিক বিদ্যালয় প্ৰাদেশিকীকৰণ আইন, ২০১৭ ৰ অধিনত যোগ্য বিবেচিত নোহোৱাৰ বাবে প্ৰাদেশিকীকৰণ কৰা হোৱা নাই।

বৰপেটা জিলাৰ, পাকা বেতবাৰী সমষ্টিৰ অন্তৰ্গত ৪ খন শিক্ষানুষ্ঠান, প্ৰাদেশিকীকৰণ আইন, ২০১৭ আৰু সংশোধনী আইন ২০১৮ ৰ প্ৰয়োজনীয় অৰ্হতা সম্পন্ন নকৰাৰ বাবে প্ৰাদেশিকীকৰণ কৰিব পৰা নহ'ল। বিদ্যালয় সমূহ নামক্ৰমে:

Nabanoor High School, ADP Girl's High School, Ata Bhokuamari Sohagpur High School, Kayakuchi H.S. School.

প্ৰাদেশিকীকৰণ আইন ২০১৭/২০১৮ অনুসৰি যোগ্য বিবেচিত সকলো ভেঞ্চাৰ স্কুল ইতিমধ্যে প্ৰাদেশীকৰণ কৰা হৈছে। শেহতীয়াকৈ ২০২৫ চনৰ সংশোধনীটো অধিসূচিত কৰা হৈছে আৰু বিভাগটোৱে সেই মৰ্মে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

(খ) UDISE+2024-25 তথ্য অনুসৰি অসমৰ প্ৰাথমিক, উচ্চ প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়ত্ৰীৰ সৰ্বমুঠ সংখ্যা তলত দিয়া হৈছে-

| বিদ্যালয়ৰ স্তৰ | বিদ্যালয়ৰ সংখ্যা | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | শিক্ষক-শিক্ষয়ত্ৰীৰ সংখ্যা |
|---|---|---|---|
| নিম্ন প্ৰাথমিক | ৩৩,৩৯৪ | ১৯,১৪,৩৬৪ | ৯৭,২৯৪ |
| উচ্চ প্ৰাথমিক | ৬,৩৪৩ | ৭,৯৯,৩৪৪ | ৪২,৪৭৬ |
| মাধ্যমিক | ৩,৩০৭ | ৯,৫৬,৩১৪ | ৪১,৫৪৪ |
| উচ্চতৰ মাধ্যমিক | ১,২৫৬ | ৭,৫৭,২৯৬ | ২৭,০১৯ |
| সৰ্বমুঠ | ৪৪,৩০০ | ৪৪,২৭,৩১৮ | ২,০৮,৩৩৩ |

সমষ্টি হিচাপে ইয়াৰ বিতং তথ্য Annexure-I ত সংলগ্ন কৰা হৈছে। পাকা বেতবাৰী সমষ্টিৰ বিদ্যালয় অনুযায়ী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়ত্ৰীৰ সংখ্যাৰ তালিকা Annexure-II ত সংলগ্ন কৰা হৈছে।

(গ) UDISE+2025-26 (খচৰা) তথ্য অনুসৰি প্ৰাথমিক, উচ্চ-প্ৰাথমিক, মাধ্যমিক, উচ্চ-মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অনুপাতে অসমত বিদ্যালয়ত অতিৰিক্ত শ্ৰেণীকোঠালী দৰকাৰ থকাৰ বিদ্যালয়ৰ সংখ্যা তলত দিয় হৈছে।

| বিদ্যালয়ৰ স্তৰ | প্ৰয়োজন হোৱা অতিৰিক্ত শ্ৰেণীকোঠালী সংখ্যা। |
|---|---|
| নিম্ন প্ৰাথমিক | ৪,৯৯৭ |
| উচ্চ প্ৰাথমিক | ২,১৬৪ |
| মাধ্যমিক | ৩,৭৩২ |
| উচ্চতৰ মাধ্যমিক | ৪,৩৫৬ |
| সৰ্বমুঠ | ১৫,২৪৯ |

UDISE + তথ্যৰ ব্যৱধান অনুসৰি তথা অগ্ৰাধিকাৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰৰ নীতি নিৰ্দেশনাৰ আওতাত অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণৰ বাবে সমগ্ৰ শিক্ষাৰ বাৰ্ষিক কৰ্ম পৰিকল্পনা আৰু বাজেটৰ অধীনত শিক্ষা মন্ত্ৰালয়ৰ পৰৱৰ্তী প্ৰকল্প অনোমোদন পৰিষদত প্ৰস্তাৱ দাখিল কৰিবলৈ যো-জা চলাই থকা হৈছে।

সেই অনুসৰি, অতিৰিক্ত শ্ৰেণীকোঠালী দৰকাৰ থকাৰ বিদ্যালয়ৰ নাম তালিকা Annexure-III ত সংলগ্ন কৰা হৈছে।

(Answer of Unstarred Question No. 115 along-with the enclosures Annexure-I, II, III is available in eVidhan (NeVA) portal)

═ // ═

Assam Legislative Assembly
Unstarred Question No. 116
Date of Reply: 19/02/2026
MLA : Shri Sherman Ali Ahmed

Sub: Amalgamation and Up-gradation of schools etc.

Question

Will the Minister of School Education be pleased to state:

a) Why a junior teacher bypassing 10 teachers senior to him is made "Academic In-Charge" of Dr. Zakir Hussain HSS? What action is taken on my letter No.45/D-3(i)/2025-26 dated 21/10/2025?

b) Why full salary and retirement benefits of Lt. Abdul Hakim of Kedighi Dakshin Lehi LPS is not sanctioned, although his service was regularised on 02/09/2024 and expired on 01/07/2025 while on service?

c) What action is taken on the proposal vide No.BDC/Amal & Mer/2024/87/16643 dated 23/12/2024 for amalgamation of schools under BDC, Barpeta?

d) What action is taken on the proposal vide No.IS/BDC/PER/STREAM/2017/17/9940 dated 31/07/2024 for upgradation of Uttar Paschim Deuldi MVS to High School?

e) What action is taken on the proposal vide No.DEEO/BAR/UP-GRADATION OF SCHOOLS/25/2024/2329 dated 31/07/2024 for upgradation of LPS to UPS?

f) What action is taken on my letter no.45/D-3(i)(B)/2025-26 dated 08/09/2025 and that of DSE's letter no.E-3885529/2 dated 18/11/2023 addressed to IS, Barpeta?

Answer

Dr. Ranoj Pegu, Hon'ble Minister, Education, Assam will state:

a) While placing academic in-charge at Dr. Zakir Hussain HS School, the Inspector of Schools had gone through the seniority of teachers of the School and it was found that:-
The teachers enlisted from Sl. 1, 2, 3, 4, 6, 7, 8 & 10 do not possess the required educational/academic qualification.

Also, a complaint dtd. 11.07.2025 was lodged by the President of SMDC of the School regarding misappropriation of fund etc., against the teacher enlisted at Sl. 5, while he was acting as Principal in-charge which is under enquiry at Inspector of Schools, Barpeta.

The teachers enlisted at Sl. 9 was on the verge of retirement i.e. on 31.01.2026.

Further, the President of SMDC of the School has submitted petition dtd. 25.09.2025 before the Inspector of Schools, Barpeta praying for allow the enlisted teacher at Sl. 11 namely, Akramot Zaman, to act as academic in-charge of the School for smooth running of academic activities in the School.

In view of the above and considering the educational qualification, the teacher enlisted at Sl.11 having MA, B.Ed. degree was allowed to look after the academic side of Dr. Zakir Hussain HS School by the Inspector of Schools, Barpeta.

b) Abdul Hakim, expired Assistant Teacher, Kedighi Dakshin Lehi LP School was appointed as regular teacher under Special Recruitment Drive (SRD) vide the DEE Assam Order dated 02/09/2024. Accordingly he joined in the service as regular teacher on 13/09/2024. However the teacher concern had passed away on 01/07/2025. As such, Late Abdul Hakim completed 09 months 19 days as regular teacher under DEE Assam.

Further, in connection to the matter of sanctioning full salary and retirement benefit, it is to state that the Government in Finance (Estt-A) Department vide Notification No- FEG.28/2017/26 dated 14/9/2017 had come up with a Scheme for Compassionate Family Pension [CFP] in lieu of compassionate appointment to the family/legal heir of a deceased Govt. servant died in harness on or after 01/04/2017. As per the provisions "*...where the employee dies before superannuation after completing minimum 1 (one) year of continuous service, the family pension equal to 100% of the last pay drawn by the deceased employee be paid to the family/legal heir who have the eligibility to receive normal family pension as per AS(P) Rule 1969 (as Amended from time to time) for a period up to the*

Assam Legislative Assembly
Unstarred Question No. 116
Date of Reply: 19/02/2026
MLA : Shri Sherman Ali Ahmed

Sub: Amalgamation and Up-gradation of schools etc.

Question

Will the Minister of School Education be pleased to state:

a) Why a junior teacher bypassing 10 teachers senior to him is made "Academic In-Charge" of Dr. Zakir Hussain HSS? What action is taken on my letter No.45/D-3(i)/2025-26 dated 21/10/2025?

b) Why full salary and retirement benefits of Lt. Abdul Hakim of Kedighi Dakshin Lehi LPS is not sanctioned, although his service was regularised on 02/09/2024 and expired on 01/07/2025 while on service?

c) What action is taken on the proposal vide No.BDC/Amal & Mer/2024/87/16643 dated 23/12/2024 for amalgamation of schools under BDC, Barpeta?

d) What action is taken on the proposal vide No.IS/BDC/PER/STREAM/2017/17/9940 dated 31/07/2024 for upgradation of Uttar Paschim Deuldi MVS to High School?

e) What action is taken on the proposal vide No.DEEO/BAR/UP-GRADATION OF SCHOOLS/25/2024/2329 dated 31/07/2024 for upgradation of LPS to UPS?

f) What action is taken on my letter no.45/D-3(i)(B)/2025-26 dated 08/09/2025 and that of DSE's letter no.E-3885529/2 dated 18/11/2023 addressed to IS, Barpeta?

Answer

Dr. Ranoj Pegu, Hon'ble Minister, Education, Assam will state:

a) While placing academic in-charge at Dr. Zakir Hussain HS School, the Inspector of Schools had gone through the seniority of teachers of the School and it was found that:-
The teachers enlisted from Sl. 1, 2, 3, 4, 6, 7, 8 & 10 do not possess the required educational/academic qualification.
Also, a complaint dtd. 11.07.2025 was lodged by the President of SMDC of the School regarding misappropriation of fund etc., against the teacher enlisted at Sl. 5, while he was acting as Principal in-charge which is under enquiry at Inspector of Schools, Barpeta.
The teachers enlisted at Sl. 9 was on the verge of retirement i.e. on 31.01.2026.
Further, the President of SMDC of the School has submitted petition dtd. 25.09.2025 before the Inspector of Schools, Barpeta praying for allow the enlisted teacher at Sl. 11 namely, Akramot Zaman, to act as academic in-charge of the School for smooth running of academic activities in the School.
In view of the above and considering the educational qualification, the teacher enlisted at Sl.11 having MA, B.Ed. degree was allowed to look after the academic side of Dr. Zakir Hussain HS School by the Inspector of Schools, Barpeta.

b) Abdul Hakim, expired Assistant Teacher, Kedighi Dakshin Lehi LP School was appointed as regular teacher under Special Recruitment Drive (SRD) vide the DEE Assam Order dated 02/09/2024. Accordingly he joined in the service as regular teacher on 13/09/2024. However the teacher concern had passed away on 01/07/2025. As such, Late Abdul Hakim completed 09 months 19 days as regular teacher under DEE Assam.
Further, in connection to the matter of sanctioning full salary and retirement benefit, it is to state that the Government in Finance (Estt-A) Department vide Notification No- FEG.28/2017/26 dated 14/9/2017 had come up with a Scheme for Compassionate Family Pension [CFP] in lieu of compassionate appointment to the family/legal heir of a deceased Govt. servant died in harness on or after 01/04/2017. As per the provisions "*...where the employee dies before superannuation after completing minimum 1 (one) year of continuous service, the family pension equal to 100% of the last pay drawn by the deceased employee be paid to the family/legal heir who have the eligibility to receive normal family pension as per AS(P) Rule 1969 (as Amended from time to time) for a period up to the*

*date of deemed superannuation of the deceased employee i.e the date on which the employee would have superannuated had he been alive*".

As such, as reported by DEEO, Barpeta, the Deputy Inspector of Schools, Barpeta had already sanctioned the Leave Encashment benefit and GIS money (Savings & Insurance) in respect of Late Abdul Hakim, the expired teacher of Kedighi Dakshin Lehi LP School, as per the existing Govt. rules. However, as the teacher concerned had not completed the required service of 1 (one) year for entitlement to pensionary benefits. (full salary) as per Government OMs No. PFG(P)165/2014/17 and PPG(P)/292/2017/1 under Clause 1(iii)(a) & (2), therefore, the full monthly salary to the family members of deceased teacher could not be sanctioned.

c) Proposal for amalgamation of schools in respect of 10 (ten) nos. of schools with 9 (nine) nos. of schools has been received from the Inspector of Schools, Barpeta vide his letter No. BDC/Amal & Mer/2024/87/16643, dated 23/12/2024. The said proposal was received No. E-479536/200 dated 01/03/2025 (**Annexure-A**). Accordingly, approval was accorded towards 8 nos. of schools for amalgamation with 7(seven) nos. of schools vide letter No. E-716566/75 dated 17/12/2025 (**Annexure-B**) and 2 nos. of schools were not approved considering their high enrolment. Accordingly, Directorate of Secondary Education, Assam issued amalgamation order for 8 Nos. schools with 7 Nos. Schools vide order No. E-479536/203 dated 03/01/2026. The detailed break up of schools are shown below :
i) 3 nos. of ME Schools amalgamated with 3 Nos. High Schools.
ii) 2 nos. of ME schools with 1 No. Higher Secondary Schools.
iii) 2 nos. of LP Schools amalgamated with 2 nos. High Schools.
iv) 1 no. High School amalgamated with 1 no. Higher Secondary School.

d) The proposal for upgradation of Uttar Pachim Deauldi MV School from the Inspector of Schools, B.D.C. Barpeta vide letter vide No. IS/BDC/PER/STREAM/2017/17/9940 dated 31-07-2024, was received from Directorate vide letter No. E-307233/41 dated 19-12-2024. Later on, as per query, the Inspector of Schools, Barpeta vide letter No. IS/BDC/PER/STREAM/2017/17/514 dated 07-01-2026 submitted a report, which appears that the school does have only 2 (two) teachers having Graduate Degree qualification. For functioning of High School Classes, minimum 5 (five) teachers having Graduate Degree (Arts-3 and Science 2) in a ME/ MV School are required. As such, Uttar Paschim Deuldi MV School cannot be considered for upgradation to High School.

e) The proposal submitted by DEEO, Barpeta vide letter No. DEEO/BAR/UP-GRADATION OF SCHOOLS/25/2024/2329 dated 31.07.2024 was received by Govt. from the Directorate of Elementary Education, Assam. In pursuance to approval vide ECF No. 530515/20 dated 13.03.2025, the following 3 (three) schools, under the Mandia LAC (earlier it was under the Baghbar LAC) has already been upgraded from Lower Primary to Upper Primary School vide Notification No. 625729/20 dated 01.05.2025 (**Annexure-C**).

| Sl. No. | Name of Lower Primary School now upgraded to UP School | DISE Code |
|---|---|---|
| 1 | 1000 No. Ghorialmari LPS | 18050117801 |
| 2 | 1650/1 Kismat Moinbari LPS | 18050113101 |
| 3 | 1078 No. Paschim Balikuri LPS | 18050113501 |

f) Ram..ara High School have 10 classes i.e. from Class I to X with total 108 enrolment. Moreover, there are 5 nos. of teachers in the School including Sri Billal Husain, in-charge Headmaster of the School. As such, in the interest of the students as well as for smooth conduct of classes in the School, Sri Billal Hussain could not be transferred from the School through rationalization by the district authority.

**************************************************

(The Reply of Unstarred Assembly Question No. 116 along with Annexures (as above) have been uploaded in the NeVA - Assam portal)

# অসম বিধান সভা
# লিখিত প্ৰশ্ন নং : ১১৭
# উত্তৰ দিয়াৰ তাৰিখ – ১৯/০২/২০২৬

বিষয়ঃ উদ্যোগৰ সংখ্যা | সদস্যৰ নামঃ মোঃ নুৰুল হুদাঃ

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) বৰ্তমান ৰাজ্য খনত কিমান বৃহৎ উদ্যোগ, কিমান লঘু উদ্যোগ, আৰু ক্ষুদ্ৰ উদ্যোগ, কোনখন জিলাত কিমান আছে, জিলা ভিত্তিক তালিকা দাখিল কৰাৰ লগতে ২০১৫ চনত অসমত সৰ্বমুঠ কিমান উদ্যোগ আছিল আৰু ২০২৫ চনৰ ৩১ ডিচেম্বৰলৈ কিমান উদ্যোগ আছে? বিতং ভাৱে জনাব।

খ) অসমৰ বিভিন্ন জিলাৰ লগতে নগাঁও জিলাত কিমান সংখ্যক চিকনী ফেক্টৰী আছে আৰু বছৰি নগাঁও জিলাৰ চিকনী ফেক্টৰী সমূহৰ পৰা ২০২১-২২, ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫ এই বিত্তীয় বছৰ কেইটাত কিমান কৰ সংগ্ৰহ হৈছে তাৰ বিতং তথ্য সদনত দাখিল কৰিব।

গ) চিকনী ফেক্টৰীৰ মালিক সকলে ব্যৱসায় কৰোতে অন্য ধৰণৰ কিবা বিধি বহিৰ্ভূত টেক্স দিব লগা হয় নেকি? যদি হয়, চৰকাৰে তাৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে? বিতং ভাৱে জনাব।

## উত্তৰ

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়াদেৱে উত্তৰ দিবঃ

(ক) জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰসমূহৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি অসমত মুঠ ৯৮ টা বৃহৎ উদ্যোগ, আৰু কেন্দ্ৰীয় চৰকাৰৰ উদ্যম পোৰ্টেলৰ তথ্য অনুসৰি অসমত মুঠ ১০,৪৮,৯৪০ টা অতিক্ষুদ্ৰ, ৬,৭১১ টা ক্ষুদ্ৰ আৰু ৫২৪ টা মজলীয়া উদ্যোগ আছে। ইয়াৰ উপৰিও ১১ টা উদ্যোগ (ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ) ৰাজহুৱা প্ৰতিষ্ঠানৰ অন্তৰ্গত । জিলা ভিত্তিক উদ্যোগ-প্ৰতিষ্ঠানৰ সংখ্যা তলত উল্লেখ কৰা হ'ল।

| Sl. No. | Name of the District/s | Large Units | No. of MSMEs (As per UDYAM Portal) | | | Total |
|---|---|---|---|---|---|---|
| | | | Micro | Small | Medium | |
| 1 | Kamrup | 60 | 63995 | 411 | 31 | 64437 |
| 2 | Baksa | | 18425 | 38 | 3 | 18466 |
| 3 | Hojai | 1 | 26614 | 100 | 3 | 26718 |
| 4 | Cachar | 1 | 68313 | 316 | 19 | 68649 |
| 5 | Barpeta | | 49950 | 204 | 20 | 50174 |
| 6 | Biswanath | | 20079 | 78 | 2 | 20159 |
| 7 | Dhubri | | 42783 | 163 | 10 | 42956 |
| 8 | Nagaon | | 56127 | 315 | 19 | 56461 |
| 9 | Karbi Anglong | | 14275 | 73 | 4 | 14352 |
| 10 | West Karbi Anglong | | 4705 | 17 | 102 | 4824 |
| 11 | Kamrup (M) | 25 | 81993 | 2108 | 187 | 84322 |
| 12 | Sonitpur | 4 | 38776 | 214 | 12 | 39002 |
| 13 | Goalpara | 4 | 28524 | 138 | 4 | 28670 |
| 14 | Dima Hasao | 1 | 4801 | 26 | 0 | 4828 |
| 15 | Lakhimpur | | 48784 | 156 | 10 | 48950 |
| 16 | Bongaigaon | 1 | 24331 | 138 | 7 | 24477 |
| 17 | Morigaon | | 28160 | 79 | 4 | 28243 |

| | | | | | | |
|---|---|---|---|---|---|---|
| 18 | Sribhumi | | 31318 | 143 | 4 | 31465 |
| 19 | Dhemaji | | 22010 | 78 | 1 | 22089 |
| 20 | Majul | | 4918 | 5 | 0 | 4923 |
| 21 | Hailakandi | | 19771 | 52 | 3 | 19826 |
| 22 | Chirang | | 13194 | 53 | 6 | 13253 |
| 23 | South Salmara | | 10128 | 27 | 1 | 10156 |
| 24 | Sivasagar | | 28593 | 163 | 6 | 28762 |
| 25 | Jorhat | | 32251 | 277 | 17 | 32545 |
| 26 | Dibrugarh | | 44407 | 321 | 8 | 44736 |
| 27 | Tinsukia | | 43329 | 362 | 13 | 43704 |
| 28 | Nalbari | | 36678 | 97 | 7 | 36782 |
| 29 | Kokrajhar | 1 | 25323 | 96 | 8 | 25427 |
| 30 | Udalguri | | 19522 | 64 | 0 | 19586 |
| 31 | Charaideo | | 12457 | 42 | 5 | 12504 |
| 32 | Golaghat | | 35507 | 157 | 3 | 35667 |
| 33 | Bajali | | 5160 | 18 | 1 | 5179 |
| 34 | Tamulpur | | 5270 | 9 | 0 | 5279 |
| 35 | Darrang | | 38469 | 173 | 4 | 38646 |
| Total | | 98 | 1048940 | 6711 | 524 | 1056217 |

(উদ্যোগ প্ৰতিষ্ঠানৰ তালিকা অসম বিধান সভাৰ বেৱচাইট https://asla.neva.gov.in ত আপলোড কৰা হৈছে)

অসমত ২০১৫ চনলৈ মুঠ ৩,৬৯,৯০১ টা উদ্যোগ- প্ৰতিষ্ঠান স্থাপিত আছিল আৰু ৩১ ডিচেম্বৰ ২০২৫ তাৰিখ লৈকে মুঠ ১০,৫৬,২১৭উদ্যোগ প্ৰতিষ্ঠান স্থাপিত হৈছে।

(খ) কৰ আয়ুক্তই দিয়া তথ্য অনুসৰি অসমৰ হোজাই জিলাত ৫টা, বৰপেটা জিলাত ৫টা আৰু নগাঁও জিলাত ১৬টা চিকনী ফেক্টৰী আছে।

নগাঁও জিলাত চিকনী ফেক্টৰী সমূহৰ পৰা বছৰি তলত দিয়া ধৰণে কৰ সংগ্ৰহ কৰা হয়।

| চন | ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ (টকা) | কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ (টকা) | সংহত সামগ্ৰী আৰু সেৱা কৰ (টকা) | মুঠ (টকা) |
|---|---|---|---|---|
| ২০২১ – ২২ | ৮১,৩২,২০৯/- | ৮৫,৫১,৬৩৭/- | ৪৩৮,০৩,৯২৩/- | ৬,০৪,৮৭,৭৬৯/- |
| ২০২২ – ২৩ | ৫৩,২২,৫৩২/- | ৫৩,১৯,৩০২/- | ৩,৪১,৭৩,০৮১/- | ৪,৪৮,১৪,৯১৫/- |
| ২০২৩ – ২৪ | ৯১,৪২,৯৬৪/- | ৯০,১৩,৫৮৬/- | ৪,৩৬,২২,২৬৫/- | ৬,১৭,৭৮,৮১৫/- |
| ২০২৪ – ২৫ | ৬১,৯৪,২৮০/- | ৬২,০৫,৮৩০/- | ৬,৩৭,৮৭,৯১৭/- | ৭,৬১,৮৮,০২৭/- |

(গ) চিকনী ফেগুহা মালিক সকলে ব্যৱসায় কৰোতে বিধি বহির্ভুত টেক্স দিয়াৰ কোনো তথ্য এই বিভাগে লাভ কৰা নাই।

**********

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ১১৮

উত্তৰ দানৰ তাৰিখ : ১৯-০২-২০২৬

*বিষয়* : জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ

শ্ৰীৰেকিবুদ্দিন আহমেদ, বিধায়ক :

মাননীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাব কেনেদৰে পৰিছে, এই সমস্যাটোৰ পৰা ৰক্ষা পাবলৈ চৰকাৰে কি কি পদক্ষেপ লৈছে ? বিতংকৈ জনাব।

(খ) অসমত বনাঞ্চল হ্ৰাস পাইছে নেকি? কেতিয়াৰ পৰা হ্ৰাস পাইছে, বিতংকৈ জনাব।

(গ) অসমৰ কোন সংৰক্ষিত বনাঞ্চল, ৰাষ্ট্ৰীয় উদ্যানৰ ভূমিত কিমান বেদখল হৈছে ? ক'ত কিমান ভূমি বেদখলমুক্ত কৰা হ'ল ? বিতংকৈ জনাব। চৰকাৰে বাচি বাচি উচ্ছেদ অভিযান চলাইছে নেকি ? জনাব।

(ঘ) উন্নয়নমূলক কামৰ বাবে যেতিয়া গছ কটা হয় তেতিয়া তাৰ বাবে কি কি নীতি অৱলম্বন কৰা হয় ? সেই নীতিৰ আধাৰত কি কি ব্যৱস্থা ল'ব লাগে, সেয়া কেনেদৰে কাৰ্যকৰী কৰা হৈছে বিতংকৈ জনাব।

(ঙ) ২০১৬ চনৰ পৰা অসমৰ প্ৰতিখন জিলাত উন্নয়নমূলক কামৰ বাবে কিমান গছ কটা হৈছে ? কোন জিলাত কিমান গছ কটা হৈছে সেই বিষয়ে বিতং তথ্য দাখিল কৰিব । যিবোৰ গছ কটা হ'ল তাৰ বিপৰীতে কি পদক্ষেপ লোৱা হ'ল ? বিতংকৈ জনাব।

উত্তৰ:

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মহোদয়ে উত্তৰ দিব :

(ক) অসমত ১৯৯০-২০১৯ চনৰ বাৰ্ষিক গড় উষ্ণতাৰ বিশ্লেষণ অনুসৰি, উক্ত সময়ছোৱাত সৰ্বোচ্চ গড় উষ্ণতাৰ মাত্ৰা বাৰ্ষিক ০.০৪৯ ডিগ্ৰী চেলছিয়াছ আৰু সৰ্বনিম্ন গড় উষ্ণতা বাৰ্ষিক ০.০১৩ ডিগ্ৰী চেলছিয়াছ হাৰত বৃদ্ধি হৈছে। তেনেদৰে, ১৯৯০-২০১৯ চনৰ ভিতৰত বাৰ্ষিক বৃষ্টিপাত বছৰি প্ৰায় ১০.৭৭ মিলিমিটাৰকৈ হ্ৰাস পাইছে।

এনেধৰণৰ জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱসমূহ তলত উল্লেখ কৰা হ'ল:

কৃষিখণ্ড :

১) অস্বাভাৱিক বৰষুণ আৰু অৱতৰীয়া বানপানীৰ বাবে অসমত বৰ্ষাকালীন আৰু শীতকালীন ধান খেতি ক্ষতিগ্ৰস্ত হৈছে।

২) উত্তাপ বৃদ্ধি হোৱাৰ ফলত অপকাৰী পোক-পতংগৰ সংখ্যা বৃদ্ধি হোৱাত চাহ খেতি প্ৰভাৱিত হৈছে।

৩) দীঘলীয়া খৰাং বতৰৰ বাবে অসমত চাহখেতিত উৎপাদন হ্ৰাস পোৱা আৰু পোক-পতংগৰ আক্ৰমণ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে।

জলসম্পদ:

১) দীঘলীয়া খৰাংৰ কাৰণে জলাশয়সমূহৰ জলস্তৰ হ্ৰাস পাইছে আৰু ফলস্বৰূপে জলজ জৈৱবৈচিত্ৰত ইয়াৰ প্ৰভাৱ পৰিছে।

২) বৃষ্টিপাতৰ তাৰতম্যৰ বাবে ভূগৰ্ভস্থ পানীৰ স্তৰ হ্ৰাস পাইছে।

৩) উত্তাপ বৃদ্ধিৰ বাবে পানীৰ প্ৰয়োজনীয়তা বাঢ়িছে, যত নেকি জলাশয়সমূহত অধিক বাষ্পীভৱন হৈছে।

পৰিৱেশ:

১) উত্তাপ আৰু বৃষ্টিপাতৰ তাৰতম্যৰ বাবে অৰণ্যৰ উদ্ভিদৰ গাঁথনি পৰিৱৰ্তন হৈছে।

২) জৈৱ-বৈচিত্ৰ্যৰ ক্ষতি হৈছে, বন্যপ্ৰাণীৰ বসতিস্থলৰ পৰিৱৰ্তন হৈছে।

৩) বহিৰাগত প্ৰজাতিৰ আগ্ৰাসন পৰিলক্ষিত হৈছে।

৪) বনাঞ্চলস্থিত জলাশয়সমূহৰ পৰিসীমা আৰু জলস্তৰ হ্ৰাস পাইছে।

ক্ৰমশ.......পৃ/২

স্বাস্থ্য:

১) উচ্চ প্ৰাবল্যৰ দুৰ্যোগ আৰু অস্বাভাৱিক বতৰৰ পৰিঘটনাই মানুহৰ স্বাস্থ্যত বিৰূপ প্ৰভাৱ পেলাইছে।

২) অতিপাত গৰমৰ বাবে হিটষ্ট্ৰোকৰ দৰে সমস্যা বাঢ়িছে।

৩) বিভিন্ন ভেক্টৰৰ দ্বাৰা বিয়পা বেমাৰসমূহৰ ভৌগোলিক পৰিসীমা বিস্তাৰিত হোৱাৰ আশংকা কৰা হৈছে।

জলবায়ু পৰিৱৰ্তন বোধৰ বাবে নিম্নলিখিত ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে:

১) অসম জলবায়ু পৰিৱৰ্তন কাৰ্যকৰী পৰিকল্পনা (Assam State Action Plan on Climate Change, Version 2.0, 2021-2030): জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱসমূহৰ সৈতে মোকাবিলা কৰাৰ বাবে আৰু ৰাজ্যৰ জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত স্থিতিস্থাপকতা (Climate Resilience) শক্তিশালী কৰাৰ বাবে, ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ৰ নিৰ্দেশনাৱলী অনুসৰি ৰাজ্য চৰকাৰে ২০১৫ চনত প্ৰথম অসম ৰাজ্যিক জলবায়ু পৰিৱৰ্তন কাৰ্যকৰী পৰিকল্পনা প্ৰস্তুত কৰিছিল।

২০২১-২০৩০ বৰ্ষৰ বাবে পুনৰবাৰ অসম ৰাজ্যিক জলবায়ু পৰিৱৰ্তন কাৰ্যকৰী পৰিকল্পনাখন সংশোধন কৰা হৈছে। এই সংশোধিত পৰিকল্পনাখনত ইতিমধ্যে ৰাজ্যিক কেবিনেটে অনুমোদন জনাইছে আৰু ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়েও অনুমোদন জনাইছে। এই পৰিকল্পনাখন www.accms.org.in ত উপলব্ধ ।

এই পৰিকল্পনাখন ভাৰতৰ ৰাষ্ট্ৰীয়ভাৱে নিৰ্ধাৰিত সংকল্প (India's Nationally Determined Contribution), বহনক্ষম উন্নয়ন লক্ষ্য (Sustainable Development Goals) আৰু জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰাধান্য দিয়া দিশসমূহক সাঙুৰি সংশোধিত ৰূপত প্ৰস্তুত কৰা হৈছে। সংশোধিত পৰিকল্পনাখনত কৃষি আৰু সংলগ্ন খণ্ড, শক্তি, জলসম্পদ, অৰণ্য আৰু জৈৱবৈচিত্ৰ, স্বাস্থ্য, নগৰীয়া আৰু গাঁৱলীয়া আৱাস, দুৰ্যোগ প্ৰশমন আৰু পৰিকল্পিত শিক্ষা ক্ষেত্ৰক অন্তৰ্ভুক্ত কৰা হৈছে।

উপৰোক্ত ক্ষেত্ৰসমূহত জলবায়ু পৰিৱৰ্তন প্ৰশমন আৰু ইয়াৰ সৈতে অভিযোজন কৰাৰ বাবে সৰ্বমুঠ ৩৬ টা কৌশল অনুযায়ী ২১১ টা কৰ্মআঁচনি সন্নিৱিষ্ট কৰা হৈছে। এই আঁচনিসমূহ সংলিষ্ট বিভাগসমূহে ৰূপায়ন কৰি আছে।

জলবায়ু পৰিৰ্তনৰ ক্ষেত্ৰত আটাইতকৈ সংবেদনশীল জিলা সমূহ বাছনি কৰাৰ বাবে অসম জলবায়ু পৰিৰ্তন ব্যৱস্থাপনা সমিতিয়ে বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ, ভাৰত চৰকাৰৰ নিয়ামৱলী অনুযায়ী সামগ্ৰিকভাৱে জিলা-পৰ্যায়ত আৰু বিভিন্ন ক্ষেত্ৰ যেনে কৃষি, জলসম্পদ, অৰণ্য আৰু জৈৱবৈচিত্ৰ, শক্তি, আদিৰ খণ্ড-ভিত্তিক vulnerability assessment প্ৰতিবেদন প্ৰস্তুত কৰিছে।

এই পৰিকল্পনাখনৰ সফল ৰূপায়ন তথা বিভিন্ন বিভাগৰ মাজত সমন্বয় ৰক্ষা কৰাৰ বাবে অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতি (Assam Climate Change Management Society), পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগ, অসম চৰকাৰৰ অধীনত গঠন কৰা হৈছে।

সৰ্বমুঠ ৪২ টা বিভাগ তথা চৰকাৰী অনুষ্ঠানৰ নিৰ্ধাৰিত নোডেল বিষয়াৰ জৰিয়তে অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিয়ে বিভাগসমূহৰ সৈতে জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় কামসমূহৰ ৰূপায়ণৰ বাবে নিয়মীয়াকৈ সমন্বয় ৰক্ষা কৰি আছে।

2. জলবায়ু পৰিৱৰ্তন বিষয়ক গৱেষণা:

অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিয়ে বিভিন্ন বিভাগক জলবায়ু পৰিৱৰ্তন সংক্ৰান্তীয় বিভাগীয় কৰ্মআঁচনি প্ৰস্তুত কৰাত সহায় কৰাৰ উদ্দেশ্যে নিম্নোক্ত গৱেষণাৰ প্ৰকল্পসমূহ হাতত লৈছে।

সমাপন হোৱা প্ৰকল্প :

a. Scoping Study on Grid Connected Solar PV Systems in Government Buildings of Majuli District

b. Scoping Study on Electric Driven Public Transport System in Majuli District

c. District-level Climate Change Vulnerability Assessment for Assam

ক্ৰমশ.......পৃ/৩

d. District-level Climate Change Risk Assessment for Assam

e. Pre-feasibility Studies for implementation of Green Brick Production Technologies in Assam

f. Green Budget Tagging for various departmental schemes/projects and policies of Government of Assam

চলি থকা প্ৰকল্পসমূহ :

a. State of Environment Report for Assam

b. Greenhouse Gas Inventory for all 35 districts of Assam

c. Assam Cooling Action Plan

d. Assam Climate Change Roadmap 2047"

e. Study for developing flood management Plan : Prioritizing blue-green intervention and development a climate resilient Dibrugarh Town

f. Study and documentation of Ground Water level in piedmont plain of Northern Assam for future climate-resilient water management.

g. Scoping Study and Pilot implementation for building Sustainability and Climate resilience in the Tea sector.

1. সজাগতা আৰু সমলবিকাশ কৰ্মশালা:

জলবায়ু পৰিবৰ্তন বিষয়ত সজাগতা বৃদ্ধিৰ বাবে অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিয়ে চৰকাৰী বিষয়ববীয়াসকলৰ বাবে বিভিন্ন পৰ্যায়ত আৰু জনসাধাৰণৰ মাজতো সজাগতা সভা তথা সমলবিকাশৰ বাবে কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। এতিয়ালৈকে ৮০ খন কৰ্মশালা অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিয়ে অনুষ্ঠিত কৰিছে আৰু প্ৰায় ৭০০০ ৰ অধিক বিভাগীয় বিষয়ববীয়া, জিলা পৰিষদৰ বিষয়ববীয়া, পঞ্চায়তৰ সদস্য, মহিলা আত্মসহায়ক গোটৰ সদস্যা আদিক যাৱতীয় জলবায়ু পৰিৱৰ্তনৰ বিষয়ে সজাগ কৰা হৈছে।

(খ) ইণ্ডিয়ান ষ্টেট অব ফৰেষ্ট ৰিপৰ্টৰ তথ্য অনুযায়ী তলত উল্লেখ কৰা ধৰণে বনাঞ্চল সলনি হোৱা দেখা গৈছে:

| বৰ্ষ | বনাঞ্চল (বৰ্গ কিলোমিটাৰ) |
|---|---|
| ২০২৩ | ২৮৩১৩.৫৫ |
| ২০২১ | ২৮৩১২ |
| ২০১৯ | ২৮৩২৭ |
| ২০১৭ | ২৮১০৫ |
| ২০১৫ | ২৭৬২৩ |

ইণ্ডিয়ান ষ্টেট অব ফৰেষ্ট ৰিপৰ্টৰ তথ্য অনুসৰি অসমত ২০১৫ চনৰ পৰা ২০২৩ চনৰ ভিতৰত ৬৯০.৫৫ বৰ্গ কিলোমিটাৰ বনাঞ্চল বৃদ্ধিহে হৈছে।

(গ) অসমৰ সংৰক্ষিত বনাঞ্চল, ৰাষ্ট্ৰীয় উদ্যানৰ ভূমিত হোৱা বেদখলৰ তথ্য আৰু বেদখলমুক্ত কৰাৰ বিতং তথ্য সংলগ্ন 'ক' ত দেখুওৱা হল। বনভূমি বেদখল মুক্ত কৰিবলৈ পৰ্য্যায়ক্ৰমে উচ্ছেদ অভিযান চলাই থকা হৈছে।

(ঘ) উন্নয়নমূলক কামৰ বাবে বনভূমিত (Forest Land) ত গছ কটাৰ ক্ষেত্ৰত Van (Sanrakshan Evam Samvardhan) Adhiniyam, 1980 (Amendment, 2023) ৰ নীতি নিৰ্দেশনা সমূহ পালন কৰা হয়। আনহাতে, বনভূমিৰ বাহিৰত (Non Forest land) গছ কটাৰ ক্ষেত্ৰত বন বিভাগৰ Standard Operating Procedure (SOP) ত উল্লেখিত নীতি-নিৰ্দেশনা সমূহ পালন কৰা হয়।

(ঙ) ২০১৬ চনৰ পৰা উন্নয়নমূলক কামৰ বাবে কটা গছৰ বিতং তথ্য জিলা ভিত্তিত সংলগ্ন 'খ' ত উল্লেখ কৰা হ'ল। প্ৰতিজোপা গছ কটাৰ বিপৰীতে ১০ জোপাকৈ গছ ৰোপণ কৰা হয়।

বি.দ্ৰঃ ওপৰত উল্লেখ কৰা সংলগ্নসমূহ https://neva.gov.in/ ত দিয়া হ'ল।

****

**ASSAM LEGISLATIVE ASSEMBLY**
**UNSTARRED QUESTION NO.119**
**REPLY DATE-19/02/2026**

**Sub. : Benefits under Assam Darshan**
**MLA : Shri ABDUR RASHID MANDAL :**

Will the Minister of Cultural Affairs Department be pleased to state :

(a) Please furnish year wise and district wise list of Namghars and Satras which are given benefits with amounts under Assam Darshan during the period of present Govt.

(b) Please furnish district wise list of Artists who are given pensions or benefits by the department with amounts during the period from 2017/18 till date.

(c) Whether any Masjid and Church is given benefits under Assam Darshan during the tenure of present Govt.? If yes, please furnish year wise and district wise list of benefitted Masjids and Churches. If not, why?

**-Answer-**

Sjt Bimal Borah, Hon'ble Minister, Cultural Affairs will reply-

(a) The list of Namghars and Satras benefitted under Assam Darshan Scheme during the period of present Government year wise as per information received from the Transformation and Development Department are annexed at **Annexure - A.**

(b) The district wise list of Artists who are given pensions or benefits by the Department with amounts during the period from 2017/18 till date are annexed at **Annexure-B**.

(c) Yes. The year wise and district wise lists of Masjids and Churches which are benefitted under Assam Darshan during the period of present Government as per information received from the Transformation and Development Department are annexed at **Annexure -C**.

The copy of the reply along with Annexures are uploaded in the National eVidhan Application portal for Assam Legislative Assembly.

*******

# অসম বিধান সভা
## তৰাবিহীন প্ৰশ্ন নং – ১২০
## উত্তৰ দিয়া তাৰিখঃ ১৯/০২/২০২৬

**বিষয়ঃ** টিউটৰ শিক্ষক-শিক্ষয়িত্ৰীক শিক্ষক পদলৈ উন্নীতকৰণ। **বিধায়কঃ** শ্ৰী মজিবুৰ ৰহমানঃ

**১২০।** মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰ্তমানে ৰাজ্যখনত প্ৰাদেশীকৃত উচ্চ, মধ্য ইংৰাজী আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ত কিমানজন টিউটৰ শিক্ষক-শিক্ষয়িত্ৰী কৰ্মৰত হৈ আছে? (জিলা ভিত্তিত তালিকা দিব)।

(খ) উক্ত শিক্ষক-শিক্ষয়িত্ৰীসকলক মাহিলী পাৰিতোষিক কিমানকৈ দি থকা হৈছে? তেওঁলোকৰ মাহিলী পাৰিতোষিক বৃদ্ধি কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) এই টিউটৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক টিউটৰৰ পৰা শিক্ষক পদলৈ উন্নীতকৰণ কৰাৰ বাবে চৰকাৰে বৰ্তমানে কি ব্যৱস্থা গ্ৰহণ কৰিছে? (টিউটৰ শিক্ষক-শিক্ষয়িত্ৰীৰ বিস্তাৰিত তথ্য সদনত দাখিল কৰিব।)

**উত্তৰঃ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাং ৰণোজ পেগু দেৱে উত্তৰ দিবঃ

(ক) বৰ্তমান ৰাজ্যখনৰ প্ৰাদেশীকৃত উচ্চ, মধ্য ইংৰাজী আৰু নিম্ন প্ৰাথমিক বিদ্যালয়সমূহত কৰ্মৰত টিউটৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সংখ্যা তলৰ তালিকাখনত দিয়া হৈছে।

| বিদ্যালয় | সংখ্যা |
|---|---|
| নিম্ন প্ৰাথমিক | ২৭৮৮ |
| মধ্য ইংৰাজী | ৪৭৮৪ |
| উচ্চ মাধ্যমিক | ১৭৩৫ |

জিলা ভিত্তি তথ্য **পৰিশিষ্ট ক-১'ত** আৰু **ক-২'ত** সংলগ্ন কৰা হল।

(খ) প্ৰাদেশিকৃত টিউটৰসকল মাহিলী পাৰিতোষিক ১০,৮০০/- টকা আৰু বিজ্ঞান টিউটৰসকলৰ মাহিলী পাৰিতোষিক ১১,৭০০/- টকা, তৃতীয় বৰ্ষৰ পৰা এই পাৰিতোষিক ক্ৰমে ১২,০০০/- টকা আৰু ১৩,০০০/-টকা কৰা হৈছে।
প্ৰাদেশিকীকৰণ আইন, ২০১৭ আৰু সংশোধনী ২০১৮ আৰু ২০২৫ আইনৰ অনুসূচী অনুসৰি, উচ্চ মাধ্যমিক বিদ্যালয়ত কৰ্মৰত টিউটৰ শিক্ষক-শিক্ষয়িত্ৰী সকলক তলত উল্লেখিত তালিকাৰ অনুসৰি মাহিলী পাৰিতোষিক প্ৰদান কৰা হয় –

| পদ | মাহিলী পাৰিতোষিক (Rs.) |
|---|---|
| প্ৰধান শিক্ষক (টিউটৰ) | ১৮০০০ |
| সহঃ প্ৰধান শিক্ষক (টিউটৰ) | ১৬০০০ |
| স্নাতক শিক্ষক (টিউটৰ) | ১৪০০০ |
| জেষ্ঠ্য হিন্দী শিক্ষক (টিউটৰ) | ১৪০০০ |
| সংগীত শিক্ষক / ধ্ৰুপদী শিক্ষক (টিউটৰ) | ১৪০০০ |
| শিল্প শিক্ষক (টিউটৰ) | ১১০০০ |

প্ৰাদেশিকীকৰণ (সংশোধন) আইন, ২০২৫ ৰ ৮(৩) ধাৰাৰ অনুসৰি প্ৰাদেশিকীকৰণৰ তাৰিখৰ পৰা সেৱাৰ পাঁচ বছৰ সম্পূৰ্ণ কৰাৰ পিছত, বা প্ৰযোজ্য অধিসূচনাৰ তাৰিখৰ পৰা, ইয়াৰ পিছত বাৰ্ষিকভাৱে পাৰিতোষিক ছয় শতাংশ (৬%) হাৰত বৃদ্ধি কৰা হ'ব।

ইয়াৰোপৰি উক্ত ধাৰা অনুসৰি প্ৰাদেশিকীকৰণৰ তাৰিখৰ পৰা সাত বছৰৰ ভিতৰত যদি এজন অনুশিক্ষকে বিহিত শৈক্ষিক আৰু পেছাগত অৰ্হতা আহৰণ কৰে তেওঁ উপযুক্ত শিক্ষক পদসমূহলৈ উন্নতিকৰণৰ বাবে যোগ্য হ'ব।

(গ) প্ৰাদেশিকীকৰণ আইন, ২০১৭ আৰু সংশোধনী আইনৰ ২০১৮ ৰ ৭(১) ধাৰাৰ অনুসৰি প্ৰয়োজনীয় শৈক্ষিক আৰু পেছাগত অৰ্হতা সম্পন্ন কৰা টিউটৰ সকলক সংবৰ্গৰ 'শিক্ষক' পদলৈ উন্নতিকৰণ কৰা হৈছে।

সাত (৭) বছৰৰ ভিতৰত প্ৰাদেশিকীকৰণ (সংশোধন) আইন, ২০২৫ ৰ ৭(১) ধাৰাৰ অনুসাৰি প্ৰয়োজনীয় শৈক্ষিক আৰু পেছাগত অৰ্হতা সম্পন্ন কৰা টিউটৰ সকলক সংবৰ্গৰ 'শিক্ষক' পদলৈ উন্নতিকৰণ কৰা হব।

প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত যোগ্য বিবেচিত আৰু চৰকাৰৰ অনুমোদন ক্ৰমে ১১০ জন টিউটৰৰ পদ শিক্ষক পদলৈ উন্নীতকৰণ কৰা হৈছে। তাৰোপৰি প্ৰথম অৱস্থাত ১২০ টা পদ উন্নীতকৰণৰ বাবে যি প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল, পুনঃ পৰীক্ষণ কৰি ১১৬ জনৰ প্ৰস্তাৱ বিভাগত প্ৰক্ৰিয়া চলি আছে।

( তৰাবিহীন প্ৰশ্ন নং – **১২০** ৰ উত্তৰ আৰু সকলো পৰিশিষ্ট eVidhan (NeVA) পৰ্টেলত উপলব্ধ )

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ১২১

উত্তৰ দানৰ তাৰিখ : ১৯-০২-২০২৬

বিষয়: অসমৰ বনাঞ্চল সন্দৰ্ভত

শ্ৰীযাদব স্বৰ্গীয়াৰী, বিধায়ক :

মাননীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিগত পাঁচ বছৰত অসমত বনাঞ্চলৰ ক্ষেত্ৰফল হ্ৰাস বা বৃদ্ধি সন্দৰ্ভত চৰকাৰে কৰা কিবা মূল্যায়ন কৰিছে নেকি ? যদি কৰিছে, ইয়াৰ জিলাভিত্তিক তথ্য দাঙি ধৰিব।

(খ) পাহাৰীয়া অঞ্চল আৰু সংৰক্ষিত বনাঞ্চলত বৃহৎ উন্নয়ন প্ৰকল্পসমূহ অনুমোদনৰ পূৰ্বে পৰিবেশ-প্ৰভাৱ-মূল্যায়ন (EIA)কিমানখিনি কঠোৰভাৱে প্ৰয়োগ কৰা হৈছে ?

(গ) EIA অনুমোদন লাভ কৰা প্ৰকল্পসমূহে নিৰ্ধাৰিত পৰিবেশীয় চৰ্তসমূহ মানি চলিছে নে নাই, সেইটো জানিবলৈ চৰকাৰে কেনেধৰণৰ নিৰীক্ষণ ব্যৱস্থা গ্ৰহণ কৰিছে ? তথ্য দাঙি ধৰিব।

(ঘ) ৰাজ্যত বায়ু, পানী আৰু স্থল প্ৰদূষণৰ মাত্ৰা নিয়ন্ত্ৰণ কৰিবলৈ পৰিবেশ সুৰক্ষা আইনসমূহ কিমানখিনি কাৰ্য্যকৰী ভাৱে প্ৰয়োগ কৰা হৈছে?

(ঙ) ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদীসমূহত বালি খনন আৰু নলা-নৰ্দমাৰ পানী পোনপটীয়াকৈ নদী সমূহত পৰাৰ বাবে সংঘটিত হোৱা প্ৰদূষণৰ বিষয়ে চৰকাৰ অৱগত নে আৰু ইয়াৰ প্ৰতিকাৰ হিচাপে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে বিতং তথ্য দাঙি ধৰিব।

উত্তৰ:

মাননীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মহোদয়ে উত্তৰ দিব :

((ক) ইণ্ডিয়ান ষ্টেট অৱ ফৰেষ্ট ৰিপৰ্টৰ তথ্য অনুযায়ী তলত উল্লেখ কৰা ধৰণে অসমত বনাঞ্চল হ্ৰাস/বৃদ্ধি হোৱা দেখা গৈছে:

| বৰ্ষ | বনাঞ্চল |
|---|---|
| ২০২৩ | ২৮৩১৩.৫৫ |
| ২০২১ | ২৮৩১২ |
| ২০১৯ | ২৮৩২৭ |
| ২০১৭ | ২৮১০৫ |
| ২০১৫ | ২৭৬২৩ |

ইণ্ডিয়ান ষ্টেট অৱ ফৰেষ্ট ৰিপৰ্টৰ তথ্য অনুসৰি অসমত ২০১৫ চনৰ পৰা ২০২৩ চনৰ ভিতৰত ৬৯০.৫৫ বৰ্গ কিলোমিটাৰ বনাঞ্চল বৃদ্ধি হৈছে । জিলা ভিত্তিক তথ্য সংলগ্ন-'ক' ত দাঙি ধৰা হ'ল ।

(খ) ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় (MoEF &CC) জাৰি কৰা পৰিৱেশ প্ৰভাৱ মূল্যায়ন অধীসূচনা মৰ্মে উদ্যোগসমূহ Category - A আৰু Category - B দুটা ভাগত বিভক্ত। ইয়াৰে Category – A ৰ অৰ্ন্তভুক্ত উদ্যোগসমূহৰ বাবে প্ৰয়োজনীয় পৰিৱেশ প্ৰভাৱ মূল্যায়ন (EIA) প্ৰতিবেদন গ্ৰহণ তথা পৰিৱেশীয় অনুমোদন (Environmental Clearance, EC) প্ৰদানৰ সমগ্ৰ প্ৰক্ৰিয়া ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে (MoEF&CC) সম্পাদনা কৰে।

আনহাতে, Category – B ৰ উদ্যোগসমূহৰ ক্ষেত্ৰত প্ৰস্তাৱিত প্ৰকল্প/ উদ্যোগৰ বাবে ৰাজ্যিক পৰিৱেশ প্ৰভাৱ মূল্যায়ন কতৃপক্ষই (State Level Environment Impact Assessment Authority, SEIAA) আৱেদন গ্ৰহণ কৰে আৰু সেই প্ৰস্তাৱিত প্ৰকল্প/ উদ্যোগসমূহৰ ক্ষেত্ৰভিত্তিক প্ৰযোজ্যতা অধ্যয়ন কৰি প্ৰতিবেদন দাখিল কৰিবলৈ অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদলৈ প্ৰেৰণ কৰে। পৰিষদে ইয়াৰ ১১ টা আঞ্চলিক কাৰ্যালয়ৰ জৰিয়তে

ক্ৰমশ.......পৃ/২

Water (Prevention & Control of Pollution) Act, 1974; Air (Prevention & Control of Pollution) Act, 1981; Environmental Protection Act, 1986; আৰু Directives of Hon'ble Supreme Court and Hon'ble National Green Tribunal ৰ অধীনত ক্ষেত্ৰভিত্তিক অধ্যয়নৰ প্ৰতিবেদন কৰি ৰাজ্যিক পৰিৱেশ প্ৰভাৱ মূল্যায়ন কতৃপক্ষক জমা দিয়ে। ৰাজ্যিক পৰিৱেশ প্ৰভাৱ মূল্যায়ন কতৃপক্ষই ইয়াৰ ওপৰত বিবেচনা কৰি প্ৰস্তাৱিত প্ৰকল্প/ উদ্যোগ প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজনীয় Terms of Reference (ToR) আৱেদনকাৰীক দিয়ে। এই Terms of Reference ৰ ওপৰত ভিত্তি কৰি প্ৰস্তাৱিত প্ৰকল্পৰ বাবে পৰিৱেশ প্ৰভাৱ মূল্যায়ন (Environmental Impact Assessment) প্ৰতিবেদন দাখিল কৰিব লাগে। ৰাজ্যিক পৰিৱেশ প্ৰভাৱ মূল্যায়ন কতৃপক্ষই পৰিৱেশ প্ৰভাৱ মূল্যায়ন (Environmental Impact Assessment) প্ৰতিবেদন ওপৰত ভিত্তি কৰি প্ৰস্তাৱিত প্ৰকল্পৰ বাবে পৰিৱেশীয় অনুমোদন (Environmental Clearance, EC) প্ৰদান কৰে ।

(গ) অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে পৰিৱেশ প্ৰভাৱ মূল্যায়ন (EIA) ওপৰত ভিত্তিত অনুমোদিত প্ৰকল্পসমূহে মানি চলিবলগীয়া চৰ্তসমূহ নিয়মীয়া পৰিদৰ্শন, পৰিৱেশ সম্বন্ধীয় বিভিন্ন নমুনা সংগ্ৰহ (বৰ্জিত পানী, নিৰ্গত ধোঁৱা আদি) আৰু বিশ্লেষণ আদিৰ ওপৰত ভিত্তি কৰি প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰাৰ লগতে এইবোৰৰ সঠিক ৰূপায়ণ নিৰীক্ষণ কৰে।

(ঘ) অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে ইয়াৰ গুৱাহাটীৰ মুখ্য কাৰ্যালয়ৰ লগত সংলগ্ন অত্যাধুনিক কেন্দ্ৰীয় পৰীক্ষাগাৰ আৰু পাঁচ (৫) টা আঞ্চলিক পৰীক্ষাগাৰ (শিৱসাগৰ, তেজপুৰ, নগাঁও, শিলচৰ আৰু বঙ্গাইগাঁওত অৱস্থিত) জৰিয়তে ৰাজ্যখনৰ বিভিন্ন স্থানত নিয়মীয়া ভাৱে বায়ু আৰু পানীৰ গুণাগুণৰ নিৰীক্ষণ কৰি আছে।

- বায়ু গুণাগুণৰ নিৰীক্ষণ কাৰ্য্যসূচীঃ ৰাষ্ট্ৰীয় বায়ুৰ গুণাগুণ নিৰীক্ষণ কাৰ্য্যসূচী (National Air Monitoring Programme) আৰু ৰাষ্ট্ৰীয় নিৰ্মল বায়ু আঁচনি (National Clean Air Programme) ৰ অধীনত পৰিষদে ৰাজ্যখনৰ ১৯ খন নগৰ/চহৰ আৰু ৩ টা গ্ৰাম্যাঞ্চল সামৰি মুঠ ৬৩ টা মানৱ-চালিত বায়ুৰ গুণাগুণ নিৰীক্ষণ কেন্দ্ৰ (Manual Ambient Air Quality Monitoring Stations) আৰু ৫ খন নগৰ/চহৰত (গুৱাহাটী, নলবাৰী, নগাঁও, শিৱসাগৰ, শিলচৰ আৰু বৰ্ণিহাট) মুঠ ৯ টা স্বয়ংক্ৰিয় বায়ুৰ গুণাগুণ নিৰীক্ষণ কেন্দ্ৰ (Continuous Ambient Air Quality Monitoring Stations) স্থাপন কৰি বায়ুৰ গুণাগুণ নিৰীক্ষণ কৰি আছে।

  পৰিষদৰ পৰীক্ষাগাৰসমূহত বায়ুৰ মুঠ ২২ টা বিভিন্ন পৰিমাপক (parameter) নিৰীক্ষণ কৰিব পৰা উন্নত মানদণ্ডৰ আন্তঃগাঠনি আছে।

- পানীৰ গুণাগুণ নিৰীক্ষণ কাৰ্য্যসূচীঃ ৰাষ্ট্ৰীয় পানীৰ গুণাগুণ নিৰীক্ষণ কাৰ্য্যসূচী (NWMP) অধীনত পৰিষদে ৰাজ্যখনৰ বিভিন্ন জলাশয় - নদ-নদী; বিল; পুখুৰী আৰু ভূ-পৃষ্ঠৰ জলৰ উৎস সামৰি মুঠ ২৩৭ স্থানত পানীৰ গুণাগুণ নিয়মীয়াভাৱে নিৰীক্ষণ কৰি আছে। ইয়াৰে ১৭০ টা পৃষ্ঠ জলৰ উৎস আৰু ৬৭ টা ভূ-পৃষ্ঠৰ জলৰ উৎস। পৰিষদত বায়ুৰ মুঠ ২২ টা বিভিন্ন পৰিমাপক নিৰীক্ষণ কৰিব পৰা উন্নত আন্তঃগাঠনি আছে।

  পৰিষদৰ পৰীক্ষাগাৰসমূহত পানীৰ মুঠ ৪৬ টা বিভিন্ন পৰিমাপক (parameter) নিৰীক্ষণ কৰিব পৰা উন্নত মানদণ্ডৰ আন্তঃগাঠনি আছে।

(ঙ) ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদী সমূহৰ বালি খনন (Sand Mining) কৰিব লগীয়া হলে District Survey Report (DSR) আৰু Mining Plan ত উল্লেখিত চৰ্ত সাপেক্ষে অনুমতি (Permit) দিয়া হয়। তাৰ বিপৰীতে নলা-নৰ্দমাৰ পানীৰ পৰা হোৱা প্ৰদূষণৰ বিষয়টো বন বিভাগৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় ।

বিঃদ্ৰঃ ওপৰত উল্লেখ কৰা সংলগ্নসমূহ https://neva.gov.in/ ত দিয়া হ'ল।

***

অসম বিধান সভা

**লিখিত প্ৰশ্ন নং : ১২২**

**উত্তৰ দিয়াৰ তাৰিখ – ১৯/০২/২০২৬**

**বিষয়ঃ এডভান্টেজ আছাম আৰু অসমত পুঁজি বিনিয়োগ।** **সদস্যৰ নামঃ শ্ৰী অখিল গগৈ**

১২২ । মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) "এডভান্টেজ আছাম"ৰ প্ৰথম সংস্কৰণ আৰু দ্বিতীয় সংস্কৰণে অসমত কিমান পুঁজিৰ বিনিয়োগ সৃষ্টি কৰিলে? বিনিয়োগকাৰীৰ নাম, পুঁজিৰ পৰিমাণ, বিনিয়োগ ক্ষেত্ৰ আৰু স্থানীয় কৰ্ম সংস্থাপনৰ পৰিমাণৰ তালিকা সদনত দাখিল কৰিব।

(খ) ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰা এই প্ৰশ্নৰ উত্তৰ দিয়াৰ তাৰিখলৈকে অসমত বিনিয়োগ কৰা কোন কোন ব্যক্তি, উদ্যোগ প্ৰতিষ্ঠানক কেতিয়া আৰু কি কি ৰাজসাহাৰ্য্য (যেনে- Capital Subsidy, Transport Subsidy ইত্যাদি) আৰু মাটি দিয়া হ'ল তালিকা প্ৰদান কৰিব। সেইবোৰ প্ৰতিষ্ঠানত নিযুক্তি লাভ কৰা অথবা কৰিবলগীয়া অসমৰ নাগৰিকৰ সংখ্যা জনাব।

(গ) জাগীৰোডত "টাটা"ক ছেমি কণ্ডাক্টৰ উদ্যোগ স্থাপনৰ বাবে কিমান মাটি, কিমান দামত দিয়া হৈছে আৰু অন্যান্য সাহাৰ্য্যৰ প্ৰদান কৰা হৈছে সদনত দাখিল কৰিব। কি কি ক্ষেত্ৰত তেওঁলোকক ৰাজসাহাৰ্য্য প্ৰদান কৰা হ'ব, কেন্দ্ৰৰ পৰা পাবলগীয়া ৰাজসাহাৰ্য্য, ৰাজ্যৰ পৰা পাবলগীয়া ৰাজসাহায্যৰ পৰিমাণ আৰু টাটাৰ বিনিয়োগৰ পৰিমাণ জনাব।

**উত্তৰঃ**

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়াদেৱে উত্তৰ দিবঃ

(ক) অসম চৰকাৰৰ দ্বাৰা আয়োজিত প্ৰথমখন বৃহৎ আন্তৰাষ্ট্ৰীয় বিনিয়োগ সন্মিলন Advantage Assam 1.0 অনুষ্ঠিত হৈছিল ২০১৮ চনৰ ফেব্ৰুৱাৰী মাহত। এই সন্মিলনৰ বিনিয়োগৰ গুৰুত্বপূৰ্ণ খণ্ডসমূহ আছিল কৃষি আৰু খাদ্য প্ৰক্ৰিয়াকৰণ, তথ্য প্ৰযুক্তি, ফাৰমাচিউটিকেলচ, পৰ্যটন, হস্ততাত আৰু বস্ত্ৰশিল্প তথা শক্তি (Petroleum আৰু Natural Gas)।

"এডভান্টেজ আছাম'ৰ প্ৰথম সংস্কৰণে অসমত চৰকাৰী-বেচৰকাৰী খণ্ডৰ সৈতে হোৱা বিনিয়োগৰ সবিশেষ তথ্য পৰিশিষ্ট ১ ত সংলগ্ন কৰা হ'ল।

Advantage Assam 2.0 – Investment and Infrastructure Summit ৰ পৰা মুঠ বিনিয়োগৰ পৰিমাণ হৈছে ৫,১৮,২৯৫ কোটি টকা ইয়াৰ ভিতৰত Advantage Assam 2.0 আৰু জিলা পৰ্যায়ত স্বাক্ষৰিত বুজাবুজি চুক্তি, ভাৰত চৰকাৰৰ মুখ্য মন্ত্ৰালয়ৰ আন্তঃগাঁথনি ঘোষণা আৰু শীৰ্ষস্থানীয় উদ্যোগীসকলৰ অতিৰিক্ত বিনিয়োগৰ প্ৰতিশ্ৰুতি অন্তৰ্ভুক্ত আছে ।

অসম ৰাজ্যত বিনিয়োগৰ বাবে এক পচন্দৰ ক্ষেত্ৰ হিচাপে উপস্থাপন কৰা আৰু অসম ৰাজ্যৰ আৰ্থিক উন্নয়নৰ গতি দ্ৰুত কৰাৰ উদ্দেশ্য লৈ অসম চৰকাৰৰ দ্বাৰা Advantage Assam 2.0 – Investment and Infrastructure Summit আয়োজিত কৰা হৈছিল।

ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ৰ আন্তঃগাথঁনি পদক্ষেপ সমূহ , কেন্দ্ৰীয় PSUসমূহৰ বিনিয়োগ আদি ধৰি মুঠ ২৯৭ টা MoU স্বাক্ষৰিত হৈছে, যাৰ বিনিয়োগৰ পৰিমাণ ₹২,৭৭,৪৩৮.৯৭ কোটি।

শীৰ্ষ সম্মিলনত স্বাক্ষৰিত MoU সমূহ অ-প্ৰতিশ্ৰুতিমূলক আৰু অ-বাধ্যতামূলক আছিল। Advantage Summit সম্পন্ন হোৱাৰ পিছত উদ্যোগ সমূহে প্ৰাথমিক ভিত্তিমূলক কাম আৰম্ভ কৰা হয়, আৰু তাৰ ফলস্বৰূপে ₹ ১,৬৪,১৫২.৭০ কোটি টকাৰ ৮৯ তা প্ৰকল্প বৰ্তমান আগবঢ়ি আছে আৰু বিভিন্ন স্তৰত ৰূপায়ণৰ অধীনত আছে। (তালিকা পৰিশিষ্ট ২ হিচাপে সংলগ্ন আছে)

যিহেতু উক্ত বিনিয়োগ প্ৰস্তাৱবোৰৰ অধীনত পৰিকল্পনা কৰা প্ৰকল্পবোৰ দীৰ্ঘম্যাদী প্ৰকৃতিৰ, সেয়েহে প্ৰকল্পবোৰ সম্পূৰ্ণ হোৱাৰ লগে লগে আৰু কাৰ্যকলাপ আৰম্ভ হোৱাৰ লগে লগে নিযুক্তিৰ সম্ভাৱনা ক্ৰমান্বয়ে মূল্যায়ন কৰা হ 'ব।

এডভান্টেজ আছাম'ৰ দ্বিতীয় সংস্কৰণত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰসমূহৰ সৈতে মুঠ ২৬৭৮ খন বিনিয়োগৰ বুজাবুজি চুক্তি (MoU) স্বাক্ষৰিত হৈছে। এই চুক্তিসমূহৰ জৰিয়তে ৭১২২.২৬ কৌটি টকা বিনিয়োগৰ প্ৰস্তাৱ লাভ কৰা গৈছে। উক্ত MoU সমূহ বিভিন্ন খণ্ড যেনে উদ্যোগ, সেৱা, লজিষ্টিকছ আদি ক্ষেত্ৰত উদ্যোগ স্থাপন আৰু সম্প্ৰসাৰণৰ উদ্দেশ্যে স্বাক্ষৰিত হৈছে।

ইয়াৰে ৬২৩.৫১ কৌটি টকা ইতিমধ্যে বিনিয়োগ হৈছে আৰু ৩৬১০.১৪ কৌটি টকাৰ প্ৰকল্প বাস্তৱায়নাধীন হৈ আছে ।

বিনিয়োগকাৰীৰ নাম, পুঁজিৰ পৰিমাণ, বিনিয়োগ ক্ষেত্ৰ আৰু কৰ্ম সংস্থাপনৰ পৰিমাণৰ তালিকা **পৰিশিষ্ট-৩** ত সংলগ্ন কৰা হ'ল ।

(খ) ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰা অসমত বিনিয়োগ কৰা উদ্যোগ সমূহক তলক উল্লেখিত ধৰনৰ উদ্যোগীক নীতি/ আঁচনিৰ অধিনত ৰাজসাহাৰ্য্য প্ৰদান কৰা হ'য়-

| উদ্যোগীক নীতি/ আঁচনিৰ | উদ্যোগৰ সংখ্যা | ৰাজসাহাৰ্য্যৰ পৰিমাণ (কৌটি টকা) |
|---|---|---|
| উদ্যোগীক বিনিয়োগ নীতি, অসম (Industrial and Investment Policy of Assam) | ৪৬৫ | ৩৫৬.৩০ **(পৰিশিষ্ট-৪)** |
| কেন্দ্ৰীয় মূলধন বিনিয়োগৰ ৰাজসাহাৰ্য্য (30% Central Capital Investment Incentive for Access to Credit under NEIDS, 2017) | ৬৩৬ | ৭৬৫.১৩ **(পৰিশিষ্ট-৫)** |
| ৩০% মূলধন বিনিয়োগৰ ৰাজসাহাৰ্য্য (Capital Investment Subsidy (CIS) under NEIPP, 07) | ১৪২২ | ১৪৪৫.৬৮ **(পৰিশিষ্ট-৬)** |

উপৰোক্ত উদ্যোগসমূহত প্ৰায় ৬১,৭৪০ জন কৰ্মচাৰী নিয়োজিত হৈ হাছে । ইয়াৰে ৮০% অসমৰ নাগৰিক ।

মাটি প্ৰদানৰ সবিশেষ তথ্য **পৰিশিষ্ট** ৭ ত সংলগ্ন কৰা হ'ল ।

(গ) Tata Semiconductor Assembly আৰু Test Private Limited ৰ নামত ৫২৩ বিঘা (১৯/১২/২০২২ তাৰিখৰ কেবিনেট সিদ্ধান্ত অনুসৰি প্ৰতি বিঘাত ১.০০ টকা) মাটি আৱন্তন দিয়া হৈছে আৰু

Tata Semiconductor Assembly আৰু Test Private Limited প্ৰকল্প নিৰ্মাণৰ বাবে কেন্দ্ৰীয় আৰু অসম চৰকাৰৰ ৰাজসাহাৰ্য্য তলত উল্লেখ কৰা ধৰণে প্ৰদান কৰা হব:

| Particulars | Amount(INR Crores) | Remarks |
|---|---|---|
| Equity Contribution | 3,000 | The equity contribution of Rs. 3,000 cr will be borne by TATA. |
| Debt (Financial Assistance) | 10,106 | The Debt (Financial Assistance) of Rs. 10,106 cr will be borne by TATA |
| Fiscal Support | 10,225 | The Fiscal Support of Rs.10,225 cr will be financed through assistance by ISM |
| State Govt. Grant | 3,789 | The State Govt. Grant of Rs.3,789 cr will be financed by the State Govt. of Assam |
| Total (Estimated Cost) | 27,120 | |

****

উত্তৰ তথা পৰিশিষ্ট ১, ২, ৩, ৪, ৫, ৬ আৰু ৭ অসম বিধানসভাৰ বেৱচাইট https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

অসম বিধান সভা

লিখিত প্ৰশ্ন নং : ১২৩

উত্তৰ দিয়াৰ তাৰিখ – ১৯/০২/২০২৬

**বিষয়ঃ মৃত উদ্যোগ পুনৰ্জীৱিতকৰণ।** **সদস্যৰ নামঃ শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)।**

১২৩। মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) জাগীৰোড কাগজ কলৰ মাটিখিনি বৰ্তমান কোন কোম্পানীক কি চৰ্তত প্ৰদান কৰা হৈছে আৰু ইয়াত কি উদ্যোগ গঢ়ি তোলা হ'ব?

(খ) ধিং চেকক্ৰাফট পেপাৰ প্ৰজেক্টৰ মাটিখিনি কাক হস্তান্তৰ কৰা হৈছে আৰু ইয়াত কি উদ্যোগ গঢ়ি তোলা হ'ব?

(গ) অসমত মৃত উদ্যোগ সমূহৰ নাম কি? এই বিলাক পুনৰ্জীৱিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ পৰিকল্পনা কি?

**উত্তৰঃ**

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়াদেৱে উত্তৰ দিবঃ

(ক) জাগীৰোড কাগজকলৰ মুঠ মাটি ১৭৯০ বিঘা (৫৯২ একৰ)। এই মাটিখিনিৰ সম্পূৰ্ণ তথ্য পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হ'ল।

(খ) ধিং চেকক্ৰাফট পেপাৰ প্ৰজেক্টটো পূৰ্বতন Industrial Papers (Assam) Ltd য়ে কাৰ্যকৰী কৰিছিল। অসম চৰকাৰে ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ ১৪/০৭/২০১৭ তাৰিখৰ কাৰ্যালয় আদেশ নং PE.66/2015/216 জৰিয়তে, পূৰ্বতন Industrial Papers (Assam) Ltd, ধিংৰ অন্তৰ্গত ৪৫ বিঘা ০ কথা ১১ লেছা মাটি ঔদ্যোগিক উদ্দেশ্যৰ বাবে অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেডলৈ আৱণ্টন কৰিছিল। পূৰ্বতন Industrial Papers (Assam) Ltd, ধিংৰ মুঠ মাটিৰ পৰা, Promotion of MSMEs in NER and Sikkim আঁচনিৰ অধীনত AIDC দ্বাৰা ১০০ বিঘা এলেকা জুৰি এটা ঔদ্যোগিক এলেকা উন্নয়ন কৰা হৈছে। উক্ত প্ৰকল্পটো সফলভাৱে সম্পূৰ্ণ কৰা হৈছে, যাৰ ফলস্বৰূপে প্ৰয়োজনীয় আন্তঃগাঁথনি সুবিধাসমূহ সৃষ্টি কৰা হৈছে।। এই ঔদ্যোগিক এলেকাটোৰ বাবে ইতিমধ্যে বহু উদ্যোগীৰ পৰা ভূমি আৱণ্টনৰ বাবে আবেদন লাভ কৰা হৈছে।

বৰ্তমানলৈকে তিনিটা ঔদ্যোগিক প্ৰতিষ্ঠানক ভূমি আৱণ্টন দিয়া হৈছে। ইয়াৰে দুটা প্ৰতিষ্ঠান নিৰ্মাণাধীন অৱস্থাত আছে আৰু এটা প্ৰতিষ্ঠানে ইতিমধ্যে উৎপাদন আৰম্ভ কৰিছে।

(গ) বৰ্তমান পাচটা ৰাজহুৱা খণ্ডৰ উদ্যোগ

(১) Ashok Paper Mill (Assam) ltd. ১৯৮৩ চনৰ পৰা

(২) Assam Polyster Co-operative Society Ltd. ২০১৬ চনৰ পৰা

(৩) Assam Plantation Crops Development Corporation Ltd. ২০১৬ চনৰ পৰা

(৪) Assam Minorities Development and Finance Corporation Ltd. ২০১৬ চনৰ পৰা

(৫) Assam State Fertilizers & Chemicals Ltd. (নিষ্ক্ৰীয়) ২০১৬ চনৰ পৰা বন্ধ হৈ আছে।

তদুপৰি, অসম চৰকাৰে ২০০৫-০৬ চনৰ পৰা ২০১১-১২ ৰ ভিতৰত সোতৰটা ৰাজহুৱা উদ্যোগ আৰু Assam Small Industries Development Corporation Ltd. ৰ অন্তৰ্গত দুটা উৎপাদন গোট বন্ধ ঘোষনা কৰিছে । বন্ধ ঘোষনা কৰা উদ্যোগ সমূহৰ তালিকা পৰিশিষ্ট 'খ' ত সংলগ্ন কৰা হল।

তাৰোপৰি, অসম উদ্যোগিক উন্নয়ন নিগমৰ তথ্য অনুসৰি, অসম উদ্যোগিক উন্নয়ন নিগমৰ অংশীদাৰীত্বত থকা Prag Bosimi Synthetic Limited (PBSL) ৰ ২০২০ চনৰ মাৰ্চ মাহৰ পৰা উৎপাদন বন্ধ হৈ আছে।

উক্ত উদ্যোগসমূহ পুনঃজীৱিত কৰাৰ ক্ষেত্ৰত চৰকাৰে বৰ্তমান কোনো পৰিকল্পনা গ্ৰহণ কৰা নাই যদিও Ashok Paper Mill (Assam) Ltd. ৰ মাটিত বিকল্প উদ্যোগ স্থাপনৰ বাবে বিবেচনাধীন হৈ আছে ।

(পৰিশিষ্ট "ক" আৰু পৰিশিষ্ট 'খ' অসম বিধান সভাৰ বেৱছাইট https://asla.neva.gov.in/ত আপলোড কৰা হৈছে।)

********

**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং – ১২৪**
**উত্তৰ দিয়া তাৰিখঃ ১৯/০২/২০২৬**

**বিষয়ঃ** টিউটৰ শিক্ষক নিয়মীয়াকৰণ **বিধায়কঃ** শ্ৰীনজৰুল হকঃ

**১২৪।** মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) টিউটৰ শিক্ষক-শিক্ষয়িত্ৰীৰ শিক্ষক পদলৈ উন্নীতকৰণৰ প্ৰস্তাৱ সমূহ বৰ্তমান কি পৰ্য্যায়ত আছে?

(খ) টিউটৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ Special TET পতাৰ বাবে চৰকাৰে কিবা পৰিকল্পনা হাতত লৈছেনে? যদি লৈছে, কেনেধৰণৰ?

(গ) মাননীয় উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশ Equal Pay for Equal Work কেতিয়ালৈ কাৰ্য্যকৰী হ'ব?

**উত্তৰঃ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিবঃ

(ক) প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত যোগ্য বিবেচিত আৰু চৰকাৰৰ অনুমোদন ক্ৰমে ১১০ জন টিউটৰৰ পদ শিক্ষক পদলৈ উন্নীতকৰণ কৰা হৈছে। তাৰোপৰি প্ৰথম অৱস্থাত ১২০ টা পদ উন্নীতকৰণৰ বাবে যি প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল, পুনঃ পৰীক্ষণ কৰি ১১৬ জনৰ প্ৰস্তাৱ বিভাগত প্ৰক্ৰিয়া চলি আছে।

মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত:- প্ৰাদেশিকীকৰণ আইন, ২০১৭ আৰু সংশোধনী আইন ২০১৮ ৰ ৭(১) ধাৰাৰ অনুসৰি প্ৰয়োজনীয় শৈক্ষিক আৰু পেছাগত অৰ্হতা সম্পন্ন কৰা মুঠ ৫১২ জন টিউটৰ পদ সংবৰ্গৰ 'শিক্ষক' পদলৈ উন্নতিকৰণ কৰা হৈছে।

ইয়াৰোপৰি, সাত (৭) বছৰৰ ভিতৰত প্ৰাদেশিকীকৰণ (সংশোধন) আইন, ২০২৫ ৰ ৭(১) ধাৰাৰ অনুসৰি প্ৰয়োজনীয় শৈক্ষিক আৰু পেছাগত অৰ্হতা সম্পন্ন কৰা টিউটৰ সকলক সংবৰ্গৰ 'শিক্ষক' পদলৈ উন্নতিকৰণ কৰা হব।

(খ) চৰকাৰে বৰ্তমানলৈ টিউটৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ বাবে Special TET অনুষ্ঠিত কৰাৰ কোনো ধৰণৰ পৰিকল্পনা কৰা নাই।

(গ) যদিহে উচ্চ ন্যায়ালয়ৰ পৰা "Equal Pay for Equal Work" সম্পৰ্কে কোনো নিৰ্দেশনা পোৱা যায়, তেন্তে শিক্ষা বিভাগে বিভিন্ন বিভাগৰ আৰু সঞ্চালকালয়ৰ মতামত লৈ গভীৰ পৰ্যালোচনাৰ বাবে গ্ৰহণ কৰিব। তাৰ পিছত সিদ্ধান্ত লোৱা হ'ব।

( তৰাবিহীন প্ৰশ্ন নং – **১২৪** ৰ উত্তৰ eVidhan (NeVA) পৰ্টেলত উপলব্ধ )

# অসম বিধান সভা

## লিখিত প্ৰশ্ন নং : ১২৫

**উত্তৰ দিয়াৰ তাৰিখ – ১৯/০২/২০২৬**

**বিষয়ঃ নতুন বাণিজ্য কেন্দ্ৰ নিৰ্মাণ** **সদস্যৰ নামঃ ডাঃ আচিফ মঃ নাজাৰ**

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) স্থানীয় কেঁচা সামগ্ৰীৰ ওপৰত ভিত্তি কৰি খাদ্য প্ৰস্তুত কৰণ উদ্যোগ স্থাপন কৰিবৰ বাবে চৰকাৰৰ তৰফৰ পৰা কেনেধৰণৰ ৰাজ সাহাৰ্য্য আছে জনাব।

(খ) চৰকাৰৰ হাতত নতুনকৈ বাণিজ্য কেন্দ্ৰ নিৰ্মাণৰ আঁচনি আছে নেকি? যদি আছে, লাহৰীঘাট সমষ্টিত তেনে বাণিজ্য কেন্দ্ৰ স্থাপন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিব নেকি?

**উত্তৰঃ**

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়া দেৱে উত্তৰ দিবঃ

(ক) অসম চৰকাৰে উদ্যোগীকৰণৰ কাৰণে স্থানীয় কেঁচা সামগ্ৰীৰ ওপৰত ভিত্তি কৰি হোৱা উদ্যোগক প্ৰাধান্য দিয়ে।

উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে স্থানীয় কেঁচা সামগ্ৰীৰ ওপৰত ভিত্তি কৰি খাদ্য প্ৰস্তুত কৰণ উদ্যোগ স্থাপন কৰিবৰ বাবে উদ্যোগীসকলক নিম্নলিখিত আঁচনিসমূহৰ দ্বাৰা সহায় কৰি আহিছে:-

1. Chief Minister Atmanirbhar Asom Abhijan
2. Industrial & Investment Policy of Assam (amended) 2023
3. Assam Startup & Innovation Policy 2025
4. Assam Biotech Policy, 2022
5. Assam Logistics & Warehousing Policy, 2022
6. Uttar Poorva Transformative Industrialization Scheme (UNNATI, 2024)
7. Prime Minister's Employment Generation Programme (PMEGP)
8. Pradhan Mantri Formalisation of Micro Food Processing Enterprises Scheme (PMFME)

(খ) আছে।

উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে লাহৰীঘাটত ব্যৱসায়িক চাহিদা অধ্যয়ন কৰাৰ পিচতহে পদক্ষেপ ল'ব পাৰিব।

# অসম বিধান সভা

## লিখিত প্ৰশ্ন নং : ১২৬

**উত্তৰ দিয়াৰ তাৰিখ – ১৯/০২/২০২৬**

**বিষয়ঃ চৰকাৰী মাটিত উদ্যোগীকৰণৰ সন্দৰ্ভত** **সদস্যৰ নামঃ শ্ৰী দেৱব্ৰত শইকীয়াঃ**

১২৬ । মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) যোৱা পাঁচ বছৰত অৰ্থাৎ ২০২১ৰ পৰা ২০২৬ চনৰ ৩১ জানুৱাৰীলৈ অসমত কিমান চৰকাৰী মাটি কৰ্প'ৰেট সংস্থা, ব্যক্তিগত কোম্পানী বা অন্যান্য ব্যক্তিগত সংস্থাক উদ্যোগীকৰণ বা উন্নয়নমূলক প্ৰকল্পৰ উদ্দেশ্যে আবন্টন, লীজ বা অধিগ্ৰহণ কৰা হৈছে তাৰ তথ্য ভিত্তিত বিৱৰণ দাঙি ধৰক, যেনে-

i. কোন কোন সংস্থা/ কোম্পানী/ বেচৰকাৰী সংস্থাক চৰকাৰী ভূমি দিয়া হৈছে?

ii. মাটিৰ স্থান আৰু মাটি জৰীপ সংখ্যা

iii. আবণ্টিত মুঠ মাটিকালি (বিঘা/ একৰ/ বৰ্গমিটাৰত)

iv. আবন্টনৰ তাৰিখ

v. আবন্টনৰ উদ্দেশ্য (উদ্যোগ, প্ৰতিষ্ঠান, চিকিৎসালয়, হোটেল ইত্যাদি)

vi. মাটি বিক্ৰী কৰা হৈছে নে লীজত দিয়া হৈছিল

vii. যদি বিক্ৰী কৰা হৈছে- কি মূল্যত বিক্ৰী কৰা হৈছে?

viii. আৰু যদি লীজত দিয়া হয় কি চুক্তিত, কিমান মূল্যৰ বিনিময়ত লীজত দিয়া হৈছে, লীজৰ সময়সীমা কিমান, লীজৰ নবীকৰণৰ চৰ্তৰ লগতে অন্যান্য চৰ্তসমূহ দাঙি ধৰিব।

খ) ২০২১ চনৰ পৰা ২০২৫ চনলৈকে প্ৰতিটো বছৰৰ ভিতৰত তেনে আৱন্টনৰ পৰা ৰাজ্যই লাভ কৰা মুঠ ৰাজহৰ পৰিমাণ কিমান?

গ) কোনো ব্যক্তিগত সংস্থাক ৰেহাই মূল্যত বা বিনামূলীয়াকে মাটি আৱন্টন দিয়া হৈছে নেকি? যদি হৈছে, তেন্তে কিহৰ ভিত্তিত দিয়া হৈছে আৰু এই মাটিৰ বৰ্তমান সময়ত প্ৰকৃত বজাৰ মূল্য কিমান?

ঘ) এনে সকলো আৱন্টন অসম ঔদ্যোগিক ভূমি ব্যৱস্থাপনা নীতি ২০২১ (Assam industrial Land Management Policy) বা অন্যান্য প্ৰাসংগিক আইন/ নিয়ম অনুসৰি কৰা হৈছে নে?

## উত্তৰঃ

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়াদেৱে উত্তৰ দিব:

ক) I. যোৱা পাঁচ বছৰত অৰ্থাৎ ২০২১ ৰ পৰা ২০২৬ চনৰ ৩১ জানুৱাৰীলৈ উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ অধীনৰ নিগম সমূহে কৰ্পৰেট সংস্থা, ব্যক্তিগত কোম্পানী বা অন্যান্য ব্যক্তিগত সংস্থাক উদ্যোগীকৰণ বা উন্নয়নমূলক প্ৰকল্পৰ উদ্দেশ্যে আৱন্টন, লিজ বা অধিগ্ৰহণ কৰা চৰকাৰী মাটিৰ তথ্য **পৰিশিষ্ট ১** ত সংলগ্ন কৰা হ'ল ।

II. মাটিৰ স্থান সংখ্যা **পৰিশিষ্ট ১** ত সংলগ্ন কৰা হ'ল

III. আৱণ্টিত মুঠ মাটিকালি (বিঘা / একৰ / বৰ্গমিটাৰত), **পৰিশিষ্ট ১** ত সংলগ্ন কৰা হ'ল ।

IV. আবণ্টনৰ বছৰ, পৰিশিষ্ট ১ ত সংলগ্ন কৰা হ'ল ।

V. আৱন্টনৰ উদ্দেশ্য (উদ্যোগ, প্ৰতিষ্ঠান, চিকিৎসালয়, হোটেল ইত্যাদি), **পৰিশিষ্ট ১** ত সংলগ্ন কৰা হ'ল।

VI. মাটি লীজত দিয়া হৈছিল ।

VII. প্ৰযোজ্য নহয় ।

VIII. লীজৰ মূল্য, সময়সীমা, নৱীকৰণৰ চৰ্তৰ লগতে অন্যান্য চৰ্তসমূহ পৰিশিষ্ট ১ ত সংলগ্ন কৰা হ'ল ।

(খ) ২০২১ চনৰ পৰা ২০২৫ চনলৈ এনে আৱন্টনৰ পৰা ৰাজ্যই লাভ কৰা মুঠ ৰাজহৰ পৰিমান নিগম সমূহৰ পৰা পোৱা তথ্য অনুযায়ী তলত দিয়া ধৰণৰঃ

| | | |
|---|---|---|
| AIDC | - | Rs. 60,55,54,395 |
| AIIDC | _ | Rs. 10,59,08,106.11 |
| ASIDC | - | Rs. 76,01,652 |

(গ) মাটি আৱন্টন দিয়া ব্যক্তিগত সংস্থাৰ তালিকা **পৰিশিষ্ট ৩** ত উল্লেখ কৰা হৈছে । তাত উল্লেখ থকা সংস্থাৰ ভিতৰত কেৱল কেন্দ্ৰীয় বিদ্যালয় সংগঠন ক বিনামূলীয়াকৈ মাটি আৱন্টন দিয়া হৈছে বাকী সংস্থা সমূহক ৰেহাই মূল্যত মাটি আৱন্টন দিয়া হৈছে ।

(ঘ) সকলো আৱন্টন অসম ঔদ্যোগিক ভূমি ব্যৱস্থাপনা নীতি ২০২১ (Assam Industrial Land Management Policy) ৰ নিয়ম অনুসৰি কৰা হৈছে ।

******

উত্তৰ তথা পৰিশিষ্ট ১ আৰু ৩ অসম বিধানসভাৰ বেৱচাইট https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

অসম বিধান সভা

তৰবিহীন প্ৰশ্ন নং-১২৭

উত্তৰ দিয়াৰ তাৰিখ- ১৯/০২/২০২৬

বিষয় ঃ মাতৃভাষাৰ চৰকাৰী প্ৰাথমিক বিদ্যালয় সম্পৰ্কে।

বিধায়ক ঃ শ্ৰীমতী শিৱামণি বৰা ঃ

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৫-২৬ বৰ্ষত বৰ্তমানলৈ কিমানখন মাতৃভাষাৰ প্ৰাথমিক বিদ্যালয় একত্ৰীকৰণৰ নামত বা অন্য কাৰণত বন্ধ কৰি দিয়া হ'ল ?

(খ) ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বৰ্ষত কিমানখন মাতৃভাষাৰ প্ৰাথমিক বিদ্যালয় একত্ৰীকৰণৰ নামত বা অন্য কাৰণত বন্ধ কৰি দিয়া হ'ল ?

(গ) ব্যাপক হাৰত ৰাজ্য চৰকাৰৰ অধীনস্থ মাতৃভাষাৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস হোৱাৰ ফলত বৃহৎ সংখ্যক প্ৰাথমিক বিদ্যালয় বন্ধ কৰি দিৱলগীয়া হোৱাৰ প্ৰকৃত কাৰণ কি ? জনাব।

(ঘ) স্থানীয় ৰাইজৰ দান-বৰঙণি আৰু অশেষ কষ্টৰ ফলত গঢ়ি উঠা প্ৰাথমিক বিদ্যালয় সমূহ বন্ধ কৰি দিয়াৰ ফলত জহি-খহি নষ্ট হৈ যাব ধৰা বিদ্যালয়ৰ আন্তঃগাঁথনি সমূহ কি দৰে ব্যৱহাৰ কৰা হ'ব সেই সম্পৰ্কে বিভাগে কোনো সিদ্ধান্ত গ্ৰহণ কৰিছে নেকি ? বিতং ভাৱে সদনত দাখিল কৰিব।

ঃ <u>উত্তৰ</u> ঃ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিব ঃ

(ক) প্ৰশ্নত উল্লেখ কৰা মতে ২০২৫-২৬ বৰ্ষত বৰ্তমানলৈ এখনো মাতৃভাষাৰ প্ৰাথমিক বিদ্যালয় একত্ৰীকৰণৰ নামত বা অন্য কাৰণত বন্ধ কৰা হোৱা নাই। প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত ২০২৫-২৬ বৰ্ষত ৯৪ খন বিদ্যালয় একত্ৰীকৰণ কৰা হৈছে।

(খ) প্ৰশ্নত উল্লেখ কৰা মতে ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বৰ্ষত এখনো মাতৃভাষাৰ প্ৰাথমিক বিদ্যালয় একত্ৰীকৰণৰ নামত বা অন্য কাৰণত বন্ধ কৰি দিয়া হোৱা নাই। প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বৰ্ষত ৫৪১২ খন বিদ্যালয় একত্ৰীকৰণ কৰা হৈছে।

(গ) শিক্ষা সেতু এপ প্ৰৱৰ্তন হোৱাৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা এপৰ জৰিয়তে নিৰ্দ্ধাৰণ কৰা হয়। ইয়াৰ ফলস্বৰূপে দেখা যায় যে কিছু সংখ্যক বিদ্যালয়ত UDISE ৰ সংখ্যাৰ লগত শিক্ষা সেতুৰ সংখ্যাৰ তাৰতম্য পৰিলক্ষিত হোৱা দেখা যায়। এই বিষয়ে জনা যায় যে আগতে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী এক বা অধীক স্কুলত বিভিন্ন কাৰণত নিজৰ নাম অন্তৰ্ভূক্ত কৰি ৰাখে। শিক্ষা সেতু এপ প্ৰৱৰ্তন হোৱাৰ পিছৰে পৰা এই সমূহ ব্যৱস্থা বিলুপ্তকৰণ কৰা হয়। ফলস্বৰূপে যদিও ছাত্ৰ-ছাত্ৰী হিচাপে সংখ্যা বিদ্যালয়ে বিদ্যালয়ে কমি যোৱা নাই কিন্তু প্ৰাৰম্ভিক হিচাপ অনুযায়ী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম হোৱাটো পৰিলক্ষিত হয়। তাৰ উপৰিও অসমৰ বিভিন্ন অঞ্চলত যাতায়তৰ সুব্যৱস্থা সূচনা হোৱা বাবে কিছু সংখ্যক ছাত্ৰ-ছাত্ৰী এটা স্কুলৰ পৰা আনটো স্কুললৈ যোৱাৰ প্ৰৱনতাটো দেখা পোৱা যায়। সেই বাবে কিছুসংখ্যক স্কুলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি যোৱা বাবে সেই বিদ্যালয় সমূহক অন্য বিদ্যালয়ৰ লগত চামিলকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। তাৰ উপৰিও প্ৰয়োজন অনুযায়ী বিদ্যালয় কৰ্তৃপক্ষ সমূহৰ প্ৰস্তাৱ মৰ্মে কিছুসংখ্যক স্কুলত Dual Medium ৰ প্ৰৱৰ্তন কৰা হৈছে। সেইসমূহ স্কুলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হোৱাটোহে পৰিলক্ষিত হৈছে। উল্লেখিত যে চাহ বাগান স্কুলত আটক ধুনীয়াকৈ নিৰ্মাণ কৰা বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট ধৰণে বৃদ্ধি পাইছে।

(ঘ) অসম চৰকাৰে জাৰি কৰা "Siksha-Khetra" আঁচনিৰ Office Memorandum No. ASE.481/2016/164 dated 03/08/2021 মৰ্মে একত্ৰীকৰণৰ ফলত খালী হোৱা বিদ্যালয়সমূহৰ চলমান (Movable) আৰু অচল (Immovable) সম্পত্তিসমূহ একত্ৰিত বিদ্যালয়ৰ নামত অৰ্থাৎ "বেছ বিদ্যালয়"ৰ নামত নিবন্ধিত কৰা হয়। যদি কোনো এম.ই. বিদ্যালয় এখন উচ্চ বিদ্যালয় এখনৰ সৈতে একত্ৰিত কৰা হয়, তেন্তে দুয়োটা বিদ্যালয়ৰ সম্পত্তি উচ্চ বিদ্যালয়ৰ নামত নিবন্ধিত হয়। একেদৰে যদি কোনো এল.পি., এম.ই. আৰু উচ্চ বিদ্যালয় দুখন উচ্চতৰ / জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ সৈতে একত্ৰিত কৰা হয় অথবা যদি কোনো উচ্চ বিদ্যালয় এখন জ্যেষ্ঠ/উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সৈতে একীভূত কৰা হয় তেন্তে সংশ্লিষ্ট সকলো বিদ্যালয়ৰ সম্পত্তি ক্ষেত্ৰমতে উচ্চতৰ/জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় নামত নিবন্ধিত কৰা হয়।

(সিপিঠিত.....২)

অসম চৰকাৰে জাৰি কৰা Office Memorandum No. E-634931/7 dated 02/04/2025 মৰ্মে একত্ৰীকৰণ, প্ৰাদেশিকীকৰণ অথবা বেছ বিদ্যালয়লৈ স্থানান্তৰৰ ফলত সংশ্লিষ্ট বিদ্যালয়ৰ ভূমি এছ.এম.চি./এছ.এম.ডি .চি অথবা শিক্ষা বিভাগে “ইস্তাফা” দিয়া বুলি গন্য কৰা হয়। জিলা উপায়ুক্তই উক্ত ভূমি যিকোনো চৰকাৰী বিভাগ বা সংস্থালৈ আবন্টন কৰিব পাৰে যদিও চৰকাৰী বিভাগ/সংস্থা ব্যতীত আন যিকোনো ব্যক্তি বা সংস্থা, অন্তৰ্ভূক্তভাৱে এন.জি.অ.লৈ ভূমি আবন্টন কৰাৰ পূৰ্বে জিলা উপায়ুক্তই ৰাজস্ব আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অনুমোদন লব লাগে।

(তৰবিহীন প্ৰশ্ন নং-১২৭ ৰ উত্তৰ (www.cmsasla.neva.gov.in) eVidhan (NeVA) পৰ্টেলত উপলব্ধ)

== //==

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং-১২৮

উত্তৰ দিয়াৰ তাৰিখ- ১৯/০২/২০২৬

বিষয় ঃ আৰ্চনি সম্পৰ্কে

বিধায়ক ঃ শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিটোত ২০২১ চনৰ পৰা ২০২৫ চনলৈকে সৰ্বশিক্ষা অভিযান মিছনৰ অধীনত সৰ্বমুঠ কিমানখন স্কুলত অতিৰিক্ত শ্ৰেণীকোঠাৰ কাম আৰম্ভ কৰা হৈছে ?

(খ) তাৰে ভিতৰত কিমানখন স্কুলৰ অতিৰিক্ত শ্ৰেণীকোঠাৰ কাম সম্পূৰ্ণ হৈ উঠিছে আৰু কিমানখন স্কুলৰ অতিৰিক্ত শ্ৰেণীকোঠাৰ কাম অসম্পূৰ্ণ হৈ পৰি আছে ? তথ্য সহকাৰে জনাব ।

ঃ উত্তৰ ঃ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিব ঃ

(ক) জলেশ্বৰ সমষ্টিটোত ২০২১ চনৰ পৰা ২০২৫ আৰু ২০২৬ চনলৈকে সমগ্ৰ শিক্ষা, অসমৰ অধীনত সৰ্বমুঠ ৩৪১ খন বিদ্যালয়ত ৪৩৮ টা অতিৰিক্ত শ্ৰেণীকোঠাৰ কাম আৰম্ভ কৰা হয় । ইয়াৰে ৫১ খন বিদ্যালয়ৰ ৮২ টা অতিৰিক্ত শ্ৰেণীকোঠা ধুবুৰী জিলাৰ আৰু ২৯০ খন বিদ্যালয়ৰ ৩৫৬ টা অতিৰিক্ত শ্ৰেণীকোঠা গোৱালপাৰা জিলাৰ ।

(খ) জলেশ্বৰ সমষ্টিটোৰ ৪৩৮ টা অতিৰিক্ত শ্ৰেণীকোঠাৰ ভিতৰত ৪১৭ টা অতিৰিক্ত শ্ৰেণীকোঠাৰ কাম সম্পূৰ্ণ হৈছে আৰু ২১ টা অতিৰিক্ত শ্ৰেণীকোঠাৰ কামত অগ্ৰগতি লাভ কৰি আছে ।
উভয় জিলাৰ অধীনত সমষ্টিটোৰ বিপৰীতে ৰূপায়ণ হোৱা নিৰ্মাণ কাৰ্যৰ বিতং তথ্য Annexure-A (ধুবুৰী জিলা) আৰু Annexure-B (গোৱালপাৰা জিলা) ত সংলগ্ন কৰা হৈছে ।

(তৰাবিহীন প্ৰশ্ন নং-১২৮ ৰ উত্তৰ আৰু Annexure-A (ধুবুৰী জিলা) আৰু Annexure-B (গোৱালপাৰা জিলা) (www.cmsasla.neva.gov.in) eVidhan (NeVA) পৰ্টেলত উপলব্ধ )

==//==

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ১২৯

উত্তৰ দানৰ তাৰিখ : ১৯-০২-২০২৬

বিষয়: হাইলাকান্দি জেলার দামছড়া উচ্ছেদিত জনগণের সংস্থাপন ।

শ্রীজাকির হুসেন লস্কর, বিধায়ক :

মাননীয় পরিবেশ আৰু বন বিভাগীয় মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কী :

(ক) হাইলাকান্দি জেলার দামছড়ায় উচ্ছেদিত যেসকল ভূমিহীন পরিবার আছে সেই সকল পরিবারকে সংস্থাপন দেওয়ার কোন পরিকল্পনা সরকাবের আছে কী ?

(খ) যদি আছে, তাহলে কবে কি-রকম সংস্থাপন দেওয়া হবে ? তাহা বিস্তারিত জানানোর জন্য অনুবোধ জন্য অনুবোধ করছি ।

উত্তৰ:

পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মহোদয়ে উত্তৰ দিব :

(ক) বনভূমিৰ পৰা উচ্ছেদিত পৰিয়ালক পুনৰ সংস্থাপন কৰা বিষয়টো বন বিভাগৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

(খ) বনভূমিৰ পৰা উচ্ছেদিত পৰিয়ালক পুনৰ সংস্থাপন কৰা বিষয়টো বন বিভাগৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

****

# অসম বিধান সভা

## প্ৰশ্ন নং : ১৩০

### উত্তৰ দিয়াৰ তাৰিখ – ১৯/০২/২০২৬

বিষয়ঃ উদ্যোগ সম্পৰ্কে

সদস্যৰ নামঃ শ্ৰী আবুল কালাম ৰশিদ আলমঃ

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) Matia (Mornai) Growth Industrial Centre, Goalpara ৰ নামত কিমান ভূমি আবন্টন (Land Allotment) দিয়া হৈছে, ইয়াত কিমানটা Industry চলি আছে আৰু কিমানটা বাকী আছে? এই Industry সমূহৰ নাম, তথ্য আৰু তালিকা সহকাৰে জনাব।

(খ) চৰকাৰৰ লগত হোৱা চুক্তি মৰ্মে কাম কৰিছেনে ভংগ কৰিছে। যদি ভংগ কৰিছে সেই Industry সমূহৰ বিৰুদ্ধে কিবা ব্যৱস্থা ল'বনে? যদি নলয়, কিয়? চৰকাৰ আৰু Industry ৰ লগত হোৱা চুক্তিৰ কপিসহ তথ্য সহকাৰে জনাব।

(গ) গোৱালপাৰা জিলাৰ মাটিয়া (মৰনৈ) উদ্যোগিক বিকাশ কেন্দ্ৰত থকা Kahinoor Pulm and Paper Mills ৰ কাম কেতিয়াৰ পৰা আৰম্ভ হৈছিল আৰু কেতিয়া শেষ হোৱাৰ কথা আছিল তথ্য সহকাৰে জনাব।

(ঘ) Kahinoor Pulm and Paper Millsৰ নামত আবন্টন দিয়া ভূমিখিনি বেলেগ কোম্পানীৰ নামত আবন্টন দিয়া হৈছে নেকি? যদি হৈছে, সেই কোম্পানী আৰু চৰকাৰৰ লগত হোৱা চুক্তিৰ প্ৰতিলিপি সদনত তথ্য সহকাৰে জনাব।

(ঙ) এই উদ্যোগসমূহ নিৰ্মাণ কৰাত স্থানীয় শ্ৰমিক, ঠিকাদাৰ আৰু প্ৰতিষ্ঠানক নিয়োগ কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিব নেকি? যদি নকৰে, কিয়? তথ্য সহকাৰে জনাব।

(চ) এই উদ্যোগসমূহৰ নিৰ্মাণ কাৰ্য্যসম্পূৰ্ণ হোৱা বা চলি থকা বিভিন্ন Raw Materials যোগান দিয়াৰ কাৰনে স্থানীয় ব্যক্তি বা প্ৰতিষ্ঠানক নিয়োগ কৰা নহয় নেকি? যদি নহয়, কিয়? তথ্য সহকাৰে জনাব।

## উত্তৰঃ

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰী বিমল বৰাদেৱে উত্তৰ দিবঃ

(ক) অসম চৰকাৰে Industrial Growth Centre, স্থাপন কৰাৰ বাবে অসম উদ্যোগিক উন্নয়ন নিগম (AIDC)ক নামত Matia (Mornai), Goalpara ত ১৬৭২ বিঘা ৪ কঠা ১ লেছা ভূমি (Land Allotment) আৱণ্টন দিয়া হৈছে। ইয়াত মুঠ ২৭ টা Unit ক উদ্যোগ স্থাপনৰ বাবে AIDCয়ে প্ৰয়োজনীয় ভূমি লীজত (Lease) আৱণ্টন দিয়া হৈছে (তালিকা – ১, অসম বিধান সভাৰ বেৱচাইট https://asla.neva.gov.in/ ত আপলোড কৰা হৈছে) । ইয়াৰে ১১ টা উদ্যোগে উৎপাদন আৰম্ভ কৰিছে, বাকী উদ্যোগসমূহে নিৰ্মাণৰ কাম চলাই আছে।

(খ) প্ৰয়োজনীয় ভূমি উদ্যোগ সমূহক আৱণ্টন দিয়াৰ পিছত AIDC আৰু উদ্যোগপতি সমূহৰ মাজত Land Lease Agreement কৰাৰ লগতে Land Lease Agreement ত সন্নিবিষ্ট সকলো দফা মানি চলি কাম কৰিবলৈ কোৱা হয়। যি সকল উদ্যোগপতিয়ে সন্নিবিষ্ট সকলোবিলাক দফা মানি নচলে, সেই সমূহ উদ্যোগৰ বিৰুদ্ধে দফা সমূহত উল্লেখ থকা অনুসাৰে যাৱতীয় ব্যৱস্থা লোৱা হ'ব।

(গ) গোৱালপাৰা জিলাৰ মাটিয়া (মৰনৈ) উদ্যোগিক বিকাশ কেন্দ্ৰত থকা Kahinoor Pulp and Paper Mills ৰ কাম প্ৰথমে ১৫/০৭/২০১০ ৰ পৰা আৰম্ভ হৈছিল। KPPPLএ AIDC'ৰ লগত হোৱা Land Lease Agreement ত সন্নিৱিষ্ট সকলো দফা অনুসৰি কাম নকৰাৰ বাবে AIDCয়ে ভূমি আবণ্টন পত্ৰ ১১/১২/২০১৮ তাৰিখে বাতিল কৰে আৰু ২০/১২/২০১৮ তাৰিখে দখল লোৱাৰ দিন ধাৰ্য্য কৰা হৈছিল। কিন্তু KPPPL ৰ নিৰ্মাণৰ কাম চলি থকা সময়ত আৰ্থিকভাৱে দেউলীয়া হোৱাৰ কাৰণে বিষয়টো NCLT Kolkata Bench ৰ অধীনলৈ যায় আৰু NCLT "The Insolvency and Bankruptcy Code 2016" ৰ মতে AIDC' এ দখল লব পৰা নাই। NCLT ৰ Liquidation প্ৰক্ৰিয়া অনুসৰি M/s Universaltech Paper LLP এ KPPPL. ৰ সম্পত্তি ক্ৰয় কৰিবলৈ Liquidation প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছিল আৰু সেই অনুসৰি সফল নিবিদাকাৰী হৈ পৰে। সেয়েহে লিকুইডেটৰে ১৪/১২/২০২২ তাৰিখে M/s Universaltech Paper LLP ৰ সৈতে বিক্ৰীৰ প্ৰমাণপত্ৰত দস্তখত কৰে।

এই প্ৰক্ৰিয়া শেষ হোৱাৰ পাছত M/s Universaltech Paper LLP এ Kohinoor Pulp & Paper Pvt Ltd (KPPPL) নামেৰে উদ্যোগ স্থাপন কৰিছে। KPPPL নামৰ উদ্যোগটোৰ নিৰ্মানকাৰ্য্য ২০/০১/২০২৪ ত আৰম্ভ হৈছে । ইয়াতে উল্লেখ কৰিব পাৰি যে Kohinoor Pulp & Paper Pvt Ltd (KPPPL), এটা বৃহৎ উদ্যোগ হিচাপে, বিগত ১৮ মে' ২০২৫ তাৰিখে অসম চৰকাৰৰ লগত বুজা বুজি চুক্তিত স্বাক্ষৰ কৰিছে আৰু ৯৮১.২৬ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি দিছে। বুজা বুজি চুক্তিত উল্লেখ থকা অনুসৰি উদ্যোগটোৱে চুক্তি সম্পন্ন হোৱাৰ ৩৬ মাহৰ ভিতৰত বাণিজ্যিক উৎপাদন আৰম্ভ কৰিব।

(ঘ) Kahinoor Pulp and Paper Mills ৰ নামত আৱন্টন দিয়া ভূমিখিনি বেলেগ কোম্পানীৰ নামত আৱণ্টন দিয়া হোৱা নাই।

(ঙ) উদ্যোগিক বিকাশ কেন্দ্ৰত স্থাপন হোৱা উদ্যোগ বিলাকৰ নিৰ্মাণ কাৰ্য্যৰ লগত বিভাগ বা AIDC জড়িত নহয়। কিন্তু ইয়াত উল্লেখ কৰিব পাৰি যে চলিত যোগ্য উদ্যোগ বিলাকে উৎপাদন প্ৰক্ৰিয়াত স্থানীয় যুৱক যুৱতী নিয়োগ কৰিলে, চৰকাৰী উদ্যোগিক নীতি অনুযায়ী চাকৰি সৃষ্টি কৰিলে, উক্ত উদ্যোগে ৰাজসাহাৰ্য্য লাভ কৰে।

(চ) গোৱালপাৰা জিলাত স্থাপন হোৱা বিভিন্ন উদ্যোগৰ নিৰ্মান কাৰ্য্য আদিত সাধাৰণতে স্থানীয় ভাবে পোৱা কেঁচামাল ব্যৱহাৰ হোৱা দেখা পোৱা যায়। উদ্যোগ এটা স্থাপন কৰিবলৈ প্ৰাৰম্ভিক অবস্থাত প্ৰয়োজনীয় বালি, শিল, ইটা, চিমেন্ট, বাঁহ, কাঠ আদি সামগ্ৰী স্থানীয় ভাবেই সংগ্ৰহ কৰা হয়। ফলশ্ৰুতিত স্থানীয় উদ্যমী, উৎপাদক সকল, সংগ্ৰাহক তথা ক্ষুদ্ৰ ব্যৱসায়ী সকল আৰ্থিকভাবে লাভান্বিত হৈছে।

এই ক্ষেত্ৰত উদ্যোগ, গৃহ আদিৰ বাবে প্ৰয়োজনীয় নিৰ্মাণ শ্ৰমিক, মিস্ত্ৰী, লডিং আনলডিং কৰা লোক, পৰিবহণ ব্যৱসায়ী হিচাপে স্থানীয় লোকসকলেই নিয়োজিত হৈছে। একেদৰে শ্বেড নিৰ্মানৰ বাবে স্থানীয় ভাৱে উপলব্ধ কেঁচা মাল ব্যৱহাৰৰ ফলত উদ্যোগী সকলৰ কেৱল ব্যয় হ্ৰাসেই নহয়, স্থানীয় লোকসকলৰ অৰ্থনৈতিক অংশগ্ৰহণো বৃদ্ধি পায় আৰু ই গ্ৰাম্য অৰ্থনীতি সবলীকৰণতো গুৰুত্বপূৰ্ণ ভূমিকা লৈছে।

উদ্যোগ সমূহৰ বাবে প্ৰয়োজনীয় নিৰ্মাণ কাৰ্যৰ বাবে ব্যৱহৃত কেঁচামালে গোৱালপাৰা জিলাৰ অৰ্থনীতিক বিভিন্ন ধৰণে উপকৃত কৰিছে। স্থানীয়ভাবে এক যোগান শৃংখলা গঢ়লৈ উঠিছে আৰু কৰ্মসংস্থাপন সৃষ্টি তথা স্থানীয় লোকৰ আয় বৃদ্ধি হৈছে।

**********

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ১৩১

উত্তৰ দানৰ তাৰিখ : ১৯-০২-২০২৬

বিষয়: বালিচৰত নদী খনন সম্পৰ্কে

শ্ৰীআশ্ৰাফুল হুছেইন, বিধায়ক :

মাননীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নৱ গঠিত চেঙা সমষ্টিৰ বৰপেটা ৰাজহ চক্ৰ আৰু বৰপেটা থানা এলেকাধীন গৰাইমাৰী হাবি গাঁৱত ব্ৰহ্মপুত্ৰৰ বালিচৰত নদী খনন কৰি বালি বিক্ৰী চলি থকা কথাটো চৰকাৰৰ জ্ঞাতনে ? কুৰেৰীটো বছৰত কিমান টকাত কাক দিয়া হৈছে ? এই সংক্ৰান্তত যাৱতীয় নথি দাখিল কৰিব ।

(খ) বৰপেটা জিলাৰ চেঙা ৰাজহচক্ৰ আৰু কাছুমাৰা থানা এলেকাধীন পামপাৰা গাঁৱত অবৈধ বালি খনন সম্পৰ্কে চৰকাৰ জ্ঞাত নে ? এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ? পামপাৰা বা নিকটৱৰ্তী কামৰূপ জিলাত বালি খনন কৰিবলৈ বিভাগৰ কিবা অনুমতি কোনোবাই লাভ কৰিছে নে ? যদি কৰিছে, বিতংকৈ জনাব ।

উত্তৰ:

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মহোদয়ে উত্তৰ দিব :

ক আৰু খ প্ৰশ্নৰ উত্তৰ :

কামৰূপ বন সংমণ্ডলৰ অধীনত বৰপেটা জিলাৰ গৰাইমাৰী হাবি গাঁৱত কোনো ধৰণৰ বালি খননৰ অনুমতি দিয়া হোৱা নাই। বৰপেটা জিলাৰ চেঙা ৰাজহচক্ৰ আৰু কাছুমাৰা থানা এলেকাধীন পামপাৰা বা নিকটৱৰ্তী এলেকাত কোনো ধৰণৰ বালি খননৰ অনুমতি দিয়া হোৱা নাই। অবৈধ বালি খনন ৰোধ কৰাৰ বাবে উত্তৰ কামৰূপ বন সংমণ্ডলৰ তহলদাৰী দলে পহৰা দি আছে। ২০২৫-২৬ বৰ্ষত বৰ্তমানলৈ বৰপেটা জিলাত অবৈধ শিল বালি কঢ়িয়াওৱা মুঠ ২৩খন গাড়ী জব্দ কৰি বনগোচৰ ৰুজু কৰা হৈছে আৰু ১৫৫ ঘনমিটাৰ শিল বালি জব্দ কৰি মুঠ ৬,০০,৪০০.০০ টকা ৰাজহ আদায় কৰা হৈছে।

****

# অসম বিধান সভা

## তৰাবিহীন প্ৰশ্ন নং ১৩২

## উত্তৰ দিয়াৰ তাৰিখ -১৯/০২/২০২৬

**বিষয়ঃ** DDU Model Degree College Katlicherra.

**শ্ৰী সুজাম উদ্দিন লস্কৰ, মাননীয় বিধায়ক**

মাননীয় উচ্চ শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কিঃ

(ক) DDU Model Degree College Katlicherra ২০২০ ইংরেজীর আগষ্ট মাস থেকে জামিরা হাইস্কুলে পাঠদানের বিষয়ে সরকার অবগত আছে কি না ?

(খ) বর্তমানে ৪৯০ ছাত্র-ছাত্রীর পড়াশোনার জন্য পর্যাপ্ত পরিমাণে শ্রেণী কক্ষ না থাকার বিষয়ে সরকার অবগত আছে কি ?

(গ) যদি অবগত থাকে, তবে সরকার পক্ষ থেকে অতিরিক্ত শ্রেণী কক্ষ নির্মাণের পরিকল্পনা আছে কি?

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী শ্ৰী ৰণোজ পেগু মহোদয়ে মহোদয়ে উত্তৰ দিব :

(ক) জামিৰা হাইস্কুলত ডি.ডি.ইউ.মডেল ডিগ্ৰী কলেজ, কাটলিচেৰাত পাঠদান চলি থকা সংক্ৰান্তত উচ্চ শিক্ষা বিভাগ অৱগত।

(খ) জামিৰা হাইস্কুলত ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ বাবে পৰ্যাপ্ত শ্ৰেণীকোঠাৰ অভাৱৰ বিষয়ে উচ্চ শিক্ষা বিভাগ জ্ঞাত। কলেজ কৰ্তৃপক্ষই জামিৰা হাইস্কুলত উপলব্ধ কোঠাত ৪৯০ গৰাকী ছাত্ৰ-ছাত্ৰীক খাপ খুৱাই লৈ পাঠদান নিয়াৰিকৈ কৰি আছে।

(গ) গড়কাপ্তানি গৃহ (স্বাস্থ্য আৰু শিক্ষা) বিভাগে অৱগত কৰা অনুসৰি ডি.ডি.ইউ.মডেল ডিগ্ৰী কলেজ নিৰ্মাণৰ হেতু কৌটি টকাৰ DPR প্ৰস্তুত কৰা হৈছে আৰু বিষয়টো চৰকাৰৰ অনুমোদনৰ বাবে বিবেচনাধীন হৈ আছে ।

*** এই উত্তৰৰ লগতে পৰিশিষ্ট 'নথি সংলগ্ন', অসম বিধানসভাৰ ৱেবচাইট 'www.cms.neva.gov.in' ত আপল'ড কৰা হৈছে।

****************************************************

# অসম বিধান সভা

**লিখিত প্ৰশ্ন নং : ১৩৩**

**উত্তৰ দিয়াৰ তাৰিখ – ১৯/০২/২০২৬**

**বিষয়ঃ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ স্থাপন** **সদস্যৰ নামঃ ড° অমিয় কুমাৰ ভূঞা**

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নতুনকৈ উদ্যোগীকৰণ আৰু নতুন নতুন বাণিজ্য কেন্দ্ৰ স্থাপন কৰিবলৈ কি কি আঁচনি ৰূপায়ণ কৰি থকা হৈছে?

(খ) বাহিৰৰ পৰা উদ্যোগ স্থাপন কৰিবলৈ অহা বিনিয়োগকাৰী সকলক চৰকাৰী উদ্যোগ পামসমূহলৈ উদ্যোগীকৰণৰ বাবে পঠাব নোৱাৰি নেকি? যদি পাৰে, তেনেকুৱা পদক্ষেপ গ্ৰহণ কৰা হৈছে নেকি? যদি হৈছে, বিতংভাৱে জনাব।

**উত্তৰঃ**

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়া দেৱে উত্তৰ দিবঃ

(ক) উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে নতুনকৈ উদ্যোগীকৰণ কৰিবলৈ বিভিন্ন আঁচনি ৰূপায়ণ কৰি আছে। এই আঁচনিবোৰৰ জৰিয়তে সুক্ষ্ম উদ্যোগ আৰু বৃহৎ উদ্যোগ অসমত স্থাপন হয় আছে। নিম্ন লিখিত আঁচনিবোৰে উদ্যোগীসকলক সহায় কৰি আছে-

1. অসম চৰকাৰৰ আঁচনি সমূহ-
    1. Chief Minister Atmanirbhar Asom Abhijan
    2. Industrial & Investment Policy of Assam (amended) 2023
    3. Maintenance, Repair and Overhaul (MRO) Policy of Assam, 2025
    4. Assam Electronics System Design & Manufacturing Policy 2025
    5. Assam Electronics Components Manufacturing Top-Up Scheme 2025
    6. Assam Aerospace & Defence Manufacturing Policy 2025
    7. Assam Startup & Innovation Policy 2025
    8. Assam Textile & Apparel Policy 2025

9. Assam Integrated Clean Energy Policy 2025
10. Assam Pharmaceutical and Medical Device Policy 2025
11. Assam Biotech Policy, 2022
12. Assam Tourism Policy, 2022
13. Assam Logistics & Warehousing Policy, 2022
14. Assam Ethanol Production Promotion Policy, 2021

2. ভাৰত চৰকাৰৰ আঁচনি সমূহ-

1. Uttar Poorva Transformative Industrialization Scheme (UNNATI, 2024)
2. Prime Minister's Employment Generation Programme (PMEGP)
3. Pradhan Mantri Formalisation of Micro Food Processing Enterprises Scheme (PMFME)
4. PM Vishwakarma Scheme etc.

(খ) বাহিৰৰ পৰা উদ্যোগ স্থাপন কৰিবলৈ অহা বিনিয়োগকাৰী সকলক চৰকাৰী উদ্যোগ পামসমূহলৈ উদ্যোগীকৰণৰ বাবে পঠাব পাৰি আৰু তেনেকুৱা পদক্ষেপ গ্ৰহণ কৰা হৈছে।

বিনিয়োগকাৰী সকলক ব্যৱসায় স্থাপন বা সম্প্ৰসাৰণৰ বাবে প্ৰয়োজনীয় অনুজ্ঞাপত্ৰ (licenses), অনুমতি আৰু অন্যান্য অনুমোদনসমূহ লাভ কৰাৰ প্ৰক্ৰিয়া সহজ কৰি তুলিবলৈ **'অসম ইজ অব্ ডুইং বিজনেছ এক্ট ২০১৬'** (Assam Ease of Doing Business Act 2016) ৰ অধীনত **একক খিৰিকী ক্লিয়াৰেন্স ব্যৱস্থা** (Single Window Clearance System) প্ৰৱৰ্তন কৰা হৈছে।

# অসম বিধান সভা

## তৰাবিহীন প্ৰশ্ন নং -১৩৪

## উত্তৰ দিয়াৰ তাৰিখ – ১৯-০২-২০২৬

## বিষয়ঃ শিক্ষক-কৰ্মচাৰীৰ অনুমোদিত পদ আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়

## বিধায়ক: শ্ৰী নিজানুৰ ৰহমান

### প্ৰশ্ন

মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰাজ্যৰ নিম্ন, উচ্চ, উচ্চতৰ আৰু মহাবিদ্যালয়সমূহত অনুমোদিত শিক্ষক-কৰ্মচাৰীৰ অনুমোদিত পদ কিমান আৰু কিমান পদ এতিয়াও খালী হৈ আছে? বিতংকৈ জনাব।

খ) ৰাজ্যৰ কিমান নিম্ন, উচ্চ, উচ্চতৰ আৰু মহাবিদ্যালয়ত বিদ্যুৎ আৰু ইন্টাৰনেট সংযোগ নাই? পৃথকৈ পৃথককৈ জনাব।

গ) শিক্ষাৰ অধিকাৰ আইনৰ অধীনত ৰাজ্যৰ ব্যক্তিগত খণ্ডৰ কোন কোন বিদ্যালয়ত দুখীয়া শিক্ষাৰ্থীৰ বাবে ২৫% আসন সংৰক্ষিত কৰা হৈছে? তাৰ তালিকা দাখিল কৰিব।

ঘ) বিদ্যালয় একত্ৰীকৰণ ব্যৱস্থাৰ অধীনত এতিয়ালৈকে কি কি ব্যৱস্থা লোৱা হ'ল? বিতংকৈ জনাব। বৰ্তমানে কিমান বিদ্যালয় একত্ৰীকৰণ কৰিবলৈ বাকী আছে? একত্ৰীকৰণ হোৱা আৰু বাকী থকা বিদ্যালয়ৰ তালিকা সদনত দাখিল কৰিব।

ঙ) ৰাজ্যৰ উচ্চ, উচ্চতৰ আৰু মহাবিদ্যালয়সমূহত বিজ্ঞান, কলা আৰু বাণিজ্য শাখাত কিমান শিক্ষকৰ পদ খালী হৈ আছে? জনাব। এই সন্দৰ্ভত শিক্ষানুষ্ঠানসমূহৰ নামৰ বিপৰীতে খালী হৈ থকা পদৰ তালিকা পৃথকৈ দাখিল কৰিব।

### উত্তৰ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিব:-

**ক)** শিক্ষা বিভাগৰ অন্তৰ্গত প্ৰাথমিক শিক্ষা সঞ্চালকালয়, মাধ্যমিক শিক্ষা সঞ্চালকালয়, উচ্চ শিক্ষা সঞ্চালকালয় আৰু কাৰিকৰী শিক্ষা সঞ্চালকালয়ৰ পৰা পোৱা শিক্ষক-কৰ্মচাৰীৰ অনুমোদিত আৰু খালী হৈ থকা পদৰ তথ্যসমূহ তলত উল্লেখ কৰা হ'ল:-

| Sl. No. | **সঞ্চালকালয়** | **অনুমোদিত পদৰ সংখ্যা** | **খালী হৈ থকা পদৰ সংখ্যা** |
|---|---|---|---|
| 1 | প্ৰাথমিক শিক্ষা সঞ্চালকালয় | ৯৫,৪৬৬ জন | ১৩,৭৫৪ জন |
| 2 | মাধ্যমিক শিক্ষা সঞ্চালকালয় | ৮৫,৪০৫ জন | ১৬,৩৫৬ জন |
| 3 | উচ্চ শিক্ষা সঞ্চালকালয় | ১৫,৫৪৭ জন | ২,০৫৭ জন |
| 4 | কাৰিকৰী শিক্ষা সঞ্চালকালয় | ১১৮৭ জন | ৩৫৩ জন |

**খ) সমগ্ৰ শিক্ষা অভিযান, অসমৰ** পৰা প্ৰাপ্ত তথ্য মতে, UDISE তথ্য আৰু ৰূপায়ণৰ তথ্য অনুসৰি ৰাজ্যৰ বিদ্যুৎ আৰু ইন্টাৰনেট সংযোগবিহীন নিম্ন, উচ্চ, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা তলত দিয়া হৈছে -

| সুবিধা | নিম্ন প্ৰাথমিক বিদ্যালয় | উচ্চ প্ৰাথমিক বিদ্যালয় | উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় |
|---|---|---|---|
| ইন্টাৰনেট সংযোগবিহীন | ৩২,৬১৪ (৯৬.২%)# | ৬০১ (৯.৭%) | ৮৩(১.৭১%) |
| বিদ্যুৎ সংযোগবিহীন## | ৩১৬ (০.৯৩%) | ২০৮ (৩.৩৭%) | ৩৯ (০.৮৪%) |

# নিম্ন প্ৰাথমিক বিদ্যালয়ত তথ্য-প্ৰযুক্তি ব্যৱস্থাৱলী ৰূপায়ণৰ নীতি-নিৰ্দেশনা নাই।

### বিদ্যুৎ সংযোগবিহীন মুঠ ৫৬৩ বিদ্যালয়ৰ ভিতৰত ৪৭৫খন বিদ্যালয় হৈছে "চেলফবেচ বিদ্যালয়"।

আনহাতে, **কাৰিকৰী শিক্ষা সঞ্চালকালয়** আৰু **উচ্চ শিক্ষা সঞ্চালকালয়, অসমৰ** পৰা প্ৰাপ্ত তথ্য মতে, অসমৰ ৭ খন চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয়সমূহক ধৰি আন সকলো চৰকাৰী তথা প্ৰাদেশিকীকৃত মহাবিদ্যালয়ত বিদ্যুৎ আৰু ইন্টাৰনেটৰ সংযোগ আছে।

গ) শিক্ষাৰ অধিকাৰ আইন (RTE), 2009 ৰ ধাৰা 12 (1)(c) অনুসৰি ৰাজ্যৰ বেচৰকাৰী, অনুদান নোপোৱা (Unaided) স্বীকৃত বিদ্যালয়সমূহত তথা বিশেষ শ্ৰেণীৰ বিদ্যালয় (Specified Category Schools) আদিত দুখীয়া আৰু অসুবিধাগ্ৰস্ত (Disadvantaged) গোটৰ শিক্ষাৰ্থীৰ বাবে কমেও ২৫% আসন সংৰক্ষণ কৰাৰ ব্যৱস্থা আছে। এই ২৫% আসন প্ৰথম শ্ৰেণী (Class I) বা প্ৰি-প্ৰাইমাৰী স্তৰত (যদি উপলব্ধ থাকে) ভৰ্তিৰ সময়ত প্ৰযোজ্য হয়। ভৰ্তি হোৱাৰ পাছত শিক্ষাৰ্থীয়ে অষ্টম শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষা লাভ কৰিব। শিক্ষাৰ অধিকাৰ আইন (RTE), ২০০৯ ৰ ধাৰা 12 (1)(c)বাস্তৱায়নৰ বাবে অসম চৰকাৰৰ শিক্ষা বিভাগে সময় সময়ে বিভিন্ন গাইডলাইন/অধিসূচনা জাৰি কৰি আহিছে। সেই সমূহৰ ভিতৰত:-

অধিসূচনা নং PMA.73/2021/47 তাৰিখ ০২ ছেপ্টেম্বৰ, ২০২১ৰ জৰিয়তে কোনবোৰ বিদ্যালয় এই ব্যৱস্থাপনাৰ অন্তৰ্ভূক্ত হব তথা কি কি চৰ্তাৱলী প্ৰযোজ্য হব, সেই সম্পৰ্কে আইনী, সামাজিক আৰু কাৰ্যকৰী নিৰ্দেশনা প্ৰদান কৰা হৈছে। তদুপৰি, কোন কোন শিক্ষাৰ্থী এই আইনৰ জৰিয়তে উপকৃত হব, সেই সম্পৰ্কেও স্পষ্ট ব্যাখ্যা আগবঢ়োৱা হৈছে । ইয়াৰ বাহিৰেও, অধিসূচনা নং E-437097/4 তাৰিখ ২১-০২-২০২৫ যোগে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ আয়ৰ সীমা নিৰ্দ্ধাৰন কৰি দিয়া হৈছে।

এই অধিসূচনাসমূহ অনুসৰি, বেচৰকাৰী, অনুদান নোপোৱা (Unaided) স্বীকৃত বিদ্যালয়, অনা-সংখ্যালঘু শিক্ষানুষ্ঠান তথা বিশেষ শ্ৰেণীৰ বিদ্যালয় (Specified Category Schools) আদিত আৰ্থিকভাৱে দুৰ্বল শ্ৰেণী (EWS), অসুবিধাগ্ৰস্ত গোট (Disadvantaged Group) যেনে –SC/ST, অনাথ শিশু, বিশেষ সক্ষমতা থকা শিশু, লগতে অন্যান্য চৰকাৰীভাৱে নিৰ্ধাৰিত গোট সমূহৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ২৫% আসন সংৰক্ষণ কৰা হৈছে। তদুপৰি, শিক্ষাৰ অধিকাৰ আইন (RTE), ২০০৯ ৰ ধাৰা 12(1)(c)ৰ অধীনত নামভৰ্তি কৰিব লগা ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ আয়ৰ সীমা প্ৰতি মাহ উৰ্দ্ধতম ১২০০০(বাৰ হাজাৰ) নিৰ্ধাৰণ কৰি ২১-০২-২০২৫ তাৰিখে অধিসূচনা জাৰি কৰা হৈছে।

উল্লেখ থাকে যে শিক্ষাৰ অধিকাৰ আইন (RTE), 2009 ৰ ধাৰা 12(1)(c)ৰ ফলপ্ৰসূ প্ৰয়োগ সুনিশ্চিত কৰাৰ বাবে, ৰাজ্যৰ মাতৃভাষা মাধ্যমৰ বেচৰকাৰী/ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ তথ্যসমূহ পঞ্জীয়ন কৰাৰ বাবে ইতিমধ্যে এটি অনলাইন পটেল https://rte-ssa.assam.gov.inমুকলি কৰি দিয়া হৈছে। স্কুলসমূহে এই অনলাইন RTE Portal (https://rte-ssa.assam.gov.in) ত নিজা নাম পঞ্জীয়ন কৰিব লাগিব আৰু ইচ্ছুক যোগ্যতাসম্পন্ন (eligible) ছাত্ৰ-ছাত্ৰীয়ে সেই প'ৰ্টেলৰ জৰিয়তে আবেদন কৰিব। এই তথ্যসমূহৰ পুনৰীক্ষণ তথা সত্যতা নিৰূপণৰ পাছত নিয়মানুযায়ী বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**ঘ) প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ** পৰা প্ৰাপ্ত তথ্য মতে, বিদ্যালয় একত্ৰীকৰণ(Amalgamation) ব্যৱস্থাৰ অধীনত অসম চৰকাৰে জাৰি কৰা "Siksha khetra" আচনিৰ office Memorandum No. ASE 481/2016/164, dtd. 03/08/2021 মৰ্মে আৰু অসম চৰকাৰে জাৰি কৰা "Siksha khetra" আচনি ৰ সংশোধনী (AMENDMENT) ৰ অধিসূচনা eCF No. 625938/318, dtd. 13-03-2025 মতে এতিয়ালৈ প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত ৫৫০৬ থন বিদ্যালয় একত্ৰীকৰণ (Amalgamation) কৰা হৈছে, যত ৫৩৬৭ থন নিম্ন প্ৰাথমিক বিদ্যালয় আৰু ১৩৯ থন উচ্চ প্ৰাথমিক বিদ্যালয় একত্ৰীকৰণ কৰা হৈছে | এই আচনিৰ অধীনত সময়ে সময়ে জিলা প্ৰাথমিক শিক্ষা বিষয়া সমূহৰ পৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি দাখিল কৰা প্ৰস্তাবৰ ভিত্তিত আৰু চৰকাৰৰ অনুমোদন সাপেক্ষে একত্ৰীকৰণৰ প্ৰক্ৰিয়াটো সম্পন্ন কৰা হয়।

**মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসমৰ** পৰা প্ৰাপ্ত তথ্য মতে, অসম চৰকাৰৰ Office Memorandum No. ASE. 481/2016/164, dtd. 03.08.2021ৰ মৰ্মে বিদ্যালয় একত্ৰীকৰণ ব্যৱস্থাৰ অধীনত এতিয়ালৈকে সমতল অঞ্চলৰ জিলাৰ (Plain Area Districts) ১০১৮(সম জিলা)বিদ্যালয় একত্ৰীকৰণ কৰা হল |

বিদ্যালয় একত্ৰীকৰণ এক নিৰন্তৰ চলি থকা প্ৰক্ৰিয়া। অসম চৰকাৰৰ ০৩.০৮.২০২১ তাৰিখৰ কাৰ্যালয় স্মাৰক নং ASE.481/2016/164 মৰ্মে প্ৰয়োজন সাপেক্ষে জিলাসমূহৰ পৰা পঠিওৱা প্ৰস্তাৱ অনুযায়ী বিদ্যালয় একত্ৰীকৰণৰ ব্যৱস্থা হাতত লোৱা হয়।

একত্ৰীকৰণ হোৱা বিদ্যালয়সমূহৰ তালিকা **পৰিশিষ্ট "ক"**ত সংলগ্ন কৰা হ'ল।

**ঙ) মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসমৰ** পৰা প্ৰাপ্ত তথ্য মতে, ৰাজ্যৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত বিজ্ঞান, কলা আৰু বাণিজ্য শাখাত সৰ্বমুঠ ১০১২৭ জন শিক্ষকৰ পদ খালি হৈ আছে।

আনহাতে, **উচ্চ শিক্ষা সঞ্চালকালয়, অসমৰ** পৰা প্ৰাপ্ত তথ্য মতে, মহাবিদ্যালয়সমূহত বিজ্ঞান, কলা আৰু বাণিজ্য শাখাত খালি থকা পদৰ সংখ্যা ১০৩৮ জন।

শিক্ষানুষ্ঠানসমূহৰ নামৰ বিপৰীতে খালি হৈ থকা পদৰ তালিকা **পৰিশিষ্ট "খ"**ত সংলগ্ন কৰা হল।

*****

**বি:দ্ৰ.** উত্তৰসমূহ অসম বিধানসভাৰ ৱেবছাইট **'www.cms.neva.gov.in'**ত আপল'ড কৰা হৈছে।

**অসম বিধান সভা**

**লিখিত প্ৰশ্ন নং : ১৩৫**

**উত্তৰ দিয়াৰ তাৰিখ – ১৯/০২/২০২৬**

**বিষয়ঃ Advantage Assam 2.0 তে মোট কত টাকা বিনিয়োগ হয়েছে সম্পৰ্কিত।** **সদস্যৰ নামঃ শ্ৰী কমলাক্ষ দে পুৰকায়স্থঃ**

১৩৫। মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে কীঃ

ক) Advantage Assam 2.0 তে মোট কত টাকা বিনিয়োগ হয়েছে এবং তাতে কী ধরনের পরিকল্পনা নেওয়া হয়েছে? তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

খ) বরাক উপত্যকার বেকার সমস্যা দূরীকরণে Advantage Assam 2.0 এ কী ধরনের পদক্ষেপ গ্রহণ করা হয়েছে? তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

গ) পাঁচগ্রাম পেপার মিলের অপরিত্যক্ত জমি AIDC ক্রয় করার পর Industry স্থাপনের জন্য কী কী পরিকল্পনা নেওয়া হয়েছে? এবং ইদানীং কালে কী কী Industry নির্মানের কাজ চলছে এবং আরোও কী কী Industry এর কাজ হবে এবং তাতে কত সংখ্যক কর্মসংস্থান সৃষ্টি হবে?

ঘ) পাঁচগ্রামে নতুন করে Industry স্থাপন করে উক্ত এলাকাকে Industrial Hub করার জন্য সরকার কী ধরনের পদক্ষেপ গ্রহণ করেছেন? তাহা সদনে প্রকাশ করার জন্য অনুরোধ করছি।

ঙ) বদরপুর Industrial Estate Lease কবে এবং কাকে দেওয়া হয়েছে? এখানে কী কী Industry হয়েছে তাতে কতজন যুবক যুবতী উপকৃত হয়?

চ) হিলাড় ষ্টার সিমেন্ট Factory তে এখন পর্যন্ত কতজন Local মানুষ চাকুরি পেয়েছে? কবে এই Plant এর কাজ শেষ হবে এবং শেষ হওয়ার পর কতজনকে কর্মসংস্থান করে দেওয়া হবে?

**উত্তৰঃ**

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়াদেৱে উত্তৰ দিবঃ

ক) Advantage Assam 2.0 – Investment and Infrastructure Summit পৰা মুঠ বিনিয়োগৰ পৰিমাণ হৈছে ৫,১৮,২৯৫ কোটি টকা ইয়াৰ ভিতৰত Advantage Assam 2.0 আৰু জিলা পৰ্যায়ত স্বাক্ষৰিত বুজাবুজি চুক্তি, ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ৰ আন্তঃগাঁথনি ঘোষণা আৰু শীৰ্ষস্থানীয় উদ্যোগীসকলৰ অতিৰিক্ত বিনিয়োগৰ প্ৰতিশ্ৰুতি অন্তৰ্ভুক্ত আছে।

Advantage Assam 2.0 জৰিয়ত ৰাজ্যভিত্তিক মুঠ ২৯৭ খন MoU স্বাক্ষৰিত হৈছে, যাৰ বিনিয়োগৰ পৰিমাণ ২৭৭৪৩৮.৯৭ কৌটি টকা। বিভাগভিত্তিক বিনিয়োগৰ দ্বিখণ্ডন আৰু বিনিয়োগকাৰীৰ তালিকা পৰিশিষ্ট-‘ক’ ত সংলগ্ন কৰা হ’ল।

তাৰোপৰি, Advantage Assam 2.0 ৰ অধীনত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰসমূহৰ সৈতে মুঠ ২৬৭৮ খন বিনিয়োগৰ বুজাবুজি চুক্তি (MoU) স্বাক্ষৰিত হৈছে। এই চুক্তিসমূহৰ জৰিয়তে ৭১২২.২৬ কৌটি টকা বিনিয়োগৰ প্ৰস্তাৱ লাভ কৰা গৈছে।

উক্ত MoU সমূহ বিভিন্ন খণ্ড যেনে উদ্যোগ, সেৱা, লজিষ্টিকছ আদি ক্ষেত্ৰত উদ্যোগ স্থাপন আৰু সম্প্ৰসাৰণৰ উদ্দেশ্যে স্বাক্ষৰিত হৈছে।

খ) Advantage Assam 2.0 বিনিয়োগ প্ৰস্তাৱে সমগ্ৰ ৰাজ্যজুৰি নতুন নিয়োগৰ সৃষ্টি কৰিব। এই প্ৰস্তাৱসমূহ যদি সফলভাৱে বাস্তৱায়িত হয় আৰু উদ্যোগসমূহ, বিশেষকৈ বৰাক উপত্যকা অঞ্চলত নিজৰ প্ৰতিষ্ঠান স্থাপন কৰে, তেন্তে এই অঞ্চলত থকা নিবনুৱা সমস্যা হ্ৰাস কৰাৰ লগতে বিভিন্ন নতুন সুযোগ সৃষ্টি হ'ব।

উল্লেখযোগ্যভাৱে, কাছাৰ জিলাৰ হিলাৰাত Star Cement কোম্পানীয়ে ৬৪০.৬৯ কোটি টকা বিনোয়োগেৰে চিমেন্ট উৎপাদনৰ বাবে উদ্যোগ স্থাপনৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত আৰু শীঘ্ৰে ইয়াত উৎপাদন আৰম্ভ হব।' এই বিনিয়োগৰ জৰিয়তে মুঠ ৬৫০ জন যুৱক যুৱতীৰ কৰ্মসংস্থাপনৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে।

গ) অসম চৰকাৰৰ হৈ, অসম ঔদ্যোগিক উন্নয়ন নিগমে (AIDC), HPCL(লিকুইডেটেড)ৰ অধিগ্ৰহণ কৰাৰ পাছত ২,৯১৬ বিঘা ভূমি নিজৰ দখললৈ লৈছে। এই মুঠ মাটিকালিৰ প্ৰায় ২,০৯৮ বিঘা ভূমি পূৰ্বৰ কাছাৰ পেপাৰ মিলৰ টাউনশ্বিপ এলেকাৰ অন্তৰ্গত। টাউনশ্বিপ এলেকাত জৰা-জীৰ্ণ হৈ পৰা আন্তঃগাঁঠনি বিলোপ কৰি উদ্যোগিক ব্যৱহাৰৰ বাবে উপযোগী কৰি তোলাৰ কাম চৰকাৰে ইতিমধ্যে সম্পূৰ্ণ কৰিছে। পৰ্যায়ক্ৰমে, street Light , ৰাস্তা, নলা, ট্ৰাক পাৰ্কিং স্থান, বিদ্যুৎ কেন্দ্ৰ আদিৰ দৰে সাধাৰণ আন্তঃগাঁথনিৰ বিকাশৰ কাম আৰম্ভ কৰা হৈছে।

পাঁচগ্ৰামত নিৰ্মাণাধীন উদ্যোগ আৰু স্থাপন হ'বলগীয়া উদ্যোগসমূহ পৰিশিষ্ট –'খ' ত সংলগ্ন কৰা হ'ল।

ঘ) বৰাক উপত্যকাৰ পঞ্চগ্ৰামত পূৰ্বৰ কাছাৰ কাগজ কলৰ (CPM) এলেকাত এটা মেগা উদ্যোগ স্থাপনৰ প্ৰক্ৰিয়া চলি আছে। পঞ্চগ্ৰামত নতুন উদ্যোগৰ বাবে ভূমি আৱণ্টনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু ইয়াৰ বিতং তথ্য পৰিশিষ্ট –'গ' ত সংলগ্ন কৰা হ'ল।

ঙ) বদৰপুৰ Industrial Estate ৰ মাটি/ উদ্যোগ গৃহ আৱণ্টন দিয়া উদ্যোগী প্ৰতিস্থান সমূহৰ তালিকা পৰিশিষ্ট 'ঘ' ত সংলগ্ন কৰা হল। উক্ত Industrial Estate ত প্ৰায় ২২৯ জন যুৱক -যুৱতী উপকৃত হৈছে।

চ) উপলব্ধ তথ্য অনুসৰি, কাছাৰৰ হিলাৰাত অৱস্থিত Star Cement NE Limited ৰ প্ৰস্তাৱিত উদ্যোগত প্ৰত্যক্ষ ৩০০ জনক আৰু পৰোক্ষ ৩৫০ জনক নিযুক্তিৰ সম্ভাৱনা আছে।

Assam Industrial and Investment Policy, অনুসৰি, ব্যৱস্থাপনা (Managerial) শ্ৰেণীৰ ৮০% আৰু অব্যৱস্থাপনা (Non-Managerial) শ্ৰেণীৰ ৯০% কৰ্মচাৰী অসমৰ বাসিন্দা হ'ব লাগিব বুলি নিৰ্ধাৰিত আছে। নিয়োগৰ প্ৰকৃত তথ্য বাণিজ্যিক উৎপাদন আৰম্ভ হোৱাৰ পাছতহে পোৱা যাব।

(পৰিশিষ্ট "ক", পৰিশিষ্ট "খ", পৰিশিষ্ট "গ" আৰু পৰিশিষ্ট "ঘ" অসম বিধান সভাৰ বেৱছাইট https://asla.neva.gov.in/ত আপলোড কৰা হৈছে।)

********

**ASSAM LEGISLATIVE ASSEMBLY**
**UNSTARRED QUESTION No. 136**
**Date of Reply: 19/02/2026**

Sub : Food-processing and agro-based industries in Cachar district.
Name of MLA : Shri. NIHAR RANJAN DAS :

136. Will the Hon'ble Minister of Industries, Commerce and Public Enterprises Department be pleased to state :

a) Please furnish the number of food-processing and agro-based industrial units sanctioned or operational in Cachar district during the last three years ;
b) Please furnish the employment generated for residents of the Dholai vidhansabha Constituency ;
c) Whether any incentives and policy support extended by the Government to promote such industries in Barak Valley ?

**Answers**

Shri Bimal Borah, Hon'ble Minister of Industries, Commerce & Public Enterprises, Assam will reply:

a) As per Udyam Registration, at present 6,187 nos. of MSMEs exist in Cachar district. Besides this, a total of 376 numbers of credit-linked food processing and agro-based industrial units have been sanctioned by banks in Cachar district during the last three financial years with an amount of Rs. 477.51 lakhs. Out of this, 334 numbers are disbursed by the banks with Rs. 413.64 lakhs.
b) A total of 31,627 number of employment have been reported under Udyam Registration as on date for food processing and agro Industries in Cachar District. However, there is no specific data available for Dholai Vidhansabha Constituency.
c) There are various schemes/ policies to promote such industries in the state including Barak Valley-
    - Chief Minister Atmanirbhar Asom Abhijan (CMAAA)
    - Industrial & Investment Policy of Assam (amended), 2023
    - Maintenance, Repair and Overhaul (MRO) Policy of Assam, 2025
    - Assam Electronics System Design & Manufacturing Policy, 2025
    - Assam Electronics Components Manufacturing Top-Up Scheme, 2025
    - Assam Aerospace & Defence Manufacturing Policy, 2025
    - Assam Startup & Innovation Policy, 2025
    - Assam Textile & Apparel Policy, 2025
    - Assam Integrated Clean Energy Policy, 2025
    - Assam Pharmaceutical and Medical Device Policy, 2025
    - Assam Biotech Policy, 2022
    - Assam Tourism Policy, 2022
    - Assam Logistics & Warehousing Policy, 2022
    - Assam Ethanol Production Promotion Policy, 2021

(cont....)

- Uttar Poorva Transformative Industrialization Scheme (UNNATI, 2024)
- Prime Minister's Employment Generation Programme (PMEGP)
- Pradhan Mantri Formalisation of Micro Food Processing Enterprises Scheme(PMFME)
- PM Vishwakarma Scheme etc.

*****

**অসম বিধানসভা**

**তৰা বিহীন প্ৰশ্ননং- ১৩৭**

**উত্তৰ দানৰ তাৰিখ :১৯-০২-২০২৬**

**বিধায়কৰ নামঃ-- শ্ৰীযুত খলিল উদ্দিন মজুমদাৰ**
**বিষয়ঃ-TCR নিয়োগ প্ৰক্ৰিয়াত GT (Maths) শিক্ষক পদে যোগ্যতা নিৰ্ধাৰণে অসংগতি প্ৰসংগে**

**প্ৰশ্নঃ**

মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কী:

(ক) সরকার কি অবগত আছেন যে বর্তমান TCR নিয়োগ প্রক্রিয়ায় এমন প্রার্থী রয়েছেন,যাঁদেরMathematics বিষয়ে Post Graduation (PG) রয়েছে এবং Graduation স্তরে Maths Pass Subject হিসেবে পড়া সত্ত্বেও(Maths Honoursনা থাকায়) তাঁরা High School স্তরের GT (Maths) শিক্ষক পদে আবেদন করতে অযোগ্য বিবেচিত হচ্ছেন?

(খ) সরকার কী সদয়ভাবে জানাবেন যে, যখন একজন প্রার্থী Higher Secondary স্তরে PGT (Maths) হিসাবে পাঠদানে যোগ্য বিবেচিত হন, তখন একই যোগ্যতা থাকা সত্ত্বেও তাঁকে High School স্তরে Maths (GT) পড়ানোর ক্ষেত্রে অযোগ্য ঘোষণা করার যুক্তিসংগত কারণ কী?

(গ) সরকার কী একমত যে Higher Secondary স্তরের পাঠ্যক্রম High School স্তরের তুলনায় অধিকতর উন্নত, এবং সেই কারণে PG (Maths) যোগ্যতা সম্পন্ন শিক্ষক High School স্তরে পাঠদানে সক্ষম?

(ঘ) আগামী TCR 2.0- এ কী সরকার PG (Maths) যোগ্যতা সম্পন্ন প্রার্থীদের GT (Maths) পদে আবেদন করার সুযোগ দেওয়ার জন্য নিয়োগ বিধি সংশোধনের বিষয়টি বিবেচনা করছে? যদি করে থাকে, তার বিবরণ কী?

**উত্তৰঃ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিবঃ

(ক) এজন প্ৰাৰ্থী যাৰ গণিতত স্নাতকোত্তৰ (PG) ডিগ্ৰী আছে আৰু স্নাতক পৰ্যায়ত গণিত এটা বিষয় হিচাপে (পাঠ্য) আছিল, তেনে প্ৰাৰ্থীক TCR নিযুক্তি প্ৰক্ৰিয়াত হাইস্কুল পৰ্যায়ৰ GT (Maths) শিক্ষক পদৰ বাবে অযোগ্য বুলি গণ্য কৰা হোৱা নাই। বৰঞ্চ, শেহতীয়াকৈ সম্পন্ন হোৱা TCR প্ৰক্ৰিয়াত এনে ধৰণৰ প্ৰাৰ্থীক ইতিমধ্যে GT (Maths) শিক্ষক পদত নিযুক্তি প্ৰদান কৰা হৈছে।

(খ) যিজন প্ৰাৰ্থীৰ গণিতত স্নাতকোত্তৰ (PG) ডিগ্ৰী আছে, সেইজন প্ৰাৰ্থী উচ্চতৰ মাধ্যমিক পৰ্যায়ত PGT (Maths) আৰু হাইস্কুল পৰ্যায়ৰ GT (Maths) উভয় ক্ষেত্ৰতে পাঠদানৰ বাবে যোগ্য।

(গ) হয়, উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ পাঠ্যক্ৰম হাইস্কুল পৰ্যায়ৰ তুলনাত অধিক উন্নত, আৰু সেইবাবে PG (Maths) অৰ্হতাসম্পন্ন শিক্ষক হাইস্কুল পৰ্যায়ত পাঠদান কৰিবলৈ সক্ষম।

(ঘ) শেহতীয়া TCR প্ৰক্ৰিয়াত PG (Maths) অৰ্হতাসম্পন্ন প্ৰাৰ্থীসকলক, যাৰ স্নাতক পৰ্যায়ত গণিত এটা বিষয় হিচাপে আছিল, তেওঁলোকক ইতিমধ্যে GT (Maths) শিক্ষক পদত নিযুক্তি দিয়া

**(উক্তপ্ৰশ্নোত্তৰ National e-Vidhan Application (NeVA) পৰ্টেলত উপলব্ধ কৰা হৈছে)**

..................x...................

## অসম বিধান সভা

## লিখিত প্ৰশ্ন নং : ১৩৮

### উত্তৰ দিয়াৰ তাৰিখ – ১৯/০২/২০২৬

**বিষয়ঃ অসমৰ উদ্যোগ আৰু নিযুক্তিৰ সম্পৰ্কে।** **সদস্যৰ নামঃ শ্ৰী জাকিৰ হুছেইন সিকদাৰঃ**

১৩৮ । মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০১৬ চনৰ পৰা বৰ্তমানলৈকে অসমত কোন কোন ঠাইত নতুনকৈ উদ্যোগ স্থাপন কৰা হৈছে? জিলা ভিত্তিত তালিকা দিব। এই নতুন উদ্যোগসমূহত কোনে কোনে নিযুক্তি লাভ কৰিছে তাৰ তালিকা দিব।

(খ) ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কোন কোন উদ্যোগ বন্ধ হৈছে? তাৰ তালিকা দিব। এই উদ্যোগসমূহ কি কাৰণত বন্ধ হৈছে তাৰ সবিশেষ তথ্য দিব।

**উত্তৰঃ**

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়াদেৱে উত্তৰ দিবঃ

(ক) কেন্দ্ৰীয় চৰকাৰৰ UDYAM পোৰ্টেল ৰ তথ্য অনুসৰি ২০১৬ পৰা বৰ্তমানলৈ অসমত ৬,৭৮,৯৭৫ টা উদ্যোগ-প্ৰতিষ্ঠান স্থাপিত হৈছে । ইয়াৰে ২,১৭,৩৬৯ টা উৎপাদন খণ্ডত, ১,৪০,০৭৫ টা সেৱা খণ্ডত আৰু ৩,২১,৫৩১ ব্যৱসায় খণ্ডত জড়িত। এই উদ্যোগ সমূহত মুঠ ৫৯,১৮,৪৯২ জনে নিযুক্তি লাভ কৰিছে । তাৰে ক্ৰমে ২১,৬১,৮৭৪ জন উৎপাদন খণ্ডত, ১৫,৫৬,১২৬ জন সেৱা খণ্ডত আৰু ২২,০০,৪৯২ জন ব্যৱসায় খণ্ডত নিযুক্ত আছে ।

জিলা ভিত্তিক উদ্যোগৰ তালিকা **পৰিশিষ্ঠ-১** আৰু বৃহৎ উদ্যোগ (ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ) ৰাজহুৱা প্ৰতিষ্ঠানৰ অন্তৰ্গত, তালিকা **পৰিশিষ্ঠ-১ (ক)** ত সংলগ্ন কৰা হ'ল ।

তাৰ ওপৰিও, ২০১৬ চনৰ পৰা বৰ্তমানলৈকে অসমত ১০ টা নতুন ৰাজহুৱা প্ৰতিষ্ঠান স্থাপন কৰা হৈছে । সেই সমূহৰ নাম আৰু ঠিকনা **পৰিশিষ্ঠ – ২ ত** সংলগ্ন কৰা হ'ল । বিভাগত পোৱা তথ্য অনুসৰি এই নতুন উদ্যোগসমূহত নিযুক্তি লাভ কৰা কৰ্মচাৰীৰ সংখ্যা **পৰিশিষ্ঠ – ৩ ত** সংলগ্ন কৰা হ'ল ।

(খ) জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰসমূহৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি ১৬৭ টা ব্যক্তিগত খণ্ডৰ উদ্যোগ বন্ধ হৈ আছে।

বন্ধ হোৱা উদ্যোগৰ তালিকা **পৰিশিষ্ঠ - ৪** ত সংলগ্ন কৰা হ'ল ।

উদ্যোগসমূহ বন্ধ হোৱাৰ মুখ্য কাৰণসমূহ হৈছে—বিত্তীয় সংকট, বজাৰৰ চাহিদাৰ অভাৱ, আভ্যন্তৰীণ পৰিচালনাগত সমস্যা আদি।

২০১৬ চনৰ পৰা বৰ্তমানলৈকে অসমত ৪ (চাৰি) টা ৰাজহুৱা প্ৰতিষ্ঠান (PSU) বন্ধ হৈ আছে । সেই সমূহৰ নাম আৰু ঠিকনা **পৰিশিষ্ঠ – ৫ ত** সংলগ্ন কৰা হ'ল ।

এই উদ্যোগ সমূহ বন্ধ হৈ থকাৰ কাৰণ সমূহ তলত উল্লেখ কৰা হ'ল ।

১) উপৰ্য্যোপৰি নিৰন্তৰ লোকচানৰ বাবে বিত্তীয় দুৰঅৱস্থা ।

২) উদ্যোগ সমূহৰ Machinery সমূহ আওপুৰনি ।

৩) কাৰিকৰী উত্তৰনৰ (Technology upgradation) ৰ বাবে ।

৪) উদ্যোগ সমূহৰ যন্ত্ৰপাতি সমূহ অপ্ৰচলিত হয় ।

৫) স্থানীয় কেচা সামগ্ৰীৰ অভাৱ আৰু ইয়াৰ উপযুক্ত বজাৰৰ অভাৱ ।

৬) প্ৰয়োজনতকৈ অধিক কৰ্মচাৰী নিযুক্তিৰ বাবে ।

******

উত্তৰ তথা পৰিশিষ্ট ১, ২, ৩, ৪ আৰু ৫ অসম বিধানসভাৰ বেৱচাইট https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

Assam Legislative Assembly
Unstarred Question No.-139
Date of Reply: 19/02/2025

Sub : Implementation of RTE Act, 2009 in Mandia Block wef 2021-22 to 2025-26

Name of MLA : SHRI SHERMAN ALI AHMED

Will the Minister of School Education be pleased to state :

(a) (i) How many OoSC were there?
(ii) How many were brought under special training (residential and non-residential)?
(iii) How many were streamlined to mainstream school education?
Please furnish year and village-wise details for each question.
(b) What amount was spent under this head? Please furnish activity and year-wise details?
(c) What were the interventions for migrant children for the said period and what amount were spent? Please furnish activity and year-wise details.
(d) How many CwSNs were there? Please furnish year and school-wise details.
(e) How many of CwSNs were provided escort and transport allowance? Please furnish school and year-wise details along with names.
(f) How many were provided with aids and appliances and what amount were spent? Please furnish year and school-wise details alongwith their names.
(g) How many CwSNs girls were provided stipend? Please furnish school and year-wise details alongwith names. Each of the above question is related to Mandia Block for the last 3 years.
(h) How many CwSNs were provided home based education?
Please furnish village-wise and year-wise details alongwith names?

## ANSWER

Hon'ble Education Minister Dr. Ranoj Pegu will reply :

a. (i) There are total **10,918** OoSCs in Mandia block during 2021-22 to 2025-26
(ii) Total OoSCs brought under residential special training is **450** and non-residential special training is **2,081**
(iii) Total **1,027** OoSCs mainstreamed to formal school in the block during 2021-22 to 2025-26
Year and village-wise details against the each question is enclosed at Annexure-I (A)
b. Total amount was spent under this head in the block during the period is Rs, 162.407 Lakh. The activity and year-wise details on the same is enclosed at Annexure-I (B)
c. The list of the interventions for migrant children undertaken during the said period and amount spent against the same is enclosed activity and year-wise at Annexure-I (C )
d. There are total **1,861** CwSN covered during 2023-24 to 2025-26 in Mandia block under Samagra Shiksha. Year and school wise details is enclosed at Annexure – A.
e. During 2023-24 to 2025-26, Escort Allowance have been provided to **132** CwSN and Transport Allowance have been provided to **418** CwSN in Mandia block under Samagra Shiksha. School and year wise details along with names is enclosed at Annexure – B & C
f. During 2023-24 to 2025-26, aids and appliances were provided to **116** CwSN and an amount of **Rs.9,08,547.00** (3 years) was spent in Mandia block under Samagra Shiksha . Year and school-wise details along with names is enclosed at Annexure – D
g. During 2023-24 to 2025-26, stipend were provided to **696** CwSN girls in Mandia block under Samagra Shiksha. School and year wise details along with names is enclosed at Annexure – E
h. During 2023-24 to 2025-26, Home Based Education were provided to **237** CwSN in Mandia block under Samagra Shiksha. Year wise list of CwSN with names is enclosed at Annexure – F

(Answer of Unstarred Question No. 139 along-with the enclosures Annexure-I (A),I (B), I (C), A, B & C, D, E, F is available in eVidhan (NeVA) portal)

== // ==

# ASSAM LEGISLATIVE ASSEMBLY
# UNSTARRED ASSEMBLY QUESTION NO. 140
## DATE OF REPLY – 19/02/2026

**Sub.** : **Provincialization of Colleges, upgradation to Autonomous University and DDO.**

**Name of MLA : Shri ABDUR RASHID MANDAL :**

**Question**

Will the Minister of Education Department be pleased to state:

(a) Please furnish details about the present status for Provincialization of

(i) Chunari College, Chunari, established in 1998 in char area

(ii) Baida College, Baida, established in 2003 in Tribal area

(iii) Additional Science Stream in West Goalpara College, Ambari, established in 1981 in Educationally Backward Kharmuja Dev. Area, running Science Stream since 2006.

(b) Will Government consider to upgrade the Goalpara College, Goalpara, established in 1955 and awarded Autonomous status by UGC, to a Autonomous University? If yes, when? If not, why?

(c) Why the IS, BDC, Barpeta is entrusted as DDO of Luitparia College , Alopati Majerchar while there is a full fledged and regular Principal of the college? Is Govt. aware that the Governing Body of the College has repeatedly requesting the authorities to entrust the Principal as DDO as per rule? If yes, what is the reason for non compliances?

**: ANSWER:-**

**Hon'ble Minister, Education Department, Dr. Ranoj Pegu will reply :**

(a) (i) Chunari College, Chunari is a Venture College. They haven't fulfilled the eligibility criteria of provincialisation Act,2017 and as amended Act,2018.

(ii) Baida College,Baida is a Venture College. They haven't fulfilled the eligibility criteria of provincialisation Act,2017 and as amended Act,2018.

(iii) The Additional Science Stream in West Goalpara College haven't fulfilled the eligibility criteria of provincialisation Act,2017 and as amended Act,2018.

(b) The matter of up-gradation from autonomous college to University will be examined in accordance with existing norms and procedures in the coming days.

(c) The DDO charge of Luitparia College, Dist-Barpeta is entrusted to Inspector of Schools, Barpeta as per the Speaking Order vide letter No. DHE/PC/HE/Misc/141/2019/237 3rd April, 2024 **(Annexure-A)**. The present Principal Jasim Uddin Ahmed had allegations of misappropriation and unauthorized expenditure of Govt. fund in the college. While as Principal he indulged in monetary mismanagement and financial misappropriation. However he was reinstated to the post of Principal, Luitparia College, Dist-Barpeta along with withholding of two increments with cumulative effect under the provision of Assam Service (Discipline & Appeal) Rule, 1964 in Rule 7(ii). Due to severe allegations of misappropriation of Govt. fund, which is already proven and disciplinary action taken against Jasim Uddin Ahmed, the appointing authority entrusted the DDO of the college to Inspector of Schools, Barpeta.

****Answer with all Annexure are uploaded at the URL: https://cms.neva.gov.in**

**********

অসম বিধানসভা
তৰাবিহীন প্ৰশ্ন নং ১৪১
উত্তৰ দানৰ তাৰিখ-১৯/০২/২০২৬
***

**বিষয়ঃ** বিনিয়োগ ইত্যাদি।
**বিধায়ক- শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)**

মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰ্চ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) এক্ট ইষ্ট পলিচি এফিয়াৰ্চ বিভাগৰ জৰিয়তে বিগত দিনত ৰাজ্যখনৰ কি কি লাভ লোকচান হ'ল ?

খ) কিমান টকাৰ বিনিয়োগ ৰাজ্যখনে লাভ কৰিলে ? জনাব।

**উত্তৰঃ**

মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰ্চ বিভাগৰ **মন্ত্ৰী শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰীদেৱে** উত্তৰ দিব–

(ক) ২০১৭ চনত স্থাপিত এক্ট ইষ্ট পলিচি এফিয়াৰ্চ বিভাগে উত্তৰ-পূব অঞ্চলৰ কৌশলগত অৱস্থানৰ সুবিধাৰ ভিত্তিত দক্ষিণ, পূব আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে ৰাজ্যখনৰ সম্পৰ্ক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ম্যানমাৰ, নেপাল আৰু বাংলাদেশৰ শেহতীয়া ৰাজনৈতিক বিকাশে সীমান্ত ভ্ৰমণ আৰু বাণিজ্যক প্ৰভাৱিত কৰাৰ প্ৰত্যাহ্বান স্বত্বেও, ভূটানৰ সৈতে নতুন বাণিজ্যিক পথ মুকলি হোৱাৰ সম্ভাৱনাৰ সৈতে এডভাণ্টেজ আছাম ২.0 (Advantage Assam 2.0) শীৰ্ষ সন্মিলনৰ অভূতপূৰ্ব সফলতা স্পষ্টভাৱে অদূৰ ভৱিষ্যতে এই সন্দৰ্ভত আশাবাদৰ এক উজ্জ্বল কিৰণ। শেহতীয়াকৈ দৰঙাত সমন্বিত চেক-পোষ্ট (Integrated Check-Post) ৰ উদ্বোধন, সামগ্ৰিকভাৱে সেউজ উদ্যোগশীলতাৰ পৰিৱেশ বৃদ্ধিৰ বাবে চিৰাং জিলাত গেলেফু মাইণ্ডফুলনেছ চিটিৰ (Gelephu Mindfulness City) ৰ প্ৰতিচ্ছবি স্থাপনৰ সম্ভাৱনা আৰু সামৰং, উল্টাপানী আৰু ভৈৰৱকুণ্ডত শুল্ককেন্দ্ৰ স্থাপনৰ চিন্তা-চৰ্চা এই দিশত লোৱা উল্লেখযোগ্য পদক্ষেপ।

বিভাগৰ কিছুমান গুৰুত্বপূৰ্ণ সাফল্য তলত উল্লেখ কৰা হ'লঃ

১) এক্ট ইষ্ট পলিচি এফিয়াৰ্চ বিভাগৰ প্ৰচেষ্টাত ২০১৭ চনত বাংলাদেশৰ সহকাৰী উচ্চ আয়ুক্তৰ কাৰ্য্যালয় আৰু ২০১৮ চনত ভূটানৰ কন্সুলেট গুৱাহাটীত স্থাপন কৰা হয়।

২) "GIS–Advantage Assam - 1.0 2018" ৰ অন্তৰ্গত (০৪/০২/২০১৮ তাৰিখে) ভাৰতৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগত দক্ষিণ পূৱ এছিয়াৰ দেশসমূহৰ অৰ্থনৈতিক সম্পৰ্কৰ বিষয়ে এখনি বিশেষ সভা অনুষ্ঠিত হৈছিল। এই সভাত ASEAN আৰু BBN দেশসমূহৰ লগত ঘনিষ্ঠ সম্পৰ্ক গঠন কৰাৰ বিষয়ে বিভিন্ন আলোচনা হয়।

৩) এক্ট ইষ্ট পলিচি এফিয়াৰ্চ বিভাগে বিদেশ মন্ত্ৰালয় আৰু ইণ্ডিয়া ফাউণ্ডেচনৰ সৈতে দ্বিতীয় ভাৰত ASEAN যুৱ সন্মিলন ২০১৯ চনৰ ৩ ফেব্ৰুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈকে গুৱাহাটীত অনুষ্ঠিত কৰিছিল।

৪) এক্ট ইষ্ট পলিচি এফিয়াৰ্চ বিভাগে ২০১৯ চনৰ ৫ ফেব্ৰুৱাৰীত অসমৰ সেইসময়ৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সৈতে ASEAN আৰু BBN দেশসমূহৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্ত আৰু তেওঁলোকৰ প্ৰতিনিধিৰ লগত এখন ঘূৰণীয়া মেজমেল অনুষ্ঠিত কৰিছিল। এই সন্মিলনত উত্তৰ পূৱ ভাৰতৰ সৈতে আচিয়ান (ASEAN)আৰু বিবিয়ান (BBN) দেশসমূহৰ বাণিজ্যিক আৰু সাংস্কৃতিক সম্পৰ্ক উন্নত কৰণৰ পথ আৰু উপায় সমূহৰ বিষয়ে আলোচনা কৰিছিল।

৫) ২০১৯ চনৰ ১৮ ৰ এপ্ৰিল পৰা ২০ এপ্ৰিললৈ অনুষ্ঠিত হোৱা নৰম বাংলাদেশ ভ্ৰমন আৰু পৰ্য্যটন মেলাত এক্ট ইষ্ট পলিচি এফিয়াৰ্চ বিভাগে অংশ গ্ৰহণ কৰিছিল। উক্ত মেলাত অসমৰ স্বাস্থ্য পৰ্য্যটন (Medical Tourism) আৰু শিক্ষা খণ্ডৰ পৰ্য্যটন (Education based Tourism)ক উত্তৰণ (Promotion) কৰাৰ লক্ষ্য সৰোগত কৰা হয়।

৬) সীমান্ত হাটৰ (Border Haat) ইণ্ডো-বাংলাদেশ যুটীয়া সমিতিৰ দ্বিতীয় বৈঠক চিলেটত (বাংলাদেশ) ২০১৯ চনৰ ২৩ আৰু ২৪ এপ্ৰিলত অনুষ্ঠিত হৈছিল। এই বৈঠকত ৬ খন নতুন সীমান্ত হাটৰ অৱস্থান সম্পৰ্কে চূড়ান্ত কৰিছিল। এই বিভাগৰ প্ৰচেষ্টাত ধুবুৰী জিলাৰ সত্ৰশাল আৰু শ্ৰীভূমি জিলাৰ লাটুত দুখনকৈ সীমান্ত হাট কৰাৰ সিদ্ধান্ত হৈছে। এই সীমান্ত হাট সমূহে দুই দেশৰ পিচপৰা অঞ্চলৰ জনসাধাৰণৰ পৰম্পৰাগত বজাৰৰ ব্যৱস্থাক উন্নীতকৰণৰ লগতে দুই দেশৰ জনসাধাৰণৰ যোগাযোগ ব্যৱস্থাৰ উন্নতি সাধন কৰিব।

৭) ভাৰত আৰু বাংলাদেশৰ নেতৃবৰ্গই ৫ অক্টোবৰ ২০১৯ চনত উত্তৰ পূৰ্বাঞ্চলৰ নৌকা-জাহাজৰ বাবে চট্টগ্ৰাম আৰু মংলা বন্দৰৰ ব্যৱহাৰৰ কাৰণে আৰু পণ্য পৰিবহনৰ কাৰণে যথোপযুক্ত পৰিচালনা প্ৰক্ৰিয়াত (SOP)স্বাক্ষৰ কৰে।

৮) বিভাগীয় মন্ত্ৰীৰ নেতৃত্বত ১৫ গৰাকী অসম বিধান সভাৰ সদস্য, ১৩ গৰাকী ভাঃপ্ৰঃসে আৰু অঃঅঃসেৰ বিষয়া আৰু আন বিষয়াৰ এটা দলে ২০১৯ চনৰ ২৬ জুনৰ পৰা ৫ জুলাইলৈ বাংলাদেশ আৰু ম্যানমাৰলৈ কৰা "সম্পৰ্কযাত্ৰা"ত দুয়োখন দেশৰে উদ্যোগ আৰুৰপ্তানী খণ্ডৰ ব্যৱসায়ীৰ সৈতে আলোচনাত লিপ্ত হয়।এই যাত্ৰাই দুয়োখন দেশৰ লগত সম্পৰ্ক অধিক গাঢ় কৰাত সহায় কৰে।

৯) বৈদেশিক মন্ত্ৰালয়ৰ অনুমোদন আৰু কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰালয়ৰ সহযোগত এই বিভাগে গুৱাহাটীত ২২/১০/২০১৯ আৰু ২৩/১২/২০১৯ তাৰিখে ভাৰত-বাংলাদেশ অংশীদাৰ সমাৰোহ (Indo-Bangladesh Stakeholders Meet) অনুষ্ঠিত কৰে । এই সমাৰোহত চাহ, পৰ্য্যটন, কৃষি, খনিজাত সামগ্ৰীৰ আমদানি-ৰপ্তানিৰ বিষয়ে ন আলোকপাতেৰে নতুন দিগন্তৰ উন্মোচন হয় ।এই সমাৰোহৰ প্ৰেক্ষাপটত হোৱা ব্যৱসায়ীক অংশীদাৰৰ বৈঠকৰ ফলত ১০ খন EoI ৰ স্বাক্ষৰ হয় MOU লৈ উন্নীত হোৱাৰ প্ৰাৰম্ভিক পদক্ষেপ হিচাপে।

১০) কেন্দ্ৰীয় চৰকাৰৰ UDAN (আন্তঃৰাষ্ট্ৰীয়) আঁচনিৰ জৰিয়তে গুৱাহাটীৰ নিকটৱৰ্ত্তী ASEAN আৰু BBN দেশ সমূহৰ গুৰুত্বপূৰ্ণ চহৰ সমূহলৈ কম খৰচত আকাশী যাতায়তৰ ব্যৱস্থা সুচল কৰিবলৈ এই বিভাগে অহৰহ প্ৰচেষ্টা কৰি আছে। তিনি বছৰৰ বাবে Viability Gap Funding ৰ অধীনত ৰাজ্য চৰকাৰে প্ৰতি বছৰে ১০০ কৌটি টকাৰ আশ্বাস কেন্দ্ৰীয় চৰকাৰক দিয়ে। ইতিমধ্যে অসম চৰকাৰে ১০.৯ কৌটি টকা অসামৰিক বিমান সেৱা মন্ত্ৰালয়ত জমা দিয়ে। ফলত ২০১৯ চনৰ ১ জুলাই তাৰিখে গুৱাহাটীৰ পৰা ঢাকালৈ পোনপটীয়া বিমান যাত্ৰা আৰম্ভ হয়।

১১) ২০১৯ চনত মালয়েছিয়া ভাৰত বাণিজ্য পৰিষদৰ Invest India ৰ বিষয়ববীয়াৰ এটা দলে এই বিভাগ আৰু উদ্যোগ আৰু বাণিজ্য বিভাগ-ৰ লগত বিভিন্ন আলোচনাত মিলিত হয় আৰু উদ্যোগ আৰু বাণিজ্য বিভাগৰ লগত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে।

১২) ভাৰতৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী এচ. জয়শংকৰ আৰু জাপানৰ ৰাষ্ট্ৰদূত চাতাষী চুজুকীয়ে অসম ভ্ৰমন কৰে; আৰু সেই সম্পৰ্কে, এক্ট ইষ্ট ফোৰাম(Act East Forum)ৰ এখনি বৃহৎ সভা শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হয় । জাপানৰ উদ্যোগিক অনুষ্ঠান সমূহৰ দ্বাৰা উত্তৰ পূৰ্বাঞ্চলত বিনিয়োগ আৰু জাপানৰ অধীনত থকা বিত্তীয় প্ৰতিষ্ঠানসমূহৰ দ্বাৰা অসম আৰু উত্তৰ পূৱ ভাৰতৰ আন ৰাজ্যৰ আন্তঃগাঠনি নিৰ্মাণ সম্পৰ্কেও আলোচনা হয় ।ইয়াৰ উপৰিও, ভ্ৰমনকাৰী দলটোৱে অসমত ৰূপায়ন হোৱা জাপানৰ সাহাৰ্য্যযুক্ত প্ৰকল্পসমূহৰ নিৰিক্ষণ কৰে।

১৩) এক্ট ইষ্ট পলিচি এফিয়াৰচ্ বিভাগে এচিয়ান কনফ্লুয়েঞ্চ (Asian Confluence) চিলংৰ সহযোগত প্ৰাচ্য কৰ্য্যনীতিৰ সংযোগ ; লক্ষ্য আৰু প্ৰত্যাহ্বান সৰ্ম্পকে দিনযোৱা কাৰ্য্যসূচীৰে এখন সন্মিলন (Conclave) ২১-১২-২০২১ তাৰিখে তাজ ভিভান্তাত অনুষ্ঠিত কৰে।এই সন্মিলনৰ মূল উদ্দেশ্য আছিল উত্তৰ পূৱ ভাৰত আৰু দক্ষিণ পূৱ এচিয়াৰ দেশ সমূহৰ মাজত ঐতিহাসিক আৰু সাংস্কৃতিক যোগসূত্ৰক কেনেকৈ উন্নত কৰিব পাৰি সেই বিষয়ে সবিশেষ আলোচনা কৰা ।

১৪) ৩০ বছৰীয়া ভাৰত আৰু ASEAN দেশসমূহৰ বন্ধুত্বৰ চিন স্বৰূপে ২৭ মে ২০২২ ত "Act East Through Northeast"সন্মিলন খন গুৱাহাটীত অনুষ্ঠিত হয়। এই সন্মিলন খনত, ASEAN দেশ সমূহৰ ৰাষ্ট্ৰদূত আৰু উচ্চাযুক্তই উত্তৰ পূৰ্বাঞ্চলৰ সৈতে ASEAN দেশসমূহক কেনেকৈ পথ, ৰেলপথ, জলপথ, বায়ুপথ আৰু Netways ৰ জৰিয়তে সুচল যোগাযোগ ব্যৱস্থা কৰিব পাৰি সেই বিষয়ে বিস্তৃত আলোচনা কৰা হয়। ইয়াৰ উপৰিও উত্তৰ পূৰ্বাঞ্চলৰ লগত ASEAN দেশ সমূহৰ ১) পৰ্যটন উদ্যোগ ২) চাহ উদ্যোগ ৩) বস্ত্ৰ উদ্যোগ আৰু এই অঞ্চলত উৎপাদিত বিভিন্ন সামগ্ৰী যেনে, বাঁহ, নহৰু আদিৰ ৰপ্তানিৰ বিষয়ে বিশদ পৰ্যালোচনা হয়। এই সন্মিলনত উপৰোক্ত বিষয় সমূহৰ ওপৰত কেইবাটাও ৰুদ্ধধাৰ কাৰিকৰী পৰ্যালোচনা অধিবেশনো পতা হয়।

১৫) এক্ট ইষ্ট পলিচি এফিয়াৰচ্ বিভাগে ভাৰত চৰকাৰৰ বৈদেশিক মন্ত্ৰালয় আৰু এছিয়ান কনফ্লুৱেন্সৰ সহযোগত গুৱাহাটীত পোন প্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক "NADI 3.0"সন্মিলন বংগোপ উপসাগৰীয় আৰু দক্ষিণ-পুব এছিয়াৰ দেশসমূহৰ মাজত জল ব্যৱস্থাপনা, সংৰক্ষণ আৰু সম্পদ হিচাপে ব্যৱহাৰৰ প্ৰত্যাহ্বান আৰু সম্ভাৱনাসমূহৰ আলোচনাৰ বাবে ২৮ আৰু ২৯ মে, ২০২২ ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰে।

১৬) বাংলাদেশৰ ৫০ তম স্বাধীনতা বৰ্ষ আৰু ভাৰতৰ আজাদি কা অমৃত মহোৎসৱ উপলক্ষে বাংলাদেশৰ ১৫ জন মুক্তিযোদ্ধা, ৬ জন সাংবাদিক আৰু ৪ জন যুৱ প্ৰতিনিধিয়ে বাংলাদেশ চৰকাৰৰ উচ্চাযুক্ত, ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আৰু অসম চৰকাৰৰ যৌথ সহযোগত ২০২২ চনৰ ১৬ ৰ পৰা ২০ জুনলৈ অসম ভ্ৰমণলৈ আহে।এই কাৰ্যসূচীৰ জৰিয়তে দুয়োখন দেশৰ মাজত সাংস্কৃতিক সম্পৰ্ক সুগম আৰু সুদৃঢ় হোৱাৰ পথ অগ্ৰসৰ হয়।

১৭) এক্ট ইষ্ট পলিচি এফিয়াৰচ্ বিভাগে তৃতীয় পৰ্যায়ৰ অংশগ্ৰহণকাৰী হিচাবে ভাৰতীয় বৈদেশিক সেৱা (আই এফ এছ) বিষয়াসকলৰ বাবে তেওঁলোকৰ ৰাজ্যিক সংযুক্তিৰ বাবে এক আলোচনাৰ আয়োজন কৰিছিল।

১৮) এক্ট ইষ্ট পলিচি এফিয়াৰ্চ বিভাগে **North East India Festival** ৰ ৩নং সংস্কৰণ ট্ৰেণ্ড এম এম এছ সংগঠনৰ সৈতে সহযোগিতা কৰি, ২৭, ২৮ আৰু ২৯ অক্টোবৰ, ২০২৩ চনত ভিয়েটনামৰ হো চি মিন চিটিত আয়োজিত কৰিলে । এই কাৰ্যসূচীৰ উদ্দেশ্য আছিল আন্তঃগাঁথনি নিৰ্মাণ, ভাৰত আৰু ভিয়েটনামৰ মাজত মানুহৰ মাজত আদান-প্ৰদান কৰা, দ্বিপাক্ষিক বাণিজ্য, বিনিয়োগ, পৰ্যটন ইত্যাদিৰ উন্নতকৰণ।

১৯) এক্ট ইষ্ট পলিচি এফিয়াৰ্চ বিভাগে উচ্চ শিক্ষা বিভাগ, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগ আৰু কাৰিকৰী শিক্ষা আদি বিভাগক এক শৈক্ষিক বিনিময় কাৰ্যসূচীৰ (Student Exchange Programme) বাবে এক নীতি আৰু পৰৱৰ্তী কেবিনেট প্ৰস্তাৱ প্ৰস্তুত কৰিবলৈ অনুপ্ৰেৰিত কৰিছে য'ত, ASEAN আৰু BBN (বাংলাদেশ, ভূটান আৰু নেপাল) দেশৰ শিক্ষাৰ্থীসকলে ৰাজ্যৰ অভিযান্ত্ৰিক বিভাগ, চিকিৎসাৰ লগতে অন্যান্য পেছাদাৰী প্ৰতিষ্ঠানত অধ্যয়ন কৰিবলৈ সক্ষম হ'ব।

২০) এক্ট ইষ্ট পলিচিৰ অধীনত বাণিজ্য, বিনিয়োগ, আৰু সংযোগক প্ৰসাৰিত কৰিবলৈ এক্ট ইষ্ট পলিচি এফিয়াৰ্চ বিভাগৰ উদ্যোগত "Act East through Assam: Connectivity Conclave" ৰ পৰৱৰ্তী দ্বিতীয়টো অনুষ্ঠান ১৬ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখে গুৱাহাটীত আয়োজন কৰা হৈছিল "Inter Country Economic Corridor through North East of India for Inclusive Growth"শীৰ্ষক বিষয়ত।এই সন্মিলনত অসম আৰু চুবুৰীয়া দেশসমূহৰ মাজত শক্তিশালী অৰ্থনৈতিক সম্পৰ্ক স্থাপনৰ পথ চিনাক্তকৰণ আৰু অদূৰ ভৱিষ্যতে এই চিন্তাক বাস্তৱত পৰিণত কৰিবলৈ আঞ্চলিক চৰকাৰ, আন্তঃৰাষ্ট্ৰীয় আৰু বহুপক্ষীয় সংস্থাসমূহৰ সৈতে যোগাযোগ স্থাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

২১) ইয়াৰ উপৰিও বিভাগটোৱে মাননীয় অসমৰ ৰাজ্যপালৰ সৈতে অষ্ট্ৰেলিয়াৰ মহামহিম কাউন্সেল জেনেৰেল, শ্ৰীযুত হিউ বয়লান **(Mr. Hugh Boylan)** ডাঙৰীয়াৰ অসম ভ্ৰমণৰ সময়ত মত বিনিময়ৰ ব্যৱস্থা কৰিছিল। আলোচনাত মহামহিম কনছুল জেনেৰেলক টাটা ছেমিকণ্ডাক্টৰ এছেম্বলি আৰু টেষ্ট ফেচিলিটিৰ দৰে নতুন যুগৰ প্ৰযুক্তি চালিত উদ্যোগসমূহ অসমলৈ অনাৰ ক্ষেত্ৰত অসম চৰকাৰৰ নৱীকৃত মনোযোগৰ বিষয়ে অৱগত কৰা হয়। ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে অষ্ট্ৰেলিয়া অন্যতম অনুকূল গন্তব্যস্থান হোৱাৰ বাবেই অসম আৰু অষ্ট্ৰেলিয়াৰ শিক্ষা ব্যৱস্থাই কেনেকৈ পাৰস্পৰিক স্বাৰ্থৰ বাবে একেলগে কাম কৰিব পাৰে সেই সম্পৰ্কে মত বিনিময় কৰা হৈছিল। এই পদক্ষেপত যিকোনো ধৰণৰ সমৰ্থন আৰু সহযোগিতা আগবঢ়াব বুলি বিভাগৰ পৰা আশ্বাস দিয়া হৈছে।

২২) তদুপৰি ২০২৪ চনৰ ২৩ ছেপ্টেম্বৰত কাজিৰঙা কনফাৰেন্স হলত শ্ৰী বি. কল্যাণ চক্ৰৱৰ্তী, আই এ এছৰ সভাপতিত্বত আৰু এক্ট ইষ্ট পলিচি এফিয়াৰ্চ বিভাগৰ উদ্যোগত এখন সভা অনুষ্ঠিত হয়। ইয়াত উপস্থিত থাকে শ্ৰী নাৰায়ণ কোঁৱৰ, আই এ এছ, আৰু শ্ৰী মানবেন্দ্ৰ প্ৰতাপ সিং, আই এ এছকে ধৰি গুৰুত্বপূৰ্ণ বিষয়াসকলৰ লগতে ৩২ জনীয়া থাই প্ৰতিনিধি দল। আলোচনাত সহযোগিতাৰ ক্ষেত্ৰ যেনে উদ্যোগ ৪.০, এন ই পি ২০২০ৰ অধীনত সাংস্কৃতিক আৰু ভাষা বিনিময়, বৃত্তিমূলক প্ৰশিক্ষণ, পৰ্যটন, বিনিয়োগ প্ৰসাৰ, বাণিজ্য, ডক্টৰেট আৰু পোষ্ট ডক্টৰেট অধ্যয়নত ভাৰত-থাইলেণ্ডৰ সম্পৰ্ক, ভাষা পাঠ্যক্ৰম, ছাত্ৰ-অধ্যাপক বিনিময়, বৃত্তি, আৰু অনুসন্ধান আৰু বিকাশ আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগিতা আৰু দিহা-পৰামৰ্শত অসম চৰকাৰে এই উদ্দেশ্যসমূহৰ দিশত কাম কৰিব বুলি সহমতত উপনীত হয়।

২৩) জাপানৰ দূতাবাস আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত এছিয়ান কনফ্লুয়েন্স আৰু এক্ট ইষ্ট পলিচি এফিয়াৰ্চ বিভাগে আয়োজন কৰা **'কিজুনা': 2025 (KIZUNA-2025)** ত পৰিৱৰ্তনৰ বাবে পৰিৱেশতন্ত্ৰৰ সহযোগী সৃষ্টিঃ প্ৰযুক্তি, শিক্ষা আৰু লজিষ্টিক শীৰ্ষক ভাৰত-জাপান বৌদ্ধিক সন্মিলনৰ পঞ্চম সংস্কৰণত আঞ্চলিক সংযোগ, বহনক্ষম উন্নয়ন আৰু সাংস্কৃতিক বিনিময়ক লাভান্বিত কৰাত ভাৰত-জাপানৰ সহযোগিতাৰ গুৰুত্বপূৰ্ণ ভূমিকাক আলোকপাত কৰা হয় আৰু সমগ্ৰ অঞ্চলটোত ইতিবাচক পৰিৱৰ্তন ঘটাব পৰা স্থিতিস্থাপক পৰিৱেশ তন্ত্ৰ সৃষ্টিৰ ক্ষেত্ৰত "ভাৰত-জাপান"ৰ ভাগ-বতৰা কৰা দৃষ্টিভংগীক আলোকপাত কৰা হয়।

২৪) এক্ট ইষ্ট পলিচিৰ অধীনত, ২০২৪ চনত অসমৰ দৰঙাত ভাৰত-ভূটান সীমান্তৰ প্ৰথমটো সংহত চেক পোষ্ট (আইচিপি - Integrated Check Post - ICP) উদ্বোধন কৰা হয়।ভূটানৰ প্ৰধানমন্ত্ৰী দশো চেৰিং টবগেৰ উপস্থিতিত অসমৰ ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আইচিপি উদ্বোধন কৰে।আইচিপি দৰঙাত কাৰ্যালয় কমপ্লেক্স, পাৰ্কিং এলেকা, লোডিং আৰু আনলোডিং জ'ন, ওজন দলং, গুদাম, আৰু বিষয়াসকলৰ বাবে আৱাসিক কোৱাৰ্টাৰকে ধৰি অত্যাধুনিক সুবিধা আছে।এক্ট ইষ্ট পলিচিৰ অধীনত ইয়াক ভাৰতীয় লেণ্ড পোৰ্ট কৰ্তৃপক্ষ (Land Port Authority of India)ই প্ৰস্তুত কৰিছে।ইয়াত পৰিদৰ্শন স্থান, প্লাণ্ট কোৱাৰেণ্টাইন ব্যৱস্থা আৰু পাৰ্কিঙৰ সুবিধাও আছে। এই ICPৰ স্থাপনৰ ফলত সংযোগ তথা বাণিজ্যিক সম্ভাৱনা আৰু অধিক বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

২৫)এডভান্টেজ আছাম ২.০ (Advantage Assam 2.0) শীৰ্ষ সন্মিলনৰ জৰিয়তে, অসমে ইয়াৰ চুবুৰীয়া দেশৰ বাহিৰেও জাপান, অষ্ট্ৰেলিয়াৰ দৰে অংশীদাৰ দেশ আৰু চাৰিখন আছিয়ান ৰাষ্ট্ৰক (মালয়েছিয়া, ছিংগাপুৰ, থাইলেণ্ড আৰু ইণ্ডোনেছিয়া) আৰু লগতে অংশগ্ৰহণকাৰী দেশ হিচাপে

দক্ষিণ কোৰিয়াক আকৰ্ষিত কৰিছে, আৰু ফলস্বৰূপে একাধিক খণ্ডত বিদেশী বিনিয়োগ বৃদ্ধি হৈছে। সন্মিলনখনত ২০২৫ চনৰ ২৫ ফেব্ৰুৱাৰীৰ সন্ধিয়া এক্ট ইষ্ট অধিৱেশন অনুষ্ঠিত হৈছিল, যাৰ শীৰ্ষক আছিল "এক্ট ইষ্ট, এক্ট ফাষ্ট, এক্ট ফাৰ্ষ্ট" **(Act East, Act Fast, Act First)**। ই আছিয়ান আৰু চুবুৰীয়া দেশসমূহৰ সৈতে সম্পৰ্ক শক্তিশালী কৰিবলৈ আঞ্চলিক সংযোগ, অৰ্থনৈতিক একত্ৰীকৰণ আৰু আন্তঃগাঁথনি উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভাৰতৰ এক্ট ইষ্ট নীতিত অসমৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ই দক্ষিণ-পূব এছিয়াৰ সৈতে অৰ্থনৈতিক একত্ৰীকৰণ ত্বৰান্বিত কৰিবলৈ ডিজিটেল আন্তঃগাঁথনি, বাণিজ্য সম্প্ৰসাৰণ, আৰু নীতিগত পৰিকাঠামোৰ সুযোগ অন্বেষণ কৰি অসমক অঞ্চলটোৰ প্ৰৱেশদ্বাৰ হিচাপে স্থাপন কৰিছিল।

২৬)এই বিভাগে গুৱাহাটীস্থিত ভূটানৰ কনস্যুলেট জেনেৰেল (Consulate General of Bhutan) ৰ সৈতে সহযোগ কৰি অসমৰ সীমান্তৱৰ্তী ভূটানৰ বিশেষ প্ৰশাসনিক অঞ্চল গেলেফু মাইণ্ডফুলনেছ চিটি **(Gelephu Mindfulness City)**ৰ মূল সদস্যসকলৰ গুৱাহাটী আৰু ওচৰৰ অঞ্চলসমূহলৈ ২০২৫ চনৰ ৭ জুন তাৰিখৰ পৰা ১২ জুন তাৰিখলৈ ভ্ৰমণৰ ব্যৱস্থা কৰিছিল। এই ভ্ৰমণ বহনক্ষম উন্নয়ন, প্ৰযুক্তি, আধ্যাত্মিকতা আৰু আঞ্চলিক সংযোগৰ ক্ষেত্ৰত সীমান্তৰ পাৰস্পৰিক সহযোগিতা বৃদ্ধিৰ বাবে চলি থকা প্ৰচেষ্টাৰ অংশ।

২৭)ভূটান আৰু ভাৰতৰ মাজৰ নিবিড় সম্পৰ্কৰ বাবে এই বিভাগে ভাৰত দৰ্শন কাৰ্যসূচীৰ অংশ হিচাপে ২০২৬ চনৰ ১ জানুৱাৰীৰ পৰা ৪ জানুৱাৰীলৈকে ভূটানস্থিত ভাৰতৰ ৰাষ্ট্ৰদূত শ্ৰী সন্দীপ আৰ্য **(Shri Sandeep Arya)** ৰ অসম ভ্ৰমণৰ আয়োজন কৰিছিল।

(খ) এক্ট ইষ্ট পলিচি এফিয়াৰচ্ বিভাগ অসমে লাভ কৰা বাণিজ্যিক বিনিয়োগৰ ক্ষেত্ৰত পোনপটীয়া ভাৱে জড়িত নহয়। উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ (Industries, Commerce & PE Department) ৰ পৰা পোৱা তথ্য মতে অসম চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত বৰ্তমানলৈকে তলত উল্লিখিত ধৰণৰ বিনিয়োগ হৈছে / হ'বলৈ গৈ আছে ঃ

| আঁচনিৰ নাম | বিনিয়োগৰ পৰিমান (কৌটি টকা) | মন্তব্য |
|---|---|---|
| North East Industrial Development Scheme (NEIDS'2017) | ৬১৬৪.৩৫ | বাস্তৱায়িত |
| Industrial and Investment Policy of Assam 2019 | ৩৭৭৫.৫৩ | ঐ |
| Uttar Poorva Transformative Industrialization Scheme (UNNATI-2024) | ৬০৭৬.৬৪ | প্ৰক্ৰিয়াধীন (Under Process) |
| Industrial and Investment Policy of Assam (amendment) 2023 | ৩৭৯৭৪.৩০ | ঐ |
| Assam Logistics and Warehousing Policy 2022 | ৬০৫.২৯ | ঐ |
| Advantage Assam 2.0 (District Level MoU signed) | ৭১২২.২৬ | ঐ |

তাৰোপৰি এডভাণ্টেজ আছাম ২.০ (Advantage Assam 2.0) ৰ জৰিয়তে ৰাজ্যখনে ২৭৭৪৩৮.৯৭ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ লাভ কৰিছে (**পৰিশিষ্ট 'ক'** সংলগ্ন কৰা হ'ল)।

**************************

পৰিশিষ্ট -'ক'

Reply to the Original Unstarred Assembly Question DY No.- 09 to be raised by Aminul Islam (Sr), Hon'ble MLA

| প্ৰশ্ন | উত্তৰ |
|---|---|
| (খ) কিমান টকাৰ বিনিয়োগ ৰাজ্যখনে লাভকৰিলে? জনাব। | উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে এক্ট ইষ্ট পলিচি এফেয়াৰচ বিভাগৰ জৰিয়তে কোনো বিনিয়োগৰ তথ্য লাভ কৰা নাই। তথাপি, অসম চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত বৰ্তমানলৈকে তলত উল্লেখিত ধৰণৰ বিনিয়োগ হৈছে/ হবলৈ গৈ আছে- |

| আঁচনিৰ নাম | বিনিয়োগৰ পৰিমান (কৌটি টকা) | মন্তব্য |
|---|---|---|
| North East Industrial Development Scheme (NEIDS 2017) | ৬১৬৪.৩৫ | বাস্তৱায়িত |
| Industrial and Investment Policy of Assam 2019 | ৩৭৭৫.৫৩ | ঐ |
| Uttar Poorva Transformative Industrialization Scheme (UNNATI-2024) | ৮০৭৬.৬৪ | প্ৰক্ৰিয়াধীন (under Process) |
| Industrial and Investment Policy of Assam (amendment) 2023 | ৩৭৯৭৪.৩০ | ঐ |
| Assam Logistics and Warehousing Policy 2022 | ৬০৫.২৯ | ঐ |
| Advantage Assam 2.0 (District Level MoU signed) | ৭১২২.২৬ | ঐ |

তদোপৰি এডভাণ্টেজ আছাম ২.০ জৰিয়তে ৰাজ্যখনে ১৭৭৪৩৮.৯৭ কৌটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ লাভ কৰিছে।

# অসম বিধান সভা
## তৰাবিহীন প্ৰশ্ন নং ১৪২
## উত্তৰ দিয়াৰ তাৰিখ –১৯/০২/২০২৬

বিষয়ঃ চাকৰি নিয়মীয়াকৰণ সম্পৰ্কে ।

শ্ৰীমতী শিৱামণি বৰা, মাননীয় বিধায়িকা

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০২১ চনত প্ৰাদেশিকীকৰণ কৰা কলেজ, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয় সমূহৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ অস্থায়ী কৰ্মচাৰীসকলৰ চাকৰি আজি পৰ্যন্ত নিয়মীয়াকৰণ কৰা হোৱা নাই, তেনে মুঠ কিমান কৰ্মচাৰীয়ে বৰ্তমান অস্থায়ীভাৱে চাকৰি কৰি আছে ?

(খ) প্ৰাদেশিকীকৰণ কৰা কলেজ আৰু বিদ্যালয়সমূহৰ শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণ কৰা হ'ল যদিও অস্থায়ী ভাৱে চাকৰি কৰি থকা তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলৰ চাকৰি কেতিয়া নিয়মীয়াকৰণ কৰা হ'ব ?

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী শ্ৰী ৰণোজ পেগু মহোদয়ে মহোদয়ে উত্তৰ দিব :

ক) বিদ্যালয় শিক্ষা বিভাগৰ অধীনৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে জনোৱা অনুসৰি "The Assam Education (Provincialisation of Services of Non-Teaching Staff of Venture Educational Institutions) Act, 2018" অনুসৰি প্ৰয়োজনীয় অৰ্হতা সম্পন্ন কৰা মাধ্যমিক শিক্ষাসঞ্চালকালয়ৰ অধীনত মুঠ ১৫৫৪ জন অশৈক্ষিক কৰ্মচাৰীৰ (তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী) পদ উক্ত আইনৰ অনুসূচী অনুসৰি অনুমোদিত নিৰ্ধাৰিত দৰমহা দি ২০২১ চনত পদসমূহ প্ৰাদেশিকীকৰণ কৰা হৈছে।

বিতং তথ্য তলত দিয়া হ'ল -

| বিদ্যালয় শ্ৰেণী | তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীৰ সংখ্যা | চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ সংখ্যা |
|---|---|---|
| উচ্চমাধ্যমিক | ২৪৯ | ২৫২ |
| উচ্চতৰ মাধ্যমিক | ৮৫ | ৯২ |
| জ্যেষ্ঠ মাধ্যমিক | ৪৩০ | ৪৪৬ |
| সৰ্বমুঠ | ৭৬৪ | ৭৯০ |

উচ্চ শিক্ষা সঞ্চালকালয়ৰ পৰা পোৱা তথ্য অনুসৰি অসম চৰকাৰৰ "The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Act, 2017" আৰু "Amendment Act 2018" আইনৰ আওতাত পৰা অসমৰ বিভিন্ন কলেজ (মহাবিদ্যালয়)ত কোনো ধৰণৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ অস্থায়ী কৰ্মচাৰী নিযুক্তি হৈ থকাৰ বিধি নাই। যিসকল যোগ্যতাসম্পন্ন ব্যক্তিয়ে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদত কৰ্মৰত হৈ আছিল সেইসকলক ইতিমধ্যে নিয়মীয়াকৰণ কৰা হৈছে।

খ) মাধ্যমিক শিক্ষা সঞ্চালকালয়ে জনোৱা অনুসৰি ২০২১ চনত প্ৰাদেশিকীকৰণ কৰা পদসমূহৰ ভিতৰত কোনো ধৰণৰ অশৈক্ষিক অস্থায়ী কৰ্মচাৰী নাই। আনহাতে উচ্চ শিক্ষা সঞ্চালকালয়ৰ পৰা পোৱা তথ্য অনুসৰি তেনেকুৱা কোনো দাবী বা অনুৰোধ সম্পৰ্কে অৱগত নহয়।

*** এই উত্তৰটোৰ এটা চফট্ কপি ', অসম বিধানসভাৰ ৱেবচাইট 'www.cms.neva.gov.in' ত আপল'ড কৰা হৈছে।

*****************************************************

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং – ১৪৩

উত্তৰ দানৰ তাৰিখ : ১৯/০২/২০২৬

বিষয়ঃ বিদ্যালয় প্ৰাদেশিকীকৰণ আৰু শিক্ষক নিযুক্তি সম্পৰ্কে।

শ্ৰী ডা: আচিফ মঃ নাজাৰ : বিধায়ক

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মৰিগাঁও জিলাৰ অন্তৰ্গত কিমানখন প্ৰাথমিক বিদ্যালয়, উচ্চ প্ৰাথমিক, উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয় এতিয়ালৈকে প্ৰাদেশিকীকৰণ হোৱা নাই তথ্য সহকাৰে জনাব।

(খ) লাহৰীঘাট সমষ্টিত আজিও বহু বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ অভাৱ আছে। বিভাগে এই বিদ্যালয় সমুহত শিক্ষক বৃদ্ধিৰ বাবে নিযুক্তিৰ ব্যৱস্থা হাতত লৈছে নে ?

<u>উত্তৰ</u>

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ

(ক) অসম চৰকাৰৰ অধীনত "The Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Act, 2017" আৰু "Amendment Act 2018" আইনৰ আওতাৰ ভিতৰত থকা সকলো অ-প্ৰাদেশীকৃত মহাবিদ্যালয় ইতিমধ্যে অসম চৰকাৰৰ শিক্ষা বিভাগে প্ৰাদেশীকৃত কৰিছে।

তাৰোপৰি, "The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Amendment Act, 2025" আইনখন ইতিমধ্যে অধিসূচনা কৰা হৈছে আৰু শিক্ষা বিভাগে এই বিষয়ে ব্যৱস্থা গ্ৰহন কৰিব ।

(খ) শিক্ষকৰ অৱসৰ আৰু বদলিকৰণ বাবে বিষয়টো এটি গতিশীল প্ৰক্ৰিয়া, যিটো বিষয়ত শিক্ষা বিভাগ অৱগত।

প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত পদ সমূহ পূৰণৰ বাবে ইতিমধ্যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ৫৫৫০ টা খালী পদৰ বিজ্ঞাপন প্ৰকাশিত হৈছিল আৰু ০১-১১-২০২৫ তাৰিখে নিযুক্তিৰ প্ৰক্ৰিয়া সম্পন্ন হৈছে, য'ত, লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত ৮৬ খন নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যলয়ত শিক্ষক নিযুক্তি কৰা হৈছে। তাৰোপৰি, প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত পূণৰ ৪৫০০ টা খালী পদৰ বিজ্ঞাপন প্ৰকাশিত হৈছে আৰু নিযুক্তিৰ প্ৰক্ৰিয়া চলি আছে। বৰ্তমানে এই নিযুক্তি প্ৰক্তিয়াৰ অধীনত নথি পৰীক্ষণৰ কাম চলি আছে। এই নিযুক্তি প্ৰক্ৰিয়াত লাহৰীঘাট সমষ্টিৰ লগতে অসমৰ বিভিন্ন বিদ্যালয়ৰ খালী পদ সমূহ পূৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। পৰবৰ্তী পৰ্যায়ত এই পদ সমূহ পূৰণ কৰা হব।

লাহৰীঘাট সমষ্টিত ২০২৫ চনত ৬৬ জন শিক্ষকক নিযুক্তি দিয়া হৈছে। তদুপৰি লাহৰীঘাট সমষ্টিৰ অৰ্ন্তগত স্কুলসমূহত খালী পদসমূহ পূৰণ কৰাৰ বাবে পৰৱৰ্তী পৰ্যায়ত শিক্ষক নিযুক্তিৰ ব্যৱস্থা লোৱা হব।

(উক্ত প্ৰশ্নোত্তৰ **"National e-Vidhan Application (NeVA)"** পৰ্টেলত উপলব্ধ কৰা হৈছে)

*************************

# অসম বিধান সভা

## লিখিত প্ৰশ্ন নং : ১৪৪

## উত্তৰ দিয়াৰ তাৰিখ – ১৯/০২/২০২৬

বিষয়ঃ **উদ্যোগ স্থাপন।**

সদস্যৰ নামঃ **ড° অমিয় কুমাৰ ভূঞাঃ**

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) স্থানীয় কেঁচা সামগ্ৰীৰ ওপৰত ভিত্তি কৰি খাদ্য প্ৰস্তুতকৰণ উদ্যোগ স্থাপন কৰিবৰ বাবে চৰকাৰৰ তৰফৰ পৰা কেনেধৰণৰ সহায়-সহযোগ আৰু ৰাজসাহাৰ্য্য আছে? সদনত জনাব।

(খ) চৰকাৰৰ উদ্যোগত স্থানীয় উৎপাদিত কি কি কৃষি সামগ্ৰী বিদেশলৈ ৰপ্তানি হৈ আছে? তথ্যসহ জনাব।

(গ) চৰকাৰৰ হাতত নতুনকৈ বাণিজ্য কেন্দ্ৰ নিৰ্মাণৰ আঁচনি আছে নেকি? যদি আছে, বিহপুৰীয়া সমষ্টিত তেনে বাণিজ্য কেন্দ্ৰ স্থাপন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিব নেকি?

## উত্তৰঃ

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়াদেৱে উত্তৰ দিবঃ

(ক) অসম চৰকাৰে উদ্যোগীকৰণৰ কাৰণে স্থানীয় কেঁচা সামগ্ৰীৰ ওপৰত ভিত্তি কৰি হোৱা উদ্যোগক প্ৰাধান্য দিয়ে।

উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে স্থানীয় কেঁচা সামগ্ৰীৰ ওপৰত ভিত্তি কৰি খাদ্য প্ৰস্তুত কৰণ উদ্যোগ স্থাপন কৰিবৰ বাবে উদ্যোগীসকলক নিম্নলিখিত আঁচনিসমূহৰ দ্বাৰা সহায় কৰি আহিছে:-

1. Chief Minister's Atmanirbhar Asom Abhijan
2. Industrial & Investment Policy of Assam (amended) 2023
3. Assam Startup & Innovation Policy 2025
4. Assam Biotech Policy, 2022
5. Assam Logistics & Warehousing Policy, 2022
6. Uttar Poorva Transformative Industrialization Scheme (UNNATI, 2024)
7. Prime Minister's Employment Generation Programme (PMEGP)
8. Pradhan Mantri Formalisation of Micro Food Processing Enterprises Scheme (PMFME)

(খ) প্ৰাপ্ত তথ্য অনুসৰি অসমৰ পৰা ৰপ্তানি হৈ থকা প্ৰধান কৃষি সামগ্ৰীসমূহ হ'ল- মাকৈ, চাউল (বাসমতীৰ বাহিৰে), দুগ্ধজাত সামগ্ৰী, দাইল, অন্যান্য তাজা শাক-পাচলি, ফলমূল ইত্যাদি। ইয়াৰ বাহিৰে আন কেতবোৰ কৃষি জাতক সামগ্ৰী ৰপ্তানি হৈ আছে।

(সবিশেষ তালিকা পৰিশিষ্ট – ১ ত অসম বিধান সভাৰ বেৱচাইট https://asla.neva.gov.in/ ত আপলোড কৰা হৈছে)

(গ) আছে ।

উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে বিহপুৰীয়া সমষ্টিত ব্যৱসায়িক চাহিদা অধ্যয়ন কৰাৰ পিছতহে পদক্ষেপ ল'ব পাৰিব ।

**********